DUDHNOI COLLEGE
ESTD 1972

দুধনৈ মহাবিদ্যালয়

২০০৩ - ২০০৪

# দুধনৈ মহাবিদ্যালয় আলোচনী



সম্পাদক ঃ সদানন্দ ৰাভা

# দুধনৈ মহাবিদ্যালয় আলোচনী

বার্ষিক প্রকাশ

উনবিংশতিতম বর্ষ ঃ সপ্তদশ সংখ্যা

২০০৩-২০০৪ বর্ষ

তত্বাৱধায়ক ঃ অধ্যাপক ড° ৰজত চন্দ্ৰ ৰাভা

সম্পাদক ঃ সদানন্দ ৰাভা

**Dudhnoi Mahavidyalay Alochani :** *An annual collection in Assamese, Bodo, Rabha and English, published by Dudhnoi College Students' Union, Dudhnoi College, Dudhnoi, 783124, Editor : Sadananda Rabha and Prof.-in-charge : Dr. Rajat Chandra Rabha.*

# দুধনৈ মহাবিদ্যালয় আলোচনী

<u>সম্পাদনা সমিতি ঃ</u>

সভাপতি ঃ হেৰম্ব কুমাৰ ৰাভা

তত্বাবধায়ক ঃ ড° ৰজত চন্দ্ৰ ৰাভা

সম্পাদক ঃ সদানন্দ ৰাভা

সদস্য / সদস্যাবৃন্দ ঃ জীৱেশ্বৰ কোচ
অশোক ৰঞ্জন ভট্টাচাৰ্য
ড° দিপালী ডেকা
ড° কল্যাণ বৰুৱা

বেটুপাতৰ শিল্পী ঃ ৰিপন ৰয়

অঙ্গ সজ্জা ও অলঙ্কৰণ ঃ মুবিন ৰাভা
অভিনৱ প্ৰিন্টাৰ্চ্

মুদ্ৰণ ঃ অভিনৱ প্ৰিন্টাৰ্চ্
বাপুজীনগৰ,
গোৱালপাৰা,
দূৰভাষ নং - (০৩৬৬৩) ২৪২২৬১

## শুভেচ্ছা বাণী



দুধনৈ মহাবিদ্যালয়ৰ ২০০৩-২০০৪ চনৰ আলোচনীখন প্ৰকাশৰ ক্ষেত্ৰত লেখক-লেখিকা আৰু সম্পাদনা সমিতিৰ শলাগ লৈছো। আলোচনীখনে নতুনৰ বাৰ্তা বহন কৰক।

**হেৰম্ব কুমাৰ ৰাভা**
**ভাৰপ্ৰাপ্ত অধ্যক্ষ**
**দুধনৈ মহাবিদ্যালয়**

দুধনৈ মহাবিদ্যালয় আলোচনী



# সম্পাদকীয়

প্ৰতিবেদন লিখনিৰ আৰম্ভনিতে মই আমাৰ দেশ মাতৃৰ অস্তিত্ব ৰক্ষাৰ অৰ্থে যিসকল বীৰ শ্বহীদে দেশ মাতৃৰ বুকুত প্ৰাণ বিসৰ্জন দি বীৰত্ব প্ৰদান কৰিলে সেই সকললৈ মোৰ অশেষ শ্ৰদ্ধা আৰু সমবেদনা জ্ঞাপন কৰিলো। লগতে ২০০৩-২০০৪ বৰ্ষৰ দুধনৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ আলোচনী সম্পাদকৰ বাবে মোক সেৱা আগবঢ়োৱাৰ সুবিধাকণ দিয়াৰ বাবে আমাৰ মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱীৰ ওচৰত চিৰকৃতজ্ঞ হৈ ৰ'ম।

**এখন ভাল আলোচনী ঃ**

এখন ভাল আলোচনী বুলি ক'লে দেখিবলৈ সুন্দৰ, তত্ত্ব গধুৰ লেখনি, বিভিন্ন ৰসৰ ৰচনা আৰু বিভিন্ন বিষয়ক তথ্যৰ সমাহাৰ বুলিয়ে বুজা যায়। অৱশ্যে সংবাদ আলোচনী এখনৰ সৈতে মহাবিদ্যালয় বা বিশ্ববিদ্যালয়ৰ আলোচনী এখনৰ পাৰ্থক্য আছে। গুৱাহাটীৰ মহাবিদ্যালয় বা বিশ্ববিদ্যালয় আদিৰ ক্ষেত্ৰত থাকে, নিৰ্দ্দিষ্ট পুঁজিৰ সীমাবদ্ধতা, ছাত্ৰ-ছাত্ৰীৰ আৰু ইয়াৰ শিক্ষকসকল হৈছে ইয়াৰ প্ৰধান লেখক-লেখিকা। গতিকে অসুবিধা বহুত। বৰ্তমান অৱস্থাত ছপা সামগ্ৰীৰ অতিপাত দাম বৃদ্ধি, ছাত্ৰ-ছাত্ৰীৰ অতিকেন্দ্ৰিক পৰীক্ষামুখীৰ চিন্তা, কৰ্তৃপক্ষৰ হেমাহি আদিৰ বিভিন্ন সীমাবদ্ধতাৰ মাজতে এখন আলোচনী প্ৰকাশ কৰি উলিয়াবলৈ যাওঁতে গুণগত মানৰ দিশত গুৰুত্ব দিয়া কঠিন হৈ পৰে।

তথাপি, আমি বছৰটোত বহুতো অসুবিধাৰ মাজেদি মহাবিদ্যালয় আলোচনীখন প্ৰকাশৰ লগতে সাহিত্যৰ দৰে জনপ্ৰিয় এটি মাধ্যমক সজীৱ কৰি ৰাখিব পাৰিছোঁ।

**পৰীক্ষা সৰ্বস্ব শিক্ষা ঃ**

শিক্ষাৰ উদ্দেশ্যক পিছ পেলাই থৈ এতিয়া শিক্ষা হৈছে এক পৰীক্ষামুখী ব্যৱস্থা। পৰীক্ষামুখী শিক্ষা ব্যৱস্থাত ছাত্ৰ-ছাত্ৰীৰো দৌৰ কেইটামান নম্বৰৰ প্ৰতিযোগিতাতে সীমাবদ্ধ। শিক্ষা ব্যৱস্থাটোৰ ভাঙোন কিম্বা দিক্ পৰিবৰ্ত্তনৰ ভালেমান কাৰণ আছে যদিও মূলত জনসংখ্যা বৃদ্ধি আৰু এই বৃদ্ধিৰ হাৰে সৃষ্টি কৰা সমস্যাই প্ৰধান। অতিপাত জনসংখ্যা বৃদ্ধিৰ ফলত বৰ্তমান দেশত সৃষ্টি হৈছে ভয়াবহ নিবনুৱা সমস্যা। সেয়েহে শিক্ষা-দীক্ষা অৰ্জনৰ অন্তত গৰিষ্ঠ সংখ্যকে কৰ্মহীন হৈ ৰ'বলগীয়া হয়। কৰ্মহীনতাই সৃষ্টি কৰিছে বিভিন্ন সামাজিক সমস্যা, অনিশ্চয়তা। সেয়েহে শিক্ষাক জ্ঞান অৰ্জনৰ ব্যৱস্থা হিচাপে নাচাই ব্যৱসায়িক দৃষ্টিভংগীৰে বিবেচনা কৰিবলৈ লোৱা হৈছে। পৰীক্ষাত নম্বৰ পাই এক চাকৰিমূখী ব্যৱস্থাত পৰাৰ হেঁপাহত এতিয়া ছাত্ৰ-ছাত্ৰী দৌৰে নম্বৰ লাভৰ আশাত। ইফালে বিদ্যালয়, মহাবিদ্যালয় সমূহত চলিছে বিদ্যায়তনিক দিশৰ বিশৃংখল আৰু অনুশাসনহীনতা। যাৰ ফলত এতিয়া কলেজ, বিশ্ববিদ্যালয়ত নাম লেখি ছাত্ৰ-ছাত্ৰী যায় কোচিং চেন্টাৰ নতুবা শিক্ষকৰ ঘৰলৈ। শ্ৰেণীকোঠাৰ প্ৰতি ছাত্ৰৰ এই মোহ ভঙ্গ অৱস্থাৰ শুধৰণী অবিহনে সমগ্ৰ শিক্ষা তথা সামাজিক ব্যৱস্থাই থানবান হৈ যাব নিশ্চয়।

বৰ্তমান মহাবিদ্যালয়ৰ শিক্ষা ব্যৱস্থাত কাৰিকৰী বা বৃত্তীয় শিক্ষাৰ দিশত অতিকৈ গুৰুত্ব প্ৰদান কৰিব লাগে। যাতে ছাত্ৰ-ছাত্ৰী সকলে কাৰিকৰী বা বৃত্তীয় শিক্ষা লাভ কৰি নিজৰ জীৱন সুৰক্ষিত কৰিব পাৰে। তেতিয়াহে ছাত্ৰ-ছাত্ৰী সকলে শিক্ষা গ্ৰহণ কৰাৰ উচিত মূল্য লাভ কৰিব।

দুধনৈ মহাবিদ্যালয় আলোচনী

ছাত্র-ছাত্রীৰ দায়িত্ব ঃ

এতিয়া সকলোৱেই লক্ষ্য কৰিছে সামাজিক অৱক্ষয়। চাৰিওফালে অন্যায়, অবিচাৰ, দুৰ্নীতি, হত্যা, ধৰ্ষণ, নিৰ্যাতনৰ বাতৰিয়ে আগুৰি ধৰিছে আজিৰ সমাজ। আনফালে কৰ্মসংস্থানৰ অভাৱ, শিক্ষানুষ্ঠানত শৈক্ষিক সংকট। তাৰোপৰি আছে সাংস্কৃতিক আৰু বৌদ্ধিক দৈন্যতা আৰু লগতে আদৰ্শৰ অভাৱ। এনে এক পৰিৱেশত ভৱিষ্যত গঢ়াৰ স্বপ্নত বিভোৰ ছাত্ৰ-ছাত্ৰীসকলৰ দায়িত্ব হ'ব গুৰুতৰ। কাৰণ সংকট আৰু সমস্যাৰ মাজেৰে ধৈৰ্য্য আৰু ত্যাগেৰে গঢ়িব লাগিব নিজৰ জীৱন আৰু ৰাখিব লাগিব দেশৰ মান।

কৃতজ্ঞতা ঃ

মোৰ কাৰ্য্য কালত বহুতো শিক্ষা গুৰুৰ উপদেশ উদ্‌গণি লাভ কৰিছো। মোক পদে পদে সহায় পৰামৰ্শ আগবঢ়াই আলোচনীৰ প্ৰকাশৰ পথ সুগম কৰা বাবে ভাৰ প্ৰাপ্ত অধ্যক্ষ শ্ৰীযুত হেৰম্ব ৰাভা, তত্ত্বাবধায়ক ড° ৰজত চন্দ্ৰ ৰাভা, অধ্যাপক অশোক ৰঞ্জন ভট্টাচাৰ্য্য, অধ্যাপক ড° কল্যাণ বৰুৱা, অধ্যাপক হৰ কুমাৰ নাথ, অধ্যাপক জীৱেশ্বৰ কোচ, অধ্যাপক ৰূপজ্যোতি মজুমদাৰ চাৰ আৰু অধ্যাপিকা দিপালী ডেকা, অধ্যাপিকা ৰীতা ৰয় চৌধুৰী, ড° মিনতি চৌধুৰী বাইদেউৰ ওচৰত মই চিৰঋণী হৈ ৰ'লো। সেইদৰে মহাবিদ্যালয়ৰ সকলো শিক্ষাগুৰুৰ মৰম আৰ্শীবাদে মোক কৃতজ্ঞ কৰি ৰাখিব।

ছাত্ৰ-ছাত্ৰী যি সকলৰ বাবে মোৰ মৰম চেনেহ আৰু কৃতজ্ঞতা চিৰদিনেই থাকিব তেওঁলোকক আকৌ এবাৰ ধন্যবাদেৰে সুঁৱৰিছো, আনহাতে মোৰ অগ্ৰজ মোৰ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সমূহ সদস্য-সদস্যা, শ্যামজিৎ ৰাভা (প্ৰাক্তন সম্পাদক) , চন্দন ৰাভা (প্ৰাক্তন আলোচনী সম্পাদক), প্ৰবীন ৰাভা (প্ৰাক্তন ছাত্ৰ), নিৰঞ্জন ৰাভা (আমাৰ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক), দেৱজিৎ ৰয় (আমাৰ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সহঃ সাধাৰণ সম্পাদক) আৰু আলোচনী বেটুপাতৰ গুৰি ধৰোতা বন্ধু শ্ৰী ৰিপন ৰয়., সুব্ৰত ৰাভা, ৰূপম ৰাভা, ৰাণা চাহা, উত্তম দৈমাৰী, নিৰ্মল বৰা, নিৰ্ভয় ৰাভায়ে বিভিন্ন ক্ষেত্ৰত সহায়-সহযোগিতা আগবঢ়োৱাৰ বাবে আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

শেষত, যিখিনি ভুল-ভ্ৰান্তি হ'ল তাৰ বাবে ক্ষমা আৰু সাহিত্যৰ দিশত নিজৰ অনভিজ্ঞতাৰ বাবে মাৰ্জনা বিচাৰি - দুধনৈ মহাবিদ্যালয়ৰ ভৱিষ্যত উজ্জ্বল কামনাৰে -

"জয় আই অসম"

"জয়তু দুধনৈ মহাবিদ্যালয়"

অশেষ ধন্যবাদেৰে -

**সদানন্দ ৰাভা**

আলোচনী সম্পাদক

## সূচীপত্ৰ ঃ


অসমীয়া বিভাগ

প্ৰবন্ধ

অপৰাধ প্ৰৱনতা আৰু ইয়াৰ সজাগতা
- ড° মিনতি চৌধুৰী (ভূঞা) ঃ ০১

ওমৰ খৈয়াম ঃ জীৱন আৰু দৰ্শন
- ড° ৰজত চন্দ্ৰ ৰাভা ঃ ০৪

নক্ষত্ৰৰ উৎপত্তি আৰু বিকাশ
- খগেন গগৈ ঃ ০৮

এজন বিশ্ব শ্ৰেষ্ঠ চুটি গল্পকাৰ - গীদ মোপাঁছা
- হৰকুমাৰ নাথ ঃ ১১

অসমৰ থলুৱা বাদ্য যন্ত্ৰ
- অজয় কলিতা ঃ ১৪

দূৰ্নীতি
- ৰাকেশ ৰায় ঃ ১৫

গল্প

প্ৰতীক্ষাৰ অন্তত - ৰবিন ৰাভা ঃ ১৮
সিদ্ধান্ত - হিতেন ৰায় ঃ ২১
অবুজ বেদনা - দিলীপ কুমাৰ ৰাভা ঃ ২৫
ৰুদ্ধ হৃদয় - বৰ্ণালী ৰায় ঃ ২৯
সম্বৰ্ধনা - জোনমনি শীল ঃ ৩১
পোহৰৰ এটি কোণত - সঞ্জয় কলিতা ঃ ৩৩
দৌৰ - পদুমী নাথ ঃ ৩৫
প্ৰেমৰ স্বাক্ষৰ - প্ৰণিতা কলিতা ঃ ৩৮
এটি অদ্ভুত ভ্ৰমণ - জেমিনা বেগম ঃ ৪০
(ৰস ৰচনা)
আধা - খনীন্দ্ৰ কলিতা ঃ ৪২

কবিতা

এই জীৱন - ভনিতা ৰয় ঃ ৪৩
প্ৰিয়তমা তোমালৈ - ৰিমা কছাৰী ঃ ৪৩
বেদনা - ৰূপম ৰাভা ঃ ৪৪
অতীত - শ্যামজিৎ ৰাভা ঃ ৪৪
খ্যাতি ৰহস্য - বন্তী সিংহ ঃ ৪৫
মৃত্যু - যুগল কুমাৰ নাথ ঃ ৪৫
ক'ত হেৰাল ? - নিবেদিতা চৌধুৰী ঃ ৪৬

ৰাভা বিভাগ

ছিক্কায়-ৰাম্পাৰ - জ্যোতিৰেখা ৰাভা ঃ ৪৭
লী গা - মকেশ্বৰ ৰাভা ঃ ৪৭
দুখ বাৰং - উপেন চন্দ্ৰ ৰাভা ঃ ৪৮
ভাবিকায় - মেঘনাথ ৰাভা ঃ ৪৮
নাং - জুনুমণি ৰাভা ঃ ৪৯

বড়ো বিভাগ

ৰিমা - Mintu Basumatary ঃ ৫০
ৰিৰাৰ - Dhiraj Kumar Hazowary ঃ ৫০
নোঁ জানানৈ ফৈ সিমাং
- Akshay Raj Muchahary ঃ ৫১
হায়নারি - Rajib Hazowary ঃ ৫১
হে মুংখ্লং - Utpal Khakhlary ঃ ৫২

**English Section**

Periodization of Bodo literature
- Some Observations
- Jibeswar Koch ঃ ৫৩

Pattern of Population of Assam, 1991
- Md. Abdul Mozid Mandal ঃ ৫৫

A Basic Knowledge on Computer
- Chandan Kumar Rabha ঃ ৬৩

Living with illusion - Kabita Roy ঃ ৬৬
Summer - Kabita Agarwal ঃ ৬৬

বিভাগীয় সম্পাদকৰ প্ৰতিবেদন ঃ ৬৭

Results of
Annual College Week 2003-2004 ঃ ৮২

Stars of the Dudhnoi College ঃ ৮৬

# অসমীয়া বিভাগ





*অপৰাধ প্ৰৱনতা হৈছে নিজ নিজ সামাজিক পৰিৱেশত অপসমা-যোজনাৰ পৰিনিতি। অৰ্থাৎ এই চাম যুৱকে নিজৰ পৰিৱেশত স্বাভাৱিক জীৱন যাপনত সুস্থ ভাৱে খাপ খোৱাব নোৱাৰে।*

# অপৰাধ প্ৰৱনতা আৰু ইয়াৰ সজাগতা

ড° মিনতি চৌধুৰী (ভূঞা)
অধ্যাপক, শিক্ষা বিভাগ

বৰ্ত্তমান সমাজৰ জলন্ত সমস্যাসমূহৰ ভিতৰত যুৱ সমস্যা এক অন্যতম সমস্যা। কাৰণ বৰ্ত্তমান সমাজৰ সামাজিক জটিলতা বঢ়াৰ লগে লগে যুৱ সমাজৰ বিৰুদ্ধে উত্থাপিত অভিযোগবোৰো বৃদ্ধি পাই আহিছে। কাকতে পত্ৰই যুৱ-সমাজক লৈয়েই বহুতো বাতৰি আৰু তেওঁলোকক লৈ বহুতো আলোচিত বিষয় সঘনাই পঢ়িবলৈ পোৱা যায়। সাধাৰণতে যুৱ সমাজৰ বিৰুদ্ধে উত্থাপিত অভিযোগবোৰ এনেধৰণৰ - জ্যেষ্ঠজনক নমনা, পৰচৰ্চা নাইবা অশ্লীল বিষয়বস্তুকলৈ আড্ডা মৰা চাহ বা পান দোকানৰ সন্মুখত বহি এলেহুৱা জীৱন কটোৱা, যৌন অপৰাধত লিপ্ত হোৱা, শৃংখলা ভঙ্গ কৰা, অবাধ্য হোৱা, কোনো সঙ্গীত সন্ধিয়াত উচ্ছৃংখল অৱস্থাৰ সৃষ্টি কৰা, ড্ৰাগছ সেৱন, উগ্ৰবাদ, হত্যা, হাতত অস্ত্ৰ তুলি বলপূৰ্বক ধন লুট কৰা, ক্লাৱৰ নামত অথবা বিহু-পূজাৰ নামত চান্দা তুলি ভোজ ভাত মদ খোৱা, পৰীক্ষাক কেন্দ্ৰ কৰিয়েই অপ্ৰীতিকৰ পৰিৱেশৰ সৃষ্টি কৰা, শিক্ষকক অশালীন ব্যৱহাৰ কৰা, ধ্বংসাত্মক কাৰ্য্যত লিপ্ত হোৱা ইত্যাদি ইত্যাদি। সমাজৰ প্ৰচলিত নীতি-নিয়মৰ বিপৰীতে যোৱা বা সমাজ বিৰোধী কামত লিপ্ত হোৱা এই যুৱ মানসিকতাক আৰু কাৰ্য্যকলাপক অপৰাধ প্ৰৱণতাত ভোগা বুলি কোৱা হয়। অপৰাধ প্ৰৱণতা হৈছে নিজ নিজ সামাজিক পৰিৱেশত অপসমা-যোজনাৰ পৰিনিতি। অৰ্থাৎ এই চাম যুৱকে নিজৰ পৰিৱেশত স্বাভাৱিক জীৱন যাপনত সুস্থ ভাৱে খাপ খাব নোৱাৰে।

প্ৰশ্ন হ'ল এই যুৱক-যুৱতী সকল বিপথে পৰিচালিত হোৱাৰ কাৰণ কি ? এই প্ৰশ্নৰ উত্তৰ বিচাৰি যাওঁতে আমি বহুতো কাৰণ দেখা পাওঁ। তাৰ ভিতৰত প্ৰধানকৈ ঘৰ আৰু পৰিবেশৰ কথা উল্লেখ কৰিব পাৰি। এটি শিশুক সু-নাগৰিক কৰি গঢ়ি তুলিবলৈ হ'লে মাক-দেউতাক তথা অভিভাৱকৰ দায়িত্ব অধিক। মাক-দেউতাক বা অভিভাৱকে তেওঁৰ সন্তানে ঘৰত বা বাহিৰত কি কৰিছে বা নাই কৰা সকলো খবৰ জনা

উচিত। মাক-দেউতাকে তেওঁলোকৰ সন্তানৰ মানসিক সমস্যাৰ বিষয়ে হৃদয়ঙ্গম কৰা উচিত। পঢ়িবৰ বাবে সকলো সুবিধা কৰি দিছো, ঘৰত কোনো কাম কৰিবলৈ নিদিও, পঢ়াৰ বাবদ যথেষ্ট খৰচ কৰিছো এই মনোবৃত্তিৰে যুৱক-যুৱতী সকলক পঢ়ি থাকক বুলিয়েই দায়িত্ব শেষ বুলি আজিৰ সমাজত বা বৰ্ত্তমানত অভিভাৱকসকলে এৰি দিলে নহয়। অভিভাৱকসকলে যেনেদৰে গাড়ী এখনৰ বাবে বা ভাল ঘৰ এটাৰ বাবে মানসিক অশান্তিত ভূগিছে, সন্তান সকলেও ক্রিকেট খেলিবলৈ বেট এখনৰ বাবে বা বল এটাৰ বাবে, কলেজ বা টিউচনলৈ যাবলৈ বাইক এখনৰ অভাৱত মানসিক অশান্তিত ভূগিছে। বয়স ভেদে প্রয়োজনবোৰ বেলেগ বেলেগ হয় আৰু প্রয়োজনবোৰ পূৰাব নোৱাৰিলে সমস্যাৰ সৃষ্টি হয়। যুৱক-যুৱতীসকলৰ সমস্যাৰ প্রতি, বিশেষকৈ ঘৰখনৰ সজাগতাৰ অতি প্রয়োজন, সাধাৰণতে যুৱক-যুৱতীসকলৰ মানসিক সমস্যাবোৰ এনেধৰণৰ - কিতাপত মন নবহা, কিতাপ পঢ়ি বুজি নোপোৱাৰ সমস্যা, অংক বুজাৰ সমস্যা, ভাষাৰ সমস্যা, মাধ্যমৰ সমস্যা, বন্ধু-বান্ধৱীৰ লগত মিলিব নোৱাৰি হীনমন্যতাত ভোগা, অতিপাত আৱেগিক হোৱা, লগৰ সমনীয়াৰ আকৰ্ষণীয় বস্তুৰ প্রতি লোভ, অতিপাত হুলস্থূলীয়া স্বভাৱ, ইত্যাদি ইত্যাদি। এনে ক্ষেত্রত মাক-দেউতাক সকল তেওঁলোকৰ প্রতি কঠোৰ নহৈ সহানুভূতিশীল হোৱা উচিত। ঘৰখনত থকা প্রত্যেক জ্যেষ্ঠজনে সন্তানসকলৰ প্রতি সন্মানসহকাৰে সমস্যাবোৰ গুৰুত্ব দিয়া উচিত। সাধাৰণতে

*মাক-দেউতাকে তেওঁলোকৰ সন্তানৰ মানসিক সমস্যাৰ বিষয়ে হৃদয়ঙ্গম কৰা উচিত। পঢ়িবৰ বাবে সকলো সুবিধা কৰি দিছো, ঘৰত কোনো কাম কৰিবলৈ নিদিও, পঢ়াৰ বাবদ যথেষ্ট খৰচ কৰিছো এই মনোবৃত্তিৰে যুৱক-যুৱতী সকলক পঢ়ি থাকক বুলিয়েই দায়িত্ব শেষ বুলি আজিৰ সমাজত বা বৰ্ত্তমানত অভিভাৱকসকলে এৰি দিলে নহয়। অভিভাৱকসকলে যেনেদৰে গাড়ী এখনৰ বাবে বা ভাল ঘৰ এটাৰ বাবে মানসিক অশান্তিত ভূগিছে, সন্তান সকলেও ক্রিকেট খেলিবলৈ বেট এখনৰ বাবে বা বল এটাৰ বাবে, কলেজ বা টিউচনলৈ যাবলৈ বাইক এখনৰ অভাৱত মানসিক অশান্তিত ভূগিছে।*

অভিভাৱকসকলে এই যুৱক-যুৱতী সকলৰ বাবে এনে ধৰণৰ সজাগ হোৱা উচিত -

(১) যি কোনো কথা সন্তানসকলে ক'ব পৰাকৈ মাক-দেউতাকক যাতে সহজে কাষত পাব পাৰে।

(২) নিৰ্ভয়ে যাতে নিজে ভবা কথাবোৰ সন্তানসকলে ক'ব পাৰে ।

(৩) সন্তান সকলে কোৱা কথাবোৰ মন দি শুনিব লাগে।

(৪) সন্তানসকলক তলতীয়া কৰাৰ মানসিকতাৰে যুক্তি দি সৰু কৰি থব নালাগে।

(৫) ঘৰুৱা সমস্যাবোৰত তেওঁলোকক অন্তৰ্ভূক্ত কৰি মত ল'ব লাগে।

(৬) অইনৰ সন্তানৰ লগত পৰাপক্ষত তুলনা কৰিব নালাগে।

(৭) তিৰস্কাৰ কৰাতকৈ বা খং কৰাতকৈ,সময় সাপেক্ষে প্রশংসা কৰিব লাগে।

(৮) গ্রহণযোগ্য নোহোৱা কামবোৰ পৰিস্কাৰকৈ বুজাই দিব লাগে।

(৯) লিখা-পঢ়া, গান-বাজনা বা খেলাধূলাবোৰ যে তেওঁলোকৰ জীৱনৰ কাৰণে বুজাই দিব লাগে।

(১০) সন্তানসকলে যিটো ভাষা বুজি পায় বা যি লেভেলত কথা ক'লে বুজি পায় সেই ভাষাত হে কথা ক'ব লাগে।

(১১) সিহঁতৰ বহুতো কথা বেয়া লাগিলেও ধৈৰ্য ধৰি শুনিব লাগে।

(১২) কোনো পিতৃ-মাতৃয়ে খুব কষ্টকৈ পঢ়া-শুনা কৰি ডাঙৰ হোৱা বাবে সেই মানসিকতাৰে সন্তানক আক্রমনাত্মক ভাবেৰে ঘনাই কথা শুনাই থকাৰ পৰা বিৰত থাকিব লাগে।

(১৩) সন্তানৰ বন্ধুবৰ্গক গুৰুত্ব দিব লাগে।

(১৪) আচৰণৰ পৰিবৰ্ত্তন দেখিলে কঠোৰ নহৈ আলোচনাৰ মাধ্যমেৰে বুজি ল'ব লাগে।

(১৫) নিৰাপত্তাৰ অভাৱ অনুভৱ কৰিব দিব নালাগে।

(১৬) অতিমাত্রা ৰক্ষণাবেক্ষণ দিব নালাগে।

(১৭) খুব বেছি কঠোৰ শাসনত ৰাখিব নালাগে, অন্যথাই ভয়তে মিছা কথা ক'বলৈ ল'ব পাৰে।

(১৮) কেতিয়াও কোনো কথাত আদেশ দিব নালাগে - অনুৰোধৰ সুৰত ক'ব লাগে।

(১৯) সন্তানৰ খোৱা লোৱা ৰুচি অনুযায়ী দিব লাগে।

দ্বিতীয়তে পৰিৱেশ বুলি ক'লে এক বহল পৰিসৰক বুজায়। যেনে- সামাজিক, ৰাজনৈতিক, প্ৰশাসনিক, নিবনুৱা সমস্যা, অৰ্থনৈতিক, বৰ্ত্তমানৰ শিক্ষা ব্যৱস্থা, ইত্যাদি। ইয়াত ইমানবোৰ দিশ সামৰি নলৈ চমুকৈ কেৱল শিক্ষা ব্যৱস্থাৰ কথাহে আলোচনা কৰিব খোজা হৈছে। বৰ্ত্তমানৰ শিক্ষা ব্যৱস্থাই ছাত্ৰ-সমাজৰ ভৱিষ্যতৰ বাবে এক নিৰাপত্তাৰ আশ্বাস দিব পাৰিছে বুলি ভাবিব নোৱাৰি। শিক্ষাৰ প্ৰকৃত লক্ষ্যৰ পৰা বৰ্ত্তমান শিক্ষা ব্যৱস্থাই যুৱক-যুৱতীক কৰ্ম বিমুখ কৰি তুলিছে। আটাইতকৈ গুৰুত্বপূৰ্ণ কথাটো হ'ল বৰ্ত্তমানৰ শিক্ষা ব্যৱস্থা সম্পূৰ্ণৰূপে পৰীক্ষামুখী হৈ পৰিছে। প্ৰকৃত শিক্ষাৰ লক্ষ্য কৰবাত থাকি প্ৰত্যেক ছাত্ৰ-ছাত্ৰীয়ে পৰীক্ষাৰ নম্বৰ পাবলৈহে বিচাৰে অৰ্থাৎ পঢ়ে। সামূহিক জ্ঞান লাভৰ ওপৰত গুৰুত্ব নিদিয়ে। ঠিক তেনেদৰে শিক্ষকসকলে ছাত্ৰ-ছাত্ৰীৰ প্ৰকৃত জ্ঞানৰ মূল্যবোৰ দিয়াতকৈ পৰীক্ষাৰ বাবেহে ছাত্ৰ-ছাত্ৰীক প্ৰস্তুত কৰি তোলে। বৰ্ত্তমানৰ প্ৰচলিত পৰীক্ষা পদ্ধতিয়ে ছাত্ৰ-ছাত্ৰীৰ প্ৰতিভাৰ প্ৰকৃত মূল্যায়ণ কৰিব পৰা নাই। য'ত সঠিক মূল্যায়ণৰ বাবে এক অৱধাৰিত আৰু পদ্ধতিগত ব্যৱহাৰৰ অভাৱ। ফলত যুৱক-যুৱতী সকল ক্ষুদ্ধ হৈ পৰে আৰু কিছুমানে হতাশা বা নিচাত্মীকাবোধত ভোগে আৰু মানসিক জটিলতাৰ সৃষ্টি হয়। ফলত অপৰাধ



প্ৰৱণতাত ভোগে। পৰীক্ষাৰ ফলাফল, পুনঃৰীক্ষণ আদিতো বেমেজালি নথকা বুলি ক'ব নোৱাৰি। পৰীক্ষাক কেন্দ্ৰ কৰিয়েই বিভিন্ন ধৰণৰ অপ্ৰীতিকৰ ঘটনা ঘটিয়েই থাকে।

সেয়েহে বৰ্ত্তমান শিক্ষা ব্যৱস্থাৰ উন্নতি সাধন কৰি শৈক্ষিক পৰিৱেশ সৃষ্টি কৰি শিক্ষাৰ মূল্যৰ ওপৰত গুৰুত্ব দিয়া উচিত। এনে ক্ষেত্ৰত শিক্ষাৰ লগত জড়িত প্ৰশাসনীয় ব্যক্তি, শিক্ষাবিদ, শিক্ষক, ছাত্ৰ-ছাত্ৰী, অভিভাৱক, সমাজকৰ্মী, সমাজ সংস্থা, সচেতন নাগৰিক, চৰকাৰ, আইনবিদ আদি আটায়ে বৰ্ত্তমানৰ অৱক্ষয় হ'ব খোজা শৈক্ষিক পৰিৱেশক পুনৰ উদ্ধাৰ কৰাত সচেতন হোৱা প্ৰয়োজন। তেওঁলোকৰ উমৈহতীয়া চিন্তা আৰু কাৰ্যইহে এনেধৰণৰ সমস্যাৰ নতুন দিশৰ সন্ধান দিব পাৰিব। ■

দেশৰ দৰিদ্ৰতা, অজ্ঞানতা গুচাবৰ প্ৰধান উপায় হ'ল শিক্ষা। শাৰীৰিক আৰু মানসিক জ্ঞানতকৈ পবিত্ৰ ক্ষমতাৰ বস্তু এই জগতত একো নাই।

- চন্দ্ৰকুমাৰ আগৰৱালা

এজন শিক্ষক হ'ব লাগিব শাৰীৰিক ভাৱে উপযুক্ত, আবেগিক ভাৱে ধীৰ-স্থিৰ, মানসিকভাৱে কৰ্মপটু আৰু আধ্যাত্মিক দিশত ঈশ্বৰৰ প্ৰতি ভয় ভক্তি থকা লোক।

- দাৰ্শনিক এৰিষ্টটল

অকনমান সাহসৰ অভাৱতেই পৃথিৱীৰ বহুত প্ৰতিভাৰ অপচয় ঘটে।

- ছিডনি স্মিথ

সাক্ষৰতা আৱশ্যকীয়। কিন্তু কেৱল সাক্ষৰতাই শিক্ষা নহয়। যদি মানুহৰ শিক্ষাৰ লগত জ্ঞানৰ সংযোগ নাথাকে তেনে শিক্ষা অভিশাপ স্বৰূপ।

- ৰাধাকৃষ্ণন

সংগ্ৰহক - অজয় কলিতা
স্নাতক দ্বিতীয় বৰ্ষ (কলা)

# ওমৰ খৈয়াম ঃ জীৱন আৰু দৰ্শন

*সহপাঠী সকলৰ ভিতৰত হাচান ইবনে আলী ইবনে ইছহাক তুসী আৰু হাচান ইবনে আলী ইবনে সাব্বাহ আৰ ৰাজী নামৰ দুগৰাকী অতি প্ৰিয় বন্ধু আছিল। এওঁলোকৰ প্ৰথম গৰাকী বন্ধু পৰবৰ্তী কালত পাৰস্যৰ প্ৰধানমন্ত্ৰী পদ লাভ কৰি "নিজাম-উল-মুলুক" উপাধি গ্ৰহণ কৰে। দ্বিতীয়জন বন্ধু হাচান সাব্বাহ কুসংগত পৰি পিছলৈ দস্যু বৃত্তি গ্ৰহণ কৰে আৰু তেওঁ দেশবাসীৰ আতংক স্বৰূপ হৈ পৰে।*

**ড° ৰজত চন্দ্ৰ ৰাভা**
অধ্যাপক, অসমীয়া বিভাগ

একাদশ শতিকাৰ প্ৰথমাৰ্দ্ধত পাৰস্য দেশৰ উত্তৰ খোৰাচানৰ নিশাপুৰ গাওঁৰ কোনো এটা দিনত এটি অজ্ঞাত পৰিয়ালত শিশু এটিৰ জন্ম হৈছিল। সেই শিশুটিয়ে পৃথিৱীত এটি নতুন ইতিহাসৰ সূচনা কৰে বুলি ক'লেও বঢ়াই কোৱা নহ'ব। এই শিশুটিৰ নাম আছিল গীয়াচ্উদ্দিন ইবনে আল্-ফাতাহ ওমৰ ইবনে ইব্ৰাহিম আল খেইয়ামা। পৰৱৰ্ত্তী কালত এৰেই ওমৰ খৈয়াম নামে খ্যাত হৈ পৰে। ওমৰ খৈয়ামৰ শিশুকালৰ বিষয়ে বৰ বিশেষ জনা নাযায়। জীৱনীকাৰ সকলে ওমৰৰ মা-দেউতাকৰ নাম বা তেওঁৰ কেইজন ভাই-ভনী আছিল এই বিষয়ে তেনে কোনো উল্লেখ কৰা নাই।

বিখ্যাত ৰুছ পণ্ডিত শুখভস্কিয়ে ১৮৯৭ চনত ওমৰ খৈয়ামৰ বিষয়ে লিখা গ্ৰন্থত উল্লেখ কৰিছে যে, একাদশ শতিকাত চেলজুক বংশীয় চুলতান সকলে খোৰাচান প্ৰদেশৰ শাসনকৰ্তা আছিল। এই চুলতান সকলৰ প্ৰচেষ্টাতে নিশাপুৰ শিল্প আৰু সংস্কৃতিত সমৃদ্ধি লাভ কৰি তেতিয়াৰ দিনত এছিয়াৰ অন্যতম শ্ৰেষ্ঠ নগৰীৰূপে মৰ্যাদা লাভ কৰিছিল। পাৰস্যৰ কবিসকলে তেওঁলোকৰ কাব্যত নিশাপুৰৰ নৈসৰ্গিক সৌন্দৰ্য আৰু নাগৰিক ঐশ্বৰ্যৰ ভূয়সী প্ৰশংসা কৰিছে। এই নগৰখন আছিল জ্ঞান-বিজ্ঞান চৰ্চাৰ প্ৰাণকেন্দ্ৰ স্বৰূপ। ইয়াতে চেলজুক চুলতান সকলে সাধাৰণ মানুহৰ বাবে বহুত শিক্ষালয় আৰু পুথিভঁৰাল প্ৰতিষ্ঠা কৰে। ওমৰ খৈয়ামৰ বাল্য আৰু যৌৱনকাল ইয়াতে অতিবাহিত হয়।

খোৰাচানৰ মহাজ্ঞানী আৰু সকলোৰে শ্ৰদ্ধাৰ পাত্ৰ ইমাম মোয়াফ্ফেদ্দিন নিশাপুৰ নগৰীৰ উলেমা আছিল। এই মহান জ্ঞান তপস্বীৰ ওচৰতে ওমৰ খৈয়ামে বাল্য আৰু কৈশোৰ কালত শিক্ষা লাভ কৰিছিল। সহপাঠী সকলৰ ভিতৰত হাচান ইবনে আলী ইবনে ইছহাক তুসী আৰু হাচান ইবনে আলী ইবনে সাব্বাহ আৰ ৰাজী নামৰ দুগৰাকী অতি প্ৰিয় বন্ধু আছিল। এওঁলোকৰ প্ৰথম গৰাকী বন্ধু পৰবৰ্ত্তী কালত পাৰস্যৰ প্ৰধানমন্ত্ৰী পদ লাভ কৰি "নিজাম-উল-মুলুক" উপাধি গ্ৰহণ কৰে। দ্বিতীয়জন বন্ধু হাচান সাব্বাহ কুসংগত পৰি পিছলৈ দস্যু বৃত্তি গ্ৰহণ কৰে আৰু তেওঁ দেশবাসীৰ আতংক স্বৰূপ হৈ পৰে।

এই বন্ধু তিনিজনৰ মাজত প্ৰচলিত এটি কাহিনী আছিল। কোনোৱে যদি ভৱিষ্যতে জীৱনত উন্নতি কৰি ডাঙৰ মানুহ হ'ব পাৰে তেৱেঁই বাকী দুজনক সহায় কৰিম বুলি প্ৰতিজ্ঞাবদ্ধ হৈছিল। ওমৰৰ প্ৰথমজন বন্ধু পাৰস্যৰ প্ৰধানমন্ত্ৰী 'নিজাম-উল-মুলুক" লাভ কৰাত যথা সময়ত নিশাপুৰৰ বন্ধু ওমৰলৈ চিঠিৰে জনালে যে পূৰ্বৰ প্ৰতিজ্ঞা অনুসৰি তেওঁ ওমৰক সহায় কৰিব খোজে। ওমৰ ৰাজধানীলৈ আহিলে তেওঁক যথা সন্মান প্ৰদৰ্শন কৰা হ'ব আৰু বাদশ্বাহৰ দৰবাৰত উচ্চ পদ এটা দিয়া হ'ব। ওমৰ খৈয়াম তেতিয়া দিনে নিশাই জ্যোৰ্তিবিজ্ঞান আৰু গণিত শাস্ত্ৰ অধ্যয়নত ব্যস্ত আছিল। তেওঁ সকৃতজ্ঞ চিত্তে তেওঁৰ বন্ধুক জনালে যে, প্ৰবল প্ৰতাপী বাদশ্বাহৰ দৰবাৰত উচ্চ পদ লাভৰ তেওঁৰ কোনো অভিলাষ নাই। গতিকে বন্ধুৱে যেন তেওঁৰ অক্ষমতাৰ মাৰ্জনা কৰে। ইয়াৰ পিছত 'নিজাম-উল-মুলুক' এ

তেওঁক কোনো অনুৰোধ নকৰিলে। তেওঁ ওমৰৰ স্বাধীনতা প্ৰিয় হৃদয়ৰ প্ৰতি শ্ৰদ্ধান্বিত হৈ তেওঁ যাতে নিশ্চিন্ত মনে গৱেষণাৰ কাম কৰিব পাৰে তাৰ বাবে ৰাজ দৰবাৰৰ পৰা বৃত্তি হিচাপে বছৰি বাৰশ স্বৰ্ণ মুদ্ৰা দিয়াৰ ব্যৱস্থা কৰে। ওমৰ খৈয়ামে বন্ধুৰ উদাৰতাত অভিভূত হৈ এই বৃত্তি গ্ৰহণ কৰে।

ওমৰ আৰু নিজাম-উল-মুলুকে দ্বিতীয়জন বন্ধুৰ কোনো খা-খবৰ ৰখা নাছিল। এদিন হঠাতে ৰাজধানীত হাচান সাব্বাহই প্ৰধানমন্ত্ৰীক পূৰ্বৰ প্ৰতিজ্ঞা পালনৰ কথা কোৱাত তেওঁ আনন্দ মনেৰে বন্ধুক এখন প্ৰদেশৰ উজীৰৰ পদত নিযুক্ত কৰে। প্ৰধানমন্ত্ৰীয়ে জনা নাছিল যে তেওঁৰ বন্ধু হাচান এটা দুধৰ্ষ দস্যু দলৰ অধিনায়ক। হাচানে বন্ধুৰদ্বাৰা উপকৃত হোৱাৰ পাছত বাদশাহৰ সৈতে চক্ৰান্তত লিপ্ত হৈ ১০১২ চনৰ ১৫ অক্টোবৰৰ দিনা নিজাম-উল-মুলুকক হত্যা কৰে। ওমৰে এই অসৎ বন্ধুৰ সৈতে কোনো সম্পৰ্ক ৰখা নাছিল।

চেলজুক বংশী চুলতানসকলে ৰাজধানীখন সংস্কাৰ কৰি ডাঙৰ ডাঙৰ মছজিদ, শিক্ষানুষ্ঠান, গৱেষণাগাৰ আদি স্থাপন কৰিছিল। তেওঁলোকে এটা জ্যোৰ্তিবিজ্ঞান গৱেষণাগাৰো প্ৰতিষ্ঠা কৰিছিল আৰু তাত ওমৰকে অধ্যক্ষৰূপে নিযুক্ত কৰিছিল। সেই সময়ত প্ৰচলিত চুলতান জালালউদ্দিনকৃত পঞ্জিকাৰ সংস্কাৰ সাধন কৰি চুলতানৰ নামেৰে 'জালালী-সম্বৎ' প্ৰবৰ্ত্তন কৰে। তাৰ পাছত দীৰ্ঘ দিন পৰিশ্ৰম কৰি তেওঁ "জিজি-মালিকশাহী (জ্যোতিৰ্ষ সিদ্ধান্ত) প্ৰকাশ কৰে। এইখন প্ৰকাশিত হোৱাৰ লগে লগে ওমৰৰ খ্যাতি পণ্ডিত সমাজত সুপ্ৰতিষ্ঠিত হয়। ওমৰ খৈয়ামে বিজ্ঞানৰ বহু বিষয়ৰ গৱেষণা কৰিছিল যদিও বীজ গণিত (Algebra) আৰু জ্যামিতি (Geometry) - এই দুটা বিষয়ত জগতত চিৰ স্মৰণীয় হৈ আছে।

পৰম বন্ধু নিজাম-উল-মুলুকৰ মৃত্যুৰ পিছত ওমৰ খৈয়াম ৰাজধানীৰ জ্যোৰ্তিবিজ্ঞান গৱেষণাগাৰৰ কাম ত্যাগ কৰি জন্মভূমি নিশাপুৰলৈ উভটি আহে। সেই সময়ত খোৰাচানৰ চুলতান চানজাৰ নিশাপুৰৰ মচনদত অধিষ্ঠিত আছিল। নিশাপুৰলৈ ঘূৰি আহি তেওঁ চুলতান চানজাৰৰ শাসন কালতে সৰ্ব প্ৰথম কবিতা লিখিবলৈ আৰম্ভ কৰে। যিহেতু দৰ্শণ তত্ব আৰু বিজ্ঞানৰ বিষয়ৰ গৱেষণাত দীৰ্ঘ দিন ব্যস্ত আছিল। স্বভাৱতে তেওঁৰ কবিতাসমূহত ইয়াৰ প্ৰভাৱ পৰিছিল। সেই কাৰণে তেওঁৰ ৰচিত ৰুবায়ৎ সমূহত ভক্তিতকৈও যুক্তিৰ আৰু আত্মসমৰ্পণৰ পৰিবৰ্তে আত্মনিৰ্ভৰ ব্যক্তিত্বৰ প্ৰাধান্যহে পৰিলক্ষিত হয়। যুগ যুগ ধৰি অনুসৃত হৈ অহা পাৰস্যৰ আধ্যাত্মিকতা আৰু প্ৰেমৰ ৰোমান্টিকতাৰ কাব্যৰ ইতিহাসত ওমৰ খৈয়ামেই প্ৰথম বিপ্লৱী কবি। মুছলিম জগতত ওমৰ খৈয়ামেই ধৰ্মীয় গোড়ামীৰ ভিত্তি কঁপাই তুলিছিল। কপটাচাৰীসকলৰ কপটতাৰ মুখ তেওঁ নিৰ্মমভাৱে খুলি দিছিল। খোৰচানৰ চুলতান চানজাৰে এই মহান কবি ওমৰ খৈয়ামক অত্যন্ত শ্ৰদ্ধা প্ৰদৰ্শণ কৰিছিল। চুলতানে তেওঁক ৰাজকীয় মৰ্যাদা সহকাৰে তেওঁৰ সিংহাসনৰ কাষতে আসন দিছিল।

*নিশাপুৰলৈ ঘূৰি আহি তেওঁ চুলতান চানজাৰৰ শাসন কালতে সৰ্ব প্ৰথম কবিতা লিখিবলৈ আৰম্ভ কৰে। যিহেতু দৰ্শণ তত্ব আৰু বিজ্ঞানৰ বিষয়ৰ গৱেষণাত দীৰ্ঘ দিন ব্যস্ত আছিল। স্বভাৱতে তেওঁৰ কবিতাসমূহত ইয়াৰ প্ৰভাৱ পৰিছিল। সেই কাৰণে তেওঁৰ ৰচিত ৰুবায়ৎ সমূহত ভক্তিতকৈও যুক্তিৰ আৰু আত্মসমৰ্পণৰ পৰিবৰ্তে আত্মনিৰ্ভৰ ব্যক্তিত্বৰ প্ৰাধান্যহে পৰিলক্ষিত হয়। যুগ যুগ ধৰি অনুসৃত হৈ অহা পাৰস্যৰ আধ্যাত্মিকতা আৰু প্ৰেমৰ ৰোমান্টিকতাৰ কাব্যৰ ইতিহাসত ওমৰ খৈয়ামেই প্ৰথম বিপ্লৱী কবি। মুছলিম জগতত ওমৰ খৈয়ামেই ধৰ্মীয় গোড়ামীৰ ভিত্তি কঁপাই তুলিছিল। কপটাচাৰীসকলৰ কপটতাৰ মুখ তেওঁ নিৰ্মমভাৱে খুলি দিছিল।*

কথিত আছে ওমৰ খৈয়ামে প্ৰায় বাৰশ ৰুবাবৎ ৰচনা কৰিছিল। এই অভিনৱ ৰুবায়ৎ স্ৰষ্টা আৰু বিজ্ঞান তপস্বী মহান ওমৰৰ জীৱন দীপ নিৰ্বাপিত হয় ১১২৩ ৰ পৰা ১১২৪ চনৰ ভিতৰত। নিশাপুৰত তেওঁৰ সমাধিয়ে আজিও কালজয়ী স্মৃতিৰ স্বাক্ষৰ বহন কৰি আছে -......

*"Alas, that spring should vanish with the Rose !*
*The youth's sweet-scented manuscript should dose !*
*The Nightingale that in the Branches sang,*
*Ah, Whence, and whither flown again, who knows !*

**(Rubaiyat -72)**

(হায়, গোলাপটি মৰহি পৰাৰ লগে লগে বসন্তও বিদায় মাগে !
যৌৱনৰ কাব্যময় পাণ্ডুলিপিত এক বিন্দুও সৌৰভ নাথাকে !
গছৰ ডালত বহি বুলবুলি চৰায়ে গান যে গায় সুমধুৰ কণ্ঠে,
সেই বুলবুলি আৰু তাৰ সুৰ লহৰী ক'ত, কোনে জানে গুচি যায় কোন দিগন্তলৈ ?)

বিশ্ববিখ্যাত দাৰ্শনিক আৰু প্ৰেমিক কবি ওমৰ খৈয়ামৰ গ্ৰন্থসমূহৰ কথা যোৱা এশ বছৰৰ আগেয়ে মাথোন সৰ্ব প্ৰথমে কাব্য ৰসিক সমাজত সমাদৰ লাভ কৰে। ইয়াৰ আগেয়ে এই মহান কবিৰ মৃত্যুৰ ছশ বছৰৰ পাছতো প্ৰাচ্য আৰু পাশ্চাত্য

দেশৰ কোনেও কেতিয়াও নামকে শুনা নাছিল; কিন্তু এই এশ বছৰৰ ভিতৰতে তেওঁ যিদৰে খ্যাতি লাভ কৰিছিল সি সংস্কৃতিৰ ইতিহাসত বিৰল। জীয়াই থাকোতে কবিয়ে নিজেও হয়তো কাহানিও কল্পনা কৰি পোৱা নাছিল যে পৃথিৱীৰ কাব্য পিপাসুসকলে তেওঁক এদিন এনেদৰে সশ্ৰদ্ধাৰে স্মৰণ কৰিব।

সকলো সাৰ্থক কাব্য সৃষ্টিয়ে অবিনশ্বৰ। স্বয়ং মহাকালেও তাৰ ওচৰত পৰাজয় স্বীকাৰ কৰে। বাল্মীকি, বেদব্যাস, হোমাৰ, কালিদাস, ডান্তে, ছেক্সপীয়েৰ প্ৰভৃতি মহাকবিসকলৰ দৰে সাৰ্বভৌম প্ৰতিভাৰ অধিকাৰী নহ'লেও জীৱন প্ৰেমিক কবি ওমৰ খৈয়ামও কালজয়ী। ১৯৬৮ খ্ৰীষ্টাব্দৰ জুন মাহত আজাৰবাইজান, উজবেকিস্থান আদি মধ্য এছিয়াত ৰুবায়ৎৰ অমৰ কবি, দাৰ্শনিক, জ্যোতিৰ্বিজ্ঞানী আৰু গণিতজ্ঞ ওমৰ খৈয়ামৰ ৯২০ তম জন্ম বাৰ্ষিকী ব্যাপকভাৱে মহাসমাৰোহেৰে উদ্‌যাপিত হয়। এই উৎসৱ উপলক্ষে কবিৰ এটি মমৰ মূৰ্ত্তি আৰু বিৰাট স্মৃতি সৌধ নিৰ্মাণ হোৱাৰ উপৰি তেওঁৰ ৰচনাৱলীৰ এটি সুন্দৰ সংস্কৰণো প্ৰকাশ পাইছে।

এই কথা ভাবিলেও আচৰিত লাগে যে, এনেকুৱা এগৰাকী ওমৰ কবিৰ বিৰল সৃষ্টিৰ প্ৰতি ইতিহাসে কোনো আলোকপাত কৰা নাছিল। আনকি এনে বিৰল প্ৰতিভা প্ৰাচ্যৰ কাব্য ৰসিক সমাজতো সুদীৰ্ঘকাল উপেক্ষিত আছিল। ১৮৫৬ চনত অক্সফোৰ্ড বোডলিয়ান লাইব্ৰেৰীত অধ্যাপক কাউয়েল (Edard Byles Cowell) যেতিয়া প্ৰাচ্য বিদ্যা বিভাগৰ অধিকৰ্তা আছিল সেই সময়তে হঠাতে এদিন অন্যান্য গ্ৰন্থৰ মাজত ফৰাচী ভাষাত লিখা এখনি প্ৰাচীন পুথি তেওঁৰ চকুত পৰিল। হালধীয়া কাগজৰ ওপৰত ৰঙা চিয়াহীৰে লিখা ওমৰ খৈয়ামৰ ১৫৮ টা ৰুবায়ৎ এই গ্ৰন্থখনৰ পৰা আৱিস্কাৰ কৰে। ফৰাচী ভাষাৰ জ্ঞান থকা কাউয়েলে এই ৰুবায়ৎ কেইটি পঢ়ি মুগ্ধ হৈ সেই পুথিৰ একোটা প্ৰতিলিপি কেমব্ৰিজত থকা বন্ধু ফৰাচী ভাষাৰ পণ্ডিত এডৱাৰ্ড ফিটজেৰাল্ডৰ ওচৰলৈ প্ৰেৰণ কৰে। বন্ধুজনে ছমাহকাল অশেষ কষ্ট কৰি ৭৫ টা ৰুবায়ৎ ইংৰাজী ভাষালৈ অনুবাদ কৰি তাৰে মাজৰ পৰা নিৰ্বাচিত ৩৫ টা ৰুবায়ৎ "ফ্ৰেজাচ মেগাজিন" পত্ৰিকাত প্ৰকাশৰ বাবে প্ৰেৰণ কৰে। পত্ৰিকা সম্পাদকে সেইবোৰ প্ৰকাশৰ অনুপযুক্ত বুলি প্ৰকাশ নকৰিলে। তাৰ দুবছৰৰ পাছত ১৮৫৯ চনৰ ৯ এপ্ৰিল তাৰিখে ফিটজেৰাল্ডে নিজৰ খৰচত ৭৫ টা ৰুবায়ৎ ইংৰাজীত পদ্যানুবাদ কৰি " Rubaiyat of Omar Khaiyyam the Astronomer - The Poet of Parsia" নাম দি প্ৰকাশ কৰে; কিন্তু বৰ পৰিতাপৰ বিষয় বজাৰত ইয়াৰ একপিও বিক্ৰি নহ'ল।

ফিটজেৰাল্ডে তথাপি নিৰাশ নহ'ল। প্ৰায় নবছৰৰ পাছত ১৮৬৮ চনত ফিটজেৰাল্ডে ১০১ টা ৰুবায়ৎ ইংৰাজীলৈ পদ্যানুবাদ কৰি দ্বিতীয় সংস্কৰণ প্ৰকাশ কৰে। সমসাময়িক বিখ্যাত কবি ৰমেটি, চুইনবাৰ্ণ, উইলিয়াম মৰিচ, ৰাস্কিন প্ৰভৃতিয়ে ফিটজেৰাল্ডে এই পদ্যানুবাদৰ মুক্ত কণ্ঠে প্ৰসংশা কৰে আৰু অতি কম সময়ৰ ভিতৰতে সকলো পুথি উচ্চ দামত বিক্ৰী হৈ যায়। ১৮৭২ চনত ইয়াৰ তৃতীয় সংস্কৰনো অতি কম সময়ৰ ভিতৰতে শেষ হৈযায়। এইদৰে এই অমৰ কবিৰ মহান সৃষ্টি ৰুবায়ৎ সমূহে অতি কম সময়ৰ ভিতৰতে গোটেই জগততে বিয়পি পৰিবলৈ ধৰে।

"ৰুবায়ৎ" শব্দৰ অৰ্থ হ'ল চাৰিটাকৈ পদ থকা এশ্ৰেণী কবিতা। ফৰাচী "ৰুবাই" শব্দৰ অৰ্থ হ'ল চাৰি শাৰীৰ কাব্যধৰ্মী কবিতা। এই শ্ৰেণীৰ কবিতাৰ সাধাৰণ লক্ষণ হ'ল- প্ৰথম, দ্বিতীয় আৰু চতুৰ্থ শাৰীৰ প্ৰত্যেকৰে পদান্ত মিল; অকল তৃতীয় শাৰীৰ সৈতে অমিল। ইংৰাজী ভাষাত 'ৰুবায়ৎ'ক Quatrain বোলে। ইয়াৰ ছন্দ সৰল আৰু সুৰৰ লয় অনুভূত হয়। সৰহভাগ ৰুবায়ৎতে জগত আৰু জীৱন সম্পৰ্কে একোটা

*সেই সময়তে হঠাতে এদিন অন্যান্য গ্ৰন্থৰ মাজত ফৰাচী ভাষাত লিখা এখনি প্ৰাচীন পুথি তেওঁৰ চকুত পৰিল। হালধীয়া কাগজৰ ওপৰত ৰঙা চিয়াহীৰে লিখা ওমৰ খৈয়ামৰ ১৫৮ টা ৰুবায়ৎ এই গ্ৰন্থখনৰ পৰা আৱিস্কাৰ কৰে। ফৰাচী ভাষাৰ জ্ঞান থকা কাউয়েলে এই ৰুবায়ৎ কেইটি পঢ়ি মুগ্ধ হৈ সেই পুথিৰ একোটা প্ৰতিলিপি কেমব্ৰিজত থকা বন্ধু ফৰাচী ভাষাৰ পণ্ডিত এডৱাৰ্ড ফিটজেৰাল্ডৰ ওচৰলৈ প্ৰেৰণ কৰে। বন্ধুজনে ছমাহকাল অশেষ কষ্ট কৰি ৭৫ টা ৰুবায়ৎ ইংৰাজী ভাষালৈ অনুবাদ কৰি তাৰে মাজৰ পৰা নিৰ্বাচিত ৩৫ টা ৰুবায়ৎ "ফ্ৰেজাচ মেগাজিন" পত্ৰিকাত প্ৰকাশৰ বাবে প্ৰেৰণ কৰে। পত্ৰিকা সম্পাদকে সেইবোৰ প্ৰকাশৰ অনুপযুক্ত বুলি প্ৰকাশ নকৰিলে। তাৰ দুবছৰৰ পাছত ১৮৫৯ চনৰ ৯ এপ্ৰিল তাৰিখে ফিটজেৰাল্ডে নিজৰ খৰচত ৭৫ টা ৰুবায়ৎ ইংৰাজীত পদ্যানুবাদ কৰি " Rubaiyat of Omar Khaiyyam the Astronomer - The Poet of Parsia" নাম দি প্ৰকাশ কৰে; কিন্তু বৰ পৰিতাপৰ বিষয় বজাৰত ইয়াৰ একপিও বিক্ৰি নহ'ল।*

গভীৰ ভাৱ প্ৰকাশ পাইছে - যাৰ কাৰণে পাঠকে অতি সহজে এইবোৰ পাঠ কৰি অভিভূত হয় আৰু তন্ময় হৈ পৰে। তেওঁৰ কবিতাত প্ৰেম আৰু সৌন্দৰ্য ফুলৰ বৰণ আৰু সৌৰভৰ দৰে ওতঃপ্ৰোত ভাৱে জড়িত। ওমৰ খৈয়াম এছিয়াৰ চিৰাচৰিত দাৰ্শনিক মনোভাৱৰ কবি। চুফী কবিসকলৰ চিন্তাৰ আদৰ্শ অনুসৰণ কৰা নাই যদিও তেওঁৰ বহুত ৰুবায়ৎত ৰহস্যময়তা সম্পৰ্কে যথেষ্ট সচেতনতা দেখা যায়। এইখিনিতে চুফীবাদ সম্পৰ্কে কিছু আভাস দিলে বোধ কৰো অপ্ৰাসঙ্গিক নহ'ব। চুফীসকল দৈবপ্ৰেমী। দৈৱ প্ৰেমৰ সাৰ্থকতাতে চুফীসকলৰ সিদ্ধি লাভ হয়। চুফীবাদৰ মূল নীতিত কোৰাণৰ একেশ্বৰবাদ মতবাদ নিহিত হৈ আছে। এই নীতিসমূহ সৰ্বসাধাৰণৰ বাবে মুকলি নহয়; যোগ্যসকলৰ বাবেহে এই নীতিসমূহ প্ৰযোজ্য। সকলোৰে আল্লাৰ ওপৰতে নিৰ্ভৰ কৰে "তুৱাক্কল-তু-আলাল্লাহ" গতিকে কৰ্মহীন মানুহে "আল্লা আল্লা" কৈ হাত সাৱটি বহি থাকিলে সাংসাৰিক কামত ব্যাহত হয় আৰু সমাজত বিশৃঙ্খলতাৰ সৃষ্টি হয়; কোনো সমস্যাৰ অন্ত নপৰে। ওমৰে এই সত্যক উপলব্ধি কৰিছিল বাবে বিভিন্ন প্ৰতীকৰ সহায়ত তেওঁৰ ৰুবায়ৎ সমূহৰ মাজেদি এই মহাবিশ্ব আৰু বিশ্ব সৃষ্টাৰ স্বৰূপ বিচাৰি ব্যাকুল হৈছিল। তেওঁ পৰকালক বিশ্বাস নকৰিছিল। যিসকলে তেওঁক জড়বাদী বা দেহাত্মবাদী বুলি আখ্যা দিব খোজে তেওঁলোকে ওমৰৰ প্ৰতি নিৰপেক্ষ বিচাৰ কৰিব পৰা নাই যেন লাগে। তেওঁ 'সুৰা' আৰু 'সাকী' - এই দুই প্ৰতীকৰ দ্বাৰা আপাতঃ দৃষ্টিত ভোগতৃষ্ণা নিবাৰণৰ আকাংক্ষাকে প্ৰশ্ৰয় দিয়া যেন ভাৱ হয় যদিও প্ৰকৃত পক্ষে তেওঁৰ প্ৰত্যেকটি ৰুবায়ততে এনে একোটি যন্ত্ৰণাৰ সুৰ ধ্বনিত হৈ আছে যাৰ ঝংকাৰে পাঠকসকলৰ মনত ভোগৰ বিৰুদ্ধে বিতৃষ্ণাহে জগায়। ৰুবায়ৎ সমূহ একেৰাহে পঢ়ি শেষ কৰাৰ পাছত এইটো স্পষ্টভাৱে বুজিব পাৰি যে, কবিয়ে সুৰা পানৰ অপকাৰিতাৰ বিষয়েহে বিষাদ মনে ঘোষণা কৰিছে। যন্ত্ৰণাত বিদীৰ্ন কণ্ঠে ওমৰ খৈয়ামে স্ৰষ্টা আৰু সৃষ্টিৰ নিৰ্মম সমালোচনা কৰিছে।

ওমৰ খৈয়াম নিৰীশ্বৰবাদী কবি নাছিল। তেওঁ অদৃষ্টবাদ, নাক্ষত্ৰিক আৰু মহাবিশ্বৰ অনাদিকালৰ নিৰবচ্ছিন্ন গতিশীলতা আৰু তাৰ ফলস্বৰূপে এই ভূমণ্ডলত নশ্বৰ জৈৱ অস্তিত্বৰ অসহায়তা দেখি ঈশ্বৰৰ প্ৰতীক স্বৰূপ আকাশখনক অসহায় বুলি কৈছে -

*And that inverted Bowl we call the sky,*
*Where under crawling coop't we live and die,*
*Life not thy hands to it for help-for it*
*Rolls impotently on as Thou and I.* (Rubiyat 52)

(আমাৰ মূৰৰ ওপৰত উবুৰ কৰা পাত্ৰটিৰ নাম মই দিছোঁ আকাশ,
তাৰ তলতে চলিছে সংগ্ৰাম আমাৰ জীৱন আৰু বিনাশ,
হাত-জোৰকৈ সেই আকাশৰ ওচৰত তুমি কোনো সহায় নিবিচাৰিবা,
কাৰণ সিও অসহায় আমাৰ দৰেই ঘুৰি মৰিছে অবিনাশ।)

ওমৰ খৈয়ামে নীৰৱ জড়বাদী আৰু সুবিধাবাদী চাৰ্বাক দাৰ্শনিকৰ দৰে কোনো তত্ব প্ৰচাৰ কৰা নাছিল। সেইসকলৰ প্ৰতি তেওঁৰ আস্থাও নাছিল। অৱশ্যে তেওঁ সুখ-দুখত নিৰ্বিকাৰ আৰু নিৰাসক্ত হৈ থকাতো পক্ষপাতী নাছিল। বাস্তৱ জীৱন আৰু নৈসাৰ্গিক সৌন্দৰ্য উপভোগৰ ক্ষেত্ৰত তেওঁ সুস্থ মানসিকতাৰ পৰিচয় দিছে।

*Look to the Rose that blows about us - 'Lo,*
*Laughing' she says, into the world I b'low:*
*At once the silken Tassel of my purse*
*Tear, and its Teasure on Garden throw'.*
(Rubiyat 13)

(সৌ সদ্য বিকশিত গোলাপটি যে আমি দেখিছোঁ,
যেন হাঁহি মুখে কৈছে - 'এই ধৰণীত মই জন্ম লভিছোঁ,
ফুলিছোঁ ক্ষণিক মায়াত। সৌন্দৰ্যৰ ৰেচমা ৰত্নস্থলত মুখ খুলি
প্ৰসন্ন মনে সকলো সম্পদ উদ্যানত মই মেলি দিছোঁ।)

ওমৰ খৈয়ামৰ বিষয়ে অসমীয়া কবি যতীন্দ্ৰ নাথ দুৱৰাই এনেদৰে কৈছে - "বৈজ্ঞানিকৰ বিশ্লেষণৰ প্ৰথা, কবিৰ গভীৰ দৃষ্টি, দাৰ্শনিক জ্ঞান - সকলো গোটাই লৈ সৃষ্টি তথ্যৰ গভীৰতম প্ৰদেশলৈ ওমৰে চাই দেখিলে তাৰ আদি আৰু অন্ত দুয়ো আন্ধাৰ, গভীৰ আন্ধাৰ।"

অৱশেষত আমি কবিৰ ভাষাৰে সামৰণি মাৰিব পাৰোঁ -

*And those who husbanded the Golden Grain,*
*And those who flung it to the winds like Rain,*
*Alik: to no such aureate Earth are turn'd*
*As, burried once, Men want dug up again ?*
(Rubiyat 15)

(মূল্যবান জীৱনৰ সোণ গুটিবোৰ যিজনে অৱহেলাত নষ্ট কৰি,
বৰষুণৰ টোপালৰ দৰে শূণ্যত উৰুৱাই দিয়ে ফু মাৰি,
যিবিলাক নাশ হৈছে; এই ধৰালৈ কাহানিও নাহে ওভটি,
কবৰলৈ গৈছে যিবিলাক, পুনৰ জানো ওভটাই আনিব পাৰি ?)

সহায়ক পুথি ঃ
১) বিমল চন্দ্ৰ ঘোষ ঃ ৰুবাইয়াৎ ই ওমৰ খৈয়াম।
২) আব্দুছ ছাত্তাৰ ঃ অসমীয়া সাহিত্যত বিবিধ আলোচনা।

# নক্ষত্ৰৰ উৎপত্তি আৰু বিকাশ

*Twinkle Twinkle little stars*
*How I wonder what you are ..........*

ফৰকাল ৰাতিৰ আকাশত আমি অগনন তৰা বা নক্ষত্ৰ, গ্ৰহ, উপগ্ৰহ, উল্কা, ধুমকেতু আদি দেখিবলৈ পাওঁ। অতি প্ৰাচীন কালৰ পৰাই মানুহৰ মনত নক্ষত্ৰৰ উৎপত্তি কেনেকৈ হ'ল, নক্ষত্ৰই পোহৰ কেনেকৈ দিয়ে, কিমান দিন ধৰি নক্ষত্ৰ এটাই পোহৰ দি থাকিব, বা নক্ষত্ৰ এটা মহাকাশৰ বুকুৰ পৰা হেৰাই যাব পাৰে নেকি ? আদি নানা কৌতুহলৰ উদয় হৈছিল; কিন্তু বিজ্ঞান নিচেই চালুকীয়া অৱস্থাত থকাৰ কাৰণে এই প্ৰশ্ন সমূহৰ ব্যাখ্যা সঠিকভাৱে দিয়াতো সম্ভৱ হোৱা নাছিল আৰু সেয়েহে এই ব্যাখ্যাবিলাক ওপৰত দিয়া Rhyme টিৰ দৰে সাঁথৰ হৈয়েই আছিলি। পৰৱৰ্ত্তী কালত বিজ্ঞানৰ চমকপ্ৰদ অগ্ৰগতিৰ লগে লগে, নতুন নতুন মতবাদৰ উদ্‌ভাৱনৰ লগে লগে এই নক্ষত্ৰ সম্পৰ্কীয় সাঁথৰবোৰৰ প্ৰকৃত ৰহস্য ভেদ কৰিবলৈ সক্ষম হ'ল।

নক্ষত্ৰ বুলিলে সাধাৰণতে আমি নিজস্ব পোহৰ থকা (সূৰ্য্যৰ নিচিনা) কেতবোৰ মহাজাগতিক বস্তুকে বুজো। অন্যহাতে গ্ৰহ-বোৰৰ নিজা কোনো পোহৰ নাথাকে। ইহঁত অন্য কোনো নক্ষত্ৰৰ পৰা অহা পোহৰ বিকীৰণৰ দ্বাৰাহে উদ্ভাসিত হৈ উঠে। অৰ্থাৎ, কোনো নক্ষত্ৰৰ পৰা অহা পোহৰ বিকীৰণ গ্ৰহটোৰ পৃষ্ঠত পৰিলে প্ৰতিফলিত হয় আৰু ফলত গ্ৰহটো আমাৰ দৃশ্যমান হয়। নক্ষত্ৰ এটাৰ উৎপত্তি আৰু বিকাশ সম্পৰ্কে অৱগত কৰাৰ আগেয়ে, আমি বাস কৰা এই বিশাল বিশ্বব্ৰহ্মাণ্ডখননো কেনেকৈ সৃষ্টি হ'ল তাৰ এটা চমু আভাস দিয়াতো নিত্যান্তই প্ৰয়োজন হ'ব।

বিজ্ঞানীসকলে ধাৰণা কৰে যে, আজিৰ পৰা প্ৰায় ১৫০০ কোটি বছৰৰ আগতে, বিশ্বব্ৰহ্মাণ্ডখনৰ জন্ম হৈছিল। বিশ্বব্ৰহ্মাণ্ডৰ জন্ম সম্পৰ্কে বহুতো মতবাদ আছে কিন্তু সেইবোৰৰ ভিতৰত মহানাদ তত্বই বেছি গ্ৰহণযোগ্য। ইয়াক Big Bang Theory বুলি জনা যায়। এই তত্বমতে আদিতে মহাকাশত এটা প্ৰচণ্ড বিস্ফোৰণ হৈছিল আৰু এই বিস্ফোৰণৰ ফলতেই পদাৰ্থৰ গঠন হৈছিল। বিস্ফোৰণৰ পিছত পদাৰ্থবোৰ চাৰিওফালে প্ৰচণ্ড বেগেৰে সিঁচৰিত হৈ পৰিল। এই বিস্ফোৰণৰ ঠিক পিছ মূহুৰ্তৰ পৰাই বিশ্বব্ৰহ্মাণ্ডখনৰ প্ৰসাৰণ আৰম্ভ হ'ল আৰু এই প্ৰসাৰণ আজিও বিৰাজমান। ১৯৪০ চনত জৰ্জ গেম' (George Gamow) নামৰ এজন বিজ্ঞানীয়ে এই মহানাদ তত্ব আৱিস্কাৰ কৰিছিল। বিশ্বব্ৰহ্মাণ্ডখনৰ পদাৰ্থবোৰ প্ৰাৰম্ভনিতে অতি কম আয়তনৰ ভিতৰত আৱদ্ধ হৈ থকাৰ কাৰণে পদাৰ্থবোৰৰ ঘনত্ব অসীম আছিল। ঘনত্ব অসীম হোৱাৰ কাৰণে পদাৰ্থবোৰৰ উষ্ণতাও অতি বেছি আছিল। মহানাদ তত্বটোৰ গ্ৰহণযোগ্যতাৰ অন্য এটা গুৰুত্বপূৰ্ণ দিশ হ'ল $3^0$ কেলভিন পশ্চাৎ বিকীৰণ"($3^0$k cosmic back ground Radiation) ইয়াৰ অৰ্থ এয়ে যে, বিস্ফোৰণৰ পিছ মুহূৰ্ত্তৰ পৰাই বিশ্ব ব্ৰহ্মাণ্ডখন প্ৰসাৰিত হোৱাৰ লগে লগে ইয়াৰ উষ্ণতা হ্ৰাস

বিশ্বব্ৰহ্মাণ্ডৰ জন্ম সম্পৰ্কে বহুতো মতবাদ আছে কিন্তু সেইবোৰৰ ভিতৰত মহানাদ তত্বই বেছি গ্ৰহণযোগ্য। ইয়াক Big Bang Theory বুলি জনা যায়। এই তত্বমতে আদিতে মহাকাশত এটা প্ৰচণ্ড বিস্ফোৰণ হৈছিল আৰু এই বিস্ফোৰণৰ ফলতেই পদাৰ্থৰ গঠন হৈছিল। বিস্ফোৰণৰ পিছত পদাৰ্থবোৰ চাৰিওফালে প্ৰচণ্ড বেগেৰে সিঁচৰিত হৈ পৰিল। এই বিস্ফোৰণৰ ঠিক পিছ মূহুৰ্তৰ পৰাই বিশ্বব্ৰহ্মাণ্ডখনৰ প্ৰসাৰণ আৰম্ভ হ'ল আৰু এই প্ৰসাৰণ আজিও বিৰাজমান।

**খগেন গগৈ**
অধ্যাপক, পদাৰ্থ বিজ্ঞান

পাবলৈ ধৰিলে আৰু ক্ৰমে শীতল প্ৰাপ্ত হ'ল। এই হ্ৰাস হোৱা উষ্ণতাৰ অৱশেষ বিয়পি পৰিল। ১৯৬৫ চনত এ. এ. পেনৰ'জ আৰু আৰ. ডৱলিও উইল্চন নামৰ দুজন বিজ্ঞানীয়ে আমেৰিকা যুক্তৰাষ্ট্ৰৰ বেল' লেবৰেটৰীত প্ৰথমবাৰৰ বাবে এই সুক্ষ্ম ৰেডিঅ' তৰংগ বিধ (Micro-wave Radiation) ধৰা পেলাবলৈ সক্ষম হৈছিল। বিজ্ঞানী দুজনৰ এই আবিস্কাৰৰ কাৰণে তেওঁলোকক ১৯৭৮ চনত ন'বেল বটা প্ৰদান কৰা হৈছিল। গতিকে $3^0$ কেলভিন পশ্চাৎ বিকীৰণৰ বৰ্তমান উপস্থিতিয়ে ইয়াকে সাক্ষী দিয়ে যে, বিশ্বব্ৰহ্মাণ্ডখন আদিতে অতি উত্তপ্ত অৱস্থাত আছিল আৰু ক্ৰমান্বয়ে প্ৰসাৰণ হৈ বৰ্তমানৰ অৱস্থা প্ৰাপ্ত হৈছে। আমি আগতেই উল্লেখ কৰি আহিছো যে, মহানাদ বিস্ফোৰণৰ (Big Bang Explosion)পৰাই পদাৰ্থৰ সৃষ্টি হৈছিল। এনেদৰে সৃষ্টি হোৱা পদাৰ্থবোৰ ডাৱৰৰ ৰূপত মহাবিশ্বত সিঁচৰিত হৈ পৰিল। এই পদাৰ্থবোৰ 75 % হাই'ড্ৰজেন, 25 % অক্সিজেনৰ লগতে হিলিয়াম, ডয় টেৰিআম, লিথিয়াম আদি পাতল মৌলৰে গঠিত।

নক্ষত্ৰ এটাৰ সৃষ্টি, এইদৰে ডাৱৰৰ ৰূপত থকা পদাৰ্থবোৰ ঘূৰ্ণীভৱনৰ দ্বাৰা হয়। পদাৰ্থবোৰ পৰস্পৰে মহাকৰ্ষণ বলৰ প্ৰভাৱত একে ঠাইতে থুপ খাই পৰে আৰু ক্ৰমে গোলাকৃতি ধাৰণ কৰে। ইয়াকে Gravitational Collapse বুলিও জনা যায়। সংকোচনৰ ফলত সৃষ্টি হোৱা নক্ষত্ৰ এটাৰ অন্তঃ ভাগৰ উষ্ণতা বৃদ্ধি পায় আৰু এক প্ৰকাৰ বহিঃমুখী চাপে নক্ষত্ৰটোৰ ওপৰত ক্ৰিয়া কৰে। এই দুই প্ৰকাৰৰ চাপ, অৰ্থাৎ মহাকৰ্ষনীয় বলৰ ফলত সৃষ্টি হোৱা অন্তঃমুখী চাপ আৰু বিকীৰণৰ বহিঃ মুখী চাপৰ ফলত নক্ষত্ৰটোৱে সাম্য অৱস্থা পায়। এইদৰে সৃষ্টি হোৱা নক্ষত্ৰ এটা বহু হাজাৰ বছৰ ধৰি বৰ্ত্তি থাকিব পাৰে। এতিয়া প্ৰশ্ন হ'ল নক্ষত্ৰটোৱে কেনেকৈ পোহৰ দিয়ে ? নক্ষত্ৰটোৰ ভিতৰ ভাগ উত্তপ্ত অৱস্থাত থকাৰ কাৰণে, হাইড্ৰ'জেন পৰমানুবোৰ হিলিয়াম পৰমানুলৈ ৰূপান্তৰিত হয়। ই হ'ল একপ্ৰকাৰ নিউক্লীয় বিক্ৰিয়া আৰু ইয়াক তাপ নিউক্লীয় বিক্ৰিয়া বোলা হয়। এই বিক্ৰিয়াত দুটা হাইড্ৰজেন পৰমানুৰ বিযোজন (fusion) ঘটি হিলিয়াম পৰমানুৰ সৃষ্টি হয়। এই বিক্ৰিয়াত প্ৰচুৰ শক্তি তাপ আৰু পোহৰৰ ৰূপত নিৰ্গত হয়। সেয়েহে নক্ষত্ৰটোৱে নিজস্বভাৱে পোহৰ আৰু তাপ বিকিৰণ কৰিব পাৰে। আমাৰ নিচেই চিনাকী নক্ষত্ৰ, সূৰ্য্যৰ অন্তঃভাগত এইধৰণৰ দুই প্ৰকাৰৰ তাপ নিউক্লীয় বিক্ৰিয়া অনবৰতে ঘটি আছে,যাৰ ফলত আমি সূৰ্য্যৰ পৰা তাপ আৰু পোহৰ পাওঁ।

পদাৰ্থবোৰ পৰস্পৰে মহাকৰ্ষণ বলৰ প্ৰভাৱত একে ঠাইতে থুপ খাই পৰে আৰু ক্ৰমে গোলাকৃতি ধাৰণ কৰে। ইয়াকে Gravitational Collapse বুলিও জনা যায়। সংকোচনৰ ফলত সৃষ্টি হোৱা নক্ষত্ৰ এটাৰ অন্তঃ ভাগৰ উষ্ণতা বৃদ্ধি পায় আৰু এক প্ৰকাৰ বহিঃমুখী চাপে নক্ষত্ৰটোৰ ওপৰত ক্ৰিয়া কৰে। এই দুই প্ৰকাৰৰ চাপ, অৰ্থাৎ মহাকৰ্ষনীয় বলৰ ফলত সৃষ্টি হোৱা অন্তঃমুখী চাপ আৰু বিকীৰণৰ বহিঃ মুখী চাপৰ ফলত নক্ষত্ৰটোৱে সাম্য অৱস্থা পায়। এইদৰে সৃষ্টি হোৱা নক্ষত্ৰ এটা বহু হাজাৰ বছৰ ধৰি বৰ্ত্তি থাকিব পাৰে।

নক্ষত্ৰ এটাৰ বিকাশৰ দ্বিতীয় স্তৰটো আৰম্ভ হয় হিলিয়াম পৰমানুৰ বিযোজনৰ দ্বাৰা। হাইড্ৰ'জেন বিযোজন শেষ হোৱাৰ পাছত নক্ষত্ৰটোৰ কেন্দ্ৰত হিলিয়ামৰ প্ৰাচুৰ্য্যতা বৃদ্ধি পাবলৈ ধৰে আৰু লগে লগে কেন্দ্ৰভাগত উষ্ণতাও বৃদ্ধি পাবলৈ ধৰে। এই বৰ্দ্ধিত উষ্ণতাই হিলিয়াম পৰমানুবোৰৰ বিযোজনত সহায় কৰে। নক্ষত্ৰটোৰ কেন্দ্ৰৰ উষ্ণতা প্ৰায় ১০০ - ১৫০ ডিগ্ৰী কেলভিন পৰ্য্যন্ত হয়। অন্যহাতে নক্ষত্ৰটোৰ পৰিধি ভাগত হাইদ্ৰজেন বিযোজন ঘটি থাকে। নক্ষত্ৰটোৰ আকাৰ বৃদ্ধি পাবলৈ ধৰে আৰু ই এটা বৃহৎ আকাৰ ধাৰণ কৰে। এই অৱস্থাৰ নক্ষত্ৰ এটাক ৰঙা দানৱ (Red Giant) বুলি জনা যায়।

উল্লেখযোগ্য যে, নক্ষত্ৰ এটাৰ উৎপত্তিৰ পৰা আৰম্ভ কৰি বিকাশৰ বিভিন্ন স্তৰবিলাক নিৰ্ণয় কৰে নক্ষত্ৰটোৰ ভৰে। ৰঙাদানৱ নক্ষত্ৰ এটাৰ পৰবৰ্ত্তী স্তৰবোৰ হ'ল বগা বাওনা (White Dwarf), নভা (Nova), চুপাৰ নভা (Supar Nova), নিউট্ৰন নক্ষত্ৰ (Neutron Star) আৰু কৃষ্ণ গহ্বৰ (Black Hole) ইত্যাদি। নক্ষত্ৰটোৰ ভৰৰ ওপৰত নিৰ্ভৰ কৰি ওপৰত উল্লেখ কৰা বিভিন্ন স্তৰৰ নক্ষত্ৰৰ সৃষ্টি হ'ব পাৰে বা নক্ষত্ৰটো মহাবিশ্বৰ পৰা হেৰাই যাবও পাৰে। গধুৰ নক্ষত্ৰবোৰৰ (Massive star) জীৱনকাল সাধাৰণতে পাতল নক্ষত্ৰবোৰতকৈ (Light Star) কম হয়। ভাৰতৰ এজন প্ৰসিদ্ধ তাত্বিক পদাৰ্থবিদ (Theoritical physicist) এচ. চন্দ্ৰশেখৰে নক্ষত্ৰৰ বিকাশ আদি সম্পৰ্কত গৱেষণা কৰিছিল আৰু তেখেতে নক্ষত্ৰৰ ভৰৰ ওপৰত এটা সীমা আৰোপ কৰিছিল। ইয়াক "চন্দ্ৰ শেখৰ সীমা" (Chandra Shekhar Limit) বোলা হয়। এই সীমা হ'ল ১.৪ ⊙ x সূৰ্য্যৰ ভৰ। ইয়াক চমুকৈ ১.৪ ⊙ ৰে নিৰ্দ্দেশ কৰা হয়। য'ত ⊙ য়ে সূৰ্য্যৰ ভৰ বুজায়। নক্ষত্ৰ এটাৰ ভৰ যেতিয়া সূৰ্যৰ ভৰৰ ১.৪ গুণ হয়, তেতিয়া ইয়াৰ আকাৰ সৰু হ'বলৈ ধৰে। সংকুচিত নক্ষত্ৰটোৰ উষ্ণতা বৃদ্ধি পায় আৰু ই বগা পোহৰ বিকিৰণ কৰে।

নক্ষত্ৰটোৰ ভিতৰ ভাগ উত্তপ্ত অৱস্থাত থকাৰ কাৰণে, হাইড্ৰজেন পৰমানুবোৰ হিলিয়াম পৰমানুলৈ ৰূপান্তৰিত হয়। ই হ'ল একপ্ৰকাৰ নিউক্লীয় বিক্ৰিয়া আৰু ইয়াক তাপ নিউক্লীয় বিক্ৰিয়া বোলা হয়। এই বিক্ৰিয়াত দুটা হাইড্ৰজেন পৰমানুৰ বিযোজন (fusion) ঘটি হিলিয়াম পৰমানুৰ সৃষ্টি হয়। এই বিক্ৰিয়াত প্ৰচুৰ শক্তি তাপ আৰু পোহৰৰ ৰূপত নিৰ্গত হয়। সেয়েহে নক্ষত্ৰটোৱে নিজস্বভাৱে পোহৰ আৰু তাপ বিকিৰণ কৰিব পাৰে। আমাৰ নিচেই চিনাকী নক্ষত্ৰ, সূৰ্য্যৰ অন্তঃভাগত এইধৰণৰ দুই প্ৰকাৰৰ তাপ নিউক্লীয় বিক্ৰিয়া অনবৰতে ঘটি আছে,যাৰ ফলত আমি সূৰ্য্যৰ পৰা তাপ আৰু পোহৰ পাওঁ।

এই অৱস্থাৰ নক্ষত্ৰ এটাক বগা বাওনা *(White Dwarf)* বোলা হয়। ই হ'ল এক প্ৰকাৰৰ মৃত নক্ষত্ৰ। ইয়াৰ তাপ শক্তিখিনি বিকিৰিত হৈ হ্ৰাস পাবলৈ ধৰে আৰু এটা সময়ত নক্ষত্ৰটো ঠাণ্ডা হৈ মহাকাশত অদৃশ্য হয়। বিজ্ঞানীসকলে পৰীক্ষা কৰি ক'ব খোজে যে আমাৰ সূৰ্য্যটো বহু বিলিয়ন বছৰৰ পাছত, তাপশক্তি হেৰুৱাই, এটা বগা বাওনাৰ ৰূপত মহাকাশৰ বুকুৰ পৰা হেৰাই যাব।

**চুপাৰনভা ঃ**

চুপাৰনভা হ'ল নক্ষত্ৰ এটাৰ বিকাশৰ অন্য এটা অন্তিম অৱস্থা। অৰ্থাৎ নক্ষত্ৰ এটাৰ চুপাৰনভা ৰূপতো জীৱনৰ অৱসান ঘটিব পাৰে। এই অৱস্থাত নক্ষত্ৰটোৰ অন্তঃমুখী মহাকৰ্ষণ চাপ আৰু বহিঃমুখী বিকিৰণ চাপৰ মাজত সমতা নষ্ট হয়। অৰ্থাৎ অন্তমুখী মহাকৰ্ষণ হেঁচাক বিকিৰিত চাপে বাধা দিবলৈ অপাৰগ হয়। ফলত নক্ষত্ৰটোৰ প্ৰৱল মহাকৰ্ষণীয় সংকোচনৰ ফলত বিস্ফোৰিত হয়। ইয়াকে চুপাৰনভা বিস্ফোৰণ (Super Nova Explosion) বোলে।

চুপাৰনভা বিস্ফোৰণৰ বাবে নক্ষত্ৰটোৱে চন্দ্ৰশেখৰৰ সীমা অতিক্ৰম কৰিব লাগিব। অৰ্থাৎ ইয়াৰ ভৰ সূৰ্য্যৰ ভৰৰ ১.৪ গুণৰ বেছি হ'ব লাগিব। এই ধৰণৰ প্ৰথমটো বিস্ফোৰণ ধৰা পেলোৱা হৈছিল ১০৫৪ চনত চীন দেশত।আজি কিছুবছৰৰ আগেয়ে ১৯৮৭ চনত আমাৰ হাটিপতী তাৰকাৰাজ্যৰ মেগালেনিক ডাৱৰত এটা এই ধৰণৰ চুপাৰনভা বিস্ফোৰণ খালী চকুৰে দৃশ্যমান হৈছিল।

**কৃষ্ণ গহ্বৰ ঃ**

কৃষ্ণগহ্বৰ হ'ল একোটা মৃত তৰা। নক্ষত্ৰ এটাৰ ভৰ যদি সূৰ্য্যৰ ভৰৰ ১০ গুণৰো বেছি হয়, তেতিয়া ইয়াৰ মহাকৰ্ষণ বল ইমানেই প্ৰৱল হয় যে, নক্ষত্ৰটোৰ পৰা পোহৰ ৰশ্মিও ওলাই আহিব নোৱাৰে। পোহৰ নক্ষত্ৰটোৰ ভিতৰত আৱদ্ধ হৈ থাকে আৰু সেয়েহে ইয়াক ক'লা দেখা যায়। উল্লেখযোগ্য যে, আমাৰ সূৰ্য্যটো যদি এটা কৃষ্ণ গহ্বৰলৈ ৰূপান্তৰ হ'বলগীয়া হয় তেন্তে ইয়াৰ ব্যাসাৰ্দ্ধ হ'ব মাত্ৰ ৩ কিঃমিঃ আৰু সেই অনুসৰি পৃথিৱীৰ ব্যাসাৰ্দ্ধ হ'ব মাত্ৰ ০.৯ ছেঃমিঃ। কৃষ্ণ গহ্বৰৰ কাষেদি কোনো পোহৰ বিকীৰণ পাৰ হৈ গ'লে, কৃষ্ণগহ্বৰৰ প্ৰৱল মহাকৰ্ষণীয় বলৰ প্ৰভাৱত, বিকীৰণটো বেকা পথেৰে অতিক্ৰম কৰে। সেয়েহে কৃষ্ণ গহ্বৰে মহাকৰ্ষণীয় আয়না (Gravitational Lens)ৰ নিচিনা কাম কৰিব পাৰে। অৰ্থাৎ কোনো এটা নক্ষত্ৰ বা নিজস্ব পোহৰ বিশিষ্ট অন্য কিছুমান মহাজাগতিক বস্তু এটা কৃষ্ণ গহ্বৰৰ বিপৰীত দিশত থাকিলে, নক্ষত্ৰটো কৃষ্ণ গহ্বৰৰ অন্য এটা দিশৰ পৰা দৃশ্যমান হয়। এইটো একমাত্ৰ সম্ভৱ হয়, পোহৰ বিকীৰণ মহাকৰ্ষণ ক্ষেত্ৰৰ মাজেৰে অগ্ৰসৰ হ'লে, ঋজুৰৈখিক (Recilenear) গতিৰ পৰিবৰ্ত্তে বক্ৰৰৈখিক (Curvature) গতি কৰাৰ কাৰণে। সেয়েহে কৃষ্ণগহ্বৰবোৰে মহাকৰ্ষণীয় আয়না হিচাপে কাম কৰে।

ওপৰৰ আলোচনাৰ পৰা দেখা গ'ল যে, নক্ষত্ৰ এটাৰ উৎপত্তি আৰু বিকাশ মানৱ জীৱনৰ সৃষ্টি আৰু বিকাশৰ লগত একে। পাৰ্থক্য এয়ে যে, মানৱ জীৱন পৰিক্ৰমাৰ তুলনাত নক্ষত্ৰ এটাৰ জীৱন পৰিক্ৰমা কল্পনাতীত ভাৱে দীৰ্ঘম্যাদী। ■

মৃত্যুক বিচাৰি নুফুৰিবা, মৃত্যুৱে নিজেই তোমাক বিচাৰি উলিয়াব। কিন্তু বিচাৰিবলৈ চেষ্টা কৰা সেই পথ - যি পথে মৃত্যুৰ মাজত তোমাক জীৱনৰ পৰিপূৰ্ণতা দিব।

- হোমাৰ শ্বল্ড

সংগ্ৰহ - হৈমন্তী কছাৰী

উচ্চতৰ মাধ্যমিকপ্ৰথম বৰ্ষ

*এজন বিশ্ব শ্ৰেষ্ঠ চুটি গল্পকাৰ ঃ*

# গীদ মোপাছাঁ

*কিন্তু আটাইতকৈ পৰিতাপৰ কথা হ'ল এই বিশ্ববিখ্যাত চুটিগল্পকাৰ জনৰ মস্তিস্কৰ বিকৃতি ঘটে ১৮৯২ চনত। তেতিয়া তেওঁক ডাক্তৰ ব্লাঁশ্বৰ পগলা চিকিৎসালয় নামৰ চিকিৎসালয়ত ভৰ্ত্তি কৰোৱা হয়। এই চিকিৎসালয়খন আছিল পাচি নামৰ ঠাইত। চিকিৎসা সুকলমে হোৱাৰ পিচতো কিন্তু চুটিগল্পকাৰ জনৰ মস্তিস্কৰ কোনো উন্নতি নহ'ল। ফলস্বৰূপে ১৮৯৩ চনৰ ৬ জুলাইৰ দিনা উক্ত চিকিৎসালয়তে মাত্ৰ ৪৩ বছৰ বয়সতেই কৰুণভাৱে মৃত্যুক সাবটি লৈছিল।*

হৰকুমাৰ নাথ
অধ্যাপক, অসমীয়া বিভাগ

ফৰাচী চুটিগল্পকাৰ গীদ মোপাছাঁ এজন বিশ্বশ্ৰেষ্ঠ চুটিগল্পকাৰ। সমালোচক সকলে মোপাছাঁৰ প্ৰতি মন্তব্য কৰিছিল - The greatest master of the short story যি দৰে ফৰাচী উপন্যাসিক হনৰে দ বালজকক The greatest master of the novel বুলি মন্তব্য দিছিল। এই বিশ্ব বিখ্যাত চুটিগল্পকাৰজনৰ জন্ম হৈছিল ১৮৫০ খৃষ্টাব্দৰ ৫ আগষ্টত ফ্ৰান্সৰ নৰ্মান্দি প্ৰদেশৰ দিয়েপ বন্দৰত। বাইছ বছৰ বয়সৰ পৰা তেওঁ ফৰাচীৰ ৰাজধানী পাৰীত নৌ বিভাগৰ চৰকাৰী দপ্তৰ এটিত কাম কৰিবলৈ লৈছিল। ৰাজধানী চহৰখনত বাস কৰি থকা অৱস্থাত তেওঁ এজন বিশ্ববিশ্ৰুত ব্যক্তিৰ সান্নিধ্যলৈ আহে। এই ব্যক্তিজন হ'ল গুচ্‌তাভ্ ফ্লবেৰ যিজনে 'মাদাম বভৰি'ৰ দৰে বিখ্যাত উপন্যাস ৰচনা কৰিছিল। জীৱনৰ প্ৰথম অৱস্থাত মোপাছাঁই কবিতাহে ৰচনা কৰিছিল। কিন্তু ফ্লবেৰ নামৰ বিখ্যাত ব্যক্তিজনৰ সন্নিধ্যলৈ অহাৰ পিছৰে পৰা তেওঁ চুটিগল্পৰ জগতলৈ ঢাপলি মেলে। ফ্লবেৰৰ মহান সান্নিধ্যত মোপাছাঁই অইন কেইজনমান বিখ্যাত সাহিত্যিকৰ অনুপ্ৰেৰণা লাভ কৰিবলৈ সক্ষম হয়। তেওঁলোক হ'ল - এমিল জোলা, টুৰ্গিনেভ, তেইন, এদমঁ দ গকুৰ আৰু আলফঁজ্ দদে আদি। ফ্লবেৰৰ ওপৰত যিদৰে ৰুচ উপন্যাসিক টুৰ্গিনেভৰ প্ৰভাৱ পৰিছিল, ঠিক সেইদৰে মোপাঁছাৰ ওপৰতো ৰুচ উপন্যাসিক গৰাকীৰ প্ৰভাৱ পৰিছিল যদিও আচলতে ক'বলৈ গ'লে ফ্লবেৰৰ প্ৰভাৱহে অধিককৈ পৰিছিল। ফ্লবেৰক মোপাঁছাই সাহিত্যিক জীৱনৰ আদৰ্শ ব্যক্তিৰূপে গ্ৰহণ কৰি গোটেই জীৱন ফ্লবেৰৰ Realism ক সফল ৰূপ দিবলৈ চেষ্টা কৰিছিল। ১৮৮০ চনত ফ্লবেৰৰ মৃত্যুৰ বছৰটোতে মোপাছাঁই তেওঁৰ প্ৰথম চুটিগল্প সংকলন 'বুল দ চুইফ' প্ৰকাশ হয়। এই পুথিখন প্ৰকাশ হোৱাৰ পিচৰে পৰা ক্ৰমাগত ভাবে প্ৰকাশিত অইন পুথি সমূহ হ'ল - 'লা মেইজঁ তেলিয়ে' (১৮৮১), 'মাদ মোৱা জেল্ ফি ফি' (১৮৮২), 'টন ভি' এই সংকলনত উপন্যাস আৰু কেইটিমান চুটিগল্প (১৮৮৩), তিনিখন চুটিগল্পৰ সংকলন (১৮৮৪) 'বেল আমি', (উপন্যাস) ১৮৮৫, 'নতৰ ক'ৰ' (আমাৰ হৃদয়), লেনিউতিল্ বতে (মূল্যহীন সৌন্দৰ্য্য)।

১৮৮০ চনৰ পৰা এখনৰ পিছত এখনকৈ প্ৰতি বছৰতে চুটিগল্পৰ বিখ্যাত পুথি প্ৰকাশৰ পিছত সমালোচক সকলে লিখিছে - Critics praised him, men admired him and women worshipped him. কিন্তু আটাইতকৈ পৰিতাপৰ কথা হ'ল এই বিশ্ববিখ্যাত চুটিগল্পকাৰ জনৰ মস্তিস্কৰ বিকৃতি ঘটে ১৮৯২ চনত। তেতিয়া তেওঁক ডাক্তৰ ব্লাঁশ্বৰ পগলা চিকিৎসালয় নামৰ চিকিৎসালয়ত ভৰ্ত্তি কৰোৱা হয়। এই চিকিৎসালয়খন আছিল পাচি নামৰ ঠাইত। চিকিৎসা সুকলমে হোৱাৰ পিচতো কিন্তু চুটিগল্পকাৰ জনৰ মস্তিস্কৰ কোনো উন্নতি নহ'ল। ফলস্বৰূপে ১৮৯৩ চনৰ ৬ জুলাইৰ দিনা উক্ত চিকিৎসালয়তে মাত্ৰ ৪৩ বছৰ বয়সতেই কৰুণভাৱে মৃত্যুক সাবটি লৈছিল।

প্ৰসঙ্গক্ৰমে এই বিশ্ব শ্ৰেষ্ঠ চুটিগল্পকাৰজনৰ চুটিগল্পৰ মই পঢ়া দুটিমান চুটিগল্পৰ সমীক্ষা দাঙি ধৰিবলৈ চেষ্টা কৰা হ'ল। মোপাছাঁৰ শ্ৰেষ্ঠ গল্প সমূহৰ ভিতৰত 'চিঁমৰ বাপেক'

গল্পটিকো শ্ৰেষ্ঠ গল্পৰ শাৰীত থব পাৰি। চিম নামৰ এটি ল'ৰাক মাকে স্কুলত ভৰ্ত্তি কৰি দিলে। ল'ৰাজনৰ মাকৰ নাম লা ব্লাশ্বাত। তেওঁলোকে বাস কৰা গাওঁখনত ব্লাশ্বাতক সকলোৱে জানে - এনেকি চিঁমৰ লগৰ ল'ৰাবোৰেও তেওঁলোকক জানে, কিয়নো ল'ৰাবোৰে লা ব্লাশ্বাতৰ কথা ঘৰত মাক-বাপেকহঁতে কোৱা-কুই কৰা শুনিবলৈ পাইছিল। সিহঁতৰ মাকহঁতে তাইৰ প্ৰতি বাহিৰে পুতৌৰ ভাব দেখুৱালেও তাইক দেখিলে নাক কোচোৱা যেন কৰে। যদিও ল'ৰাবোৰে তাৰ কাৰণ কি নাজানিছিল, তথাপি মাকহঁতক দেখি সিহঁতেও তাকে কৰিবলৈ লৈছিল। স্কুলৰ প্ৰথম দিনাই চিমক সিহঁতে তাচ্ছিল্য কৰিবলৈ ধৰিলে - 'তাৰ বাপেক নাই' বুলি। ল'ৰাজাকে যেন এই আচৰিত নোহোৱা-নোপোজা বস্তুটো দেখি 'আকাশৰ পৰা পৰিছে' এনে ভাবেৰে তেওঁলোকে চিন্তা কৰিলে-বাপেক নোহোৱা ল'ৰা ক'ৰবাত থাকে নে? সিহঁতে তাৰ পিনে এনেকৈ চাবলৈ ধৰিলে যেন সি নেদেখা নুশুনা জীৱ, কিবা এক অস্বাভাৱিক বস্তু। চিমই চেষ্টা কৰিলে বুজাবলৈ তাৰ বাপেক আছে। কিন্তু তাৰ সেই চেষ্টা ল'ৰাজাকৰ যুক্তি আৰু তৰ্কত ব্যৰ্থ হৈ পৰিল। চিমই কোনো দিনে তাৰ বাপেকক দেখা নাই। নামো শুনা নাই। সেয়ে সি বাপেক আছে বুলি ক'লেও বাপেকৰ নাম বা পৰিচয় একো দিব নোৱাৰিলে। ল'ৰাজাকে জিভা উলিয়াই দি ভেঙুচালি কৰি চিঞৰিবলৈ ধৰিলে - 'বাপেক নাই ! বাপেক নাই !' এটা সময়ত চিম অধৈৰ্য্য হৈ পৰিল। সি প্ৰথম অৱস্থাত সিহঁতৰ লগত যুঁজ দি হাৰ মানিলেও পিছ মুহূৰ্ত্তত বলিয়াৰ দৰে হৈ শিলগুটি কেইটামান বুটলি যাক যেনেকৈ পাৰে দলিওৱাও ল'ৰাজাকে তাক এৰি পলাল। অকলশৰীয়া হ'লত বাপেক নথকা অকণমানি ল'ৰাটোৱে পথাৰৰ পিনে লৰিবলৈ ধৰিলে। অৱশেষত ভাগৰত লালকাল হৈ নৈৰ পাৰত বহি লৈ সি আত্মহত্যাৰ কথা ভাবিলে। তেনেতে মনত পৰিল কেইদিনমান আগতে সেই ঠাইতে অৰ্থাভাৱত আত্মহত্যা কৰা এজন দুৰ্ভগীয়াক সি নিজ চকুৰে দেখিছিল। সেই নিষ্ঠুৰ দৃশ্য তাৰ চকুৰ আগত ভাহি উঠিল। প্ৰাকৃতিক সৌন্দৰ্য্যইও তাক মোহাচ্ছন্ন কৰি তুলিছিল। কিন্তু তাৰ বাপেক নোহোৱা কথাটোৱে মাজে মাজে মনৰ মাজত ভুমুকি মৰাত সি কান্দি উঠিছিল। ঠিক তেনেতে তাক অকলে বহি থকা দেখি মানুহ এজন ওচৰলৈ আহি তাৰ কান্ধত হাত থৈ সুধিলে - 'কি কাৰণত তোমাৰ ইমান দুখ লাগিছে মইনা ?' চিমে তাৰ আচল কথাটো ক'লে। উত্তৰত মানুহজনে ক'লে - ই মিছা কথা। দেউতাক সকলোৰে থাকে। কিন্তু চিমে ভাবিলে তাৰ যে সঁচাকৈ দেউতাক নাই। মানুহজনে চিমক নি মাকক বুজাই দিলে। সি মাকৰ ডিঙিত সাবটি ধৰি তাৰ দেউতাক নোহোৱা বাবে যে ল'ৰা মখাই তাক মৰিয়ালে সেই কথা ভাঙিপাতি ক'লে। পিছ মুহূৰ্ত্ততে চিমৰ মনৰ পৰিবৰ্ত্তন হৈ মানুহজনক সুধিলে - 'তুমি মোৰ দেউতা হবা নে ? মানুহজন বিমোৰত পৰিল। কিন্তু তাৰ মন ভাল লগাবলৈ ক'লে - নিশ্চয় হম মইনা।" এতিয়াৰ পৰা ল'ৰা মখাই তোমাৰ দেউতাৰাৰ নাম সুধিলে 'ফিলিপ' বুলি ক'বা। চিঁম শান্ত হ'ল। পিছদিনা স্কুললৈ গৈ সি ল'ৰাজাকক সুবিধা বুজি ক'লে -"মোৰ দেউতা আছে। মোৰ দেউতাৰ নাম ফিলিপ।" ল'ৰাবোৰৰ মাজত অট্টহাস্যৰ জোৱাৰ উঠিল। এজনে সুধিলে- ফিলিপ কোন ? ফিলিপ কি ? ফিলিপটো কি বস্তু ? ফিলিপটো ক'ত বুটলি পালি ? চিমে একো উত্তৰ নিদিয়াকৈ থাকিল। স্কুললৈ সদায় অহা যোৱা কৰিবলৈ ল'লে। দেউতা ৰূপে ভৰা নতুন মানুহজনৰ সতে পুৱা সন্ধিয়া ফুৰিবলৈও ল'লে। স্কুলত কোনোবাই কিবা সুধিলে উত্তৰ নিদি গহীন হৈ বহি থাকে। পিছে এদিনাখন সেই ল'ৰামখাৰ দুষ্ট ল'ৰাটোৱে তাক ক'লে - "তই মিছা কথা কৈছ; ফিলিপ নামেৰে তোৰ কোনো বাপেৰ নাই। কাৰণ তোৰ বাপেৰ হোৱা হ'লে মাৰৰ গিৰিয়েক হ'লহেঁতেন।

চিমই সন্ধিয়া পৰত ফিলিপ নামৰ মানুহজনৰ ওচৰলৈ গৈ ক'লে - 'তুমি মোৰ সঁচাসচি দেউতা নোহোৱা। কাৰণ তুমি যে মোৰ মাৰ গিৰিয়েক নোহোৱা।' ফিলিপে চিমক বুজাই মেলি পঠিয়াই দি ক'লে যে তেওঁ চিঁমৰ মাকৰ সতে কথা হ'ব। কামবন সামৰি ফিলিপ লা ব্লাশ্বাতৰ ওচৰলৈ গৈ দুৱাৰত টুকুৰিয়ালে। লা ব্লাশ্বাত দুৱাৰ খুলি ওলাই আহি বেজাৰৰ সুৰত ক'লে - 'নিশা এনেকৈ অহা ভাল নহয় মচিঅ ফিলিপ। মোৰ বিষয়ে আনে যিহকে তিহকে কোৱাৰ সুযোগ মই আকৌ দিব নোৱাৰোঁ, সেই কথা তুমি বুজি পাব লাগে। ফিলিপ নামৰ কমাৰজনে একপ্ৰকাৰ উত্তেজনাৰে ক'লে -"মই যদি তোমাক বিয়া কৰাওঁ, তেতিয়া যিয়ে যিহকে কওঁক লাগে, আমাৰ কি বৈ গ'ল। লা ব্লাশ্বাত নিৰুত্তৰ। ফিলিপ ঘৰৰ ভিতৰলৈ সোমাই গৈ চিঁমক তুলি ধৰি ক'লে - 'এতিয়াৰে পৰা তোমাৰ পঢ়াশালিৰ ল'ৰাহঁতক ক'বা যে কমাৰ ফিলিপ ৰেমি তোমাৰ দেউতাৰা আৰু কোনোবাই যদি তোমাক আমনি কৰে মই তাৰ কাণ ছিঙিম।" পিছদিনা ক্লাছ বহাৰ আগমুহূৰ্ত্তত সকলো ল'ৰা গোট খোৱাত চিমই থিয় হৈ কঁপা কঁপা মাতেৰে ক'লে - 'কমাৰ ফিলিপ ৰেমি মোৰ দেউতা আৰু যিয়ে মোক আমনি কৰিব তেওঁ তাৰ কাণ ছিঙিব। হাঁহি খিকিন্দালি নোহোৱা হ'ল। কাৰণ কমাৰ ফিলিপ ৰেমিক সকলোৱে চিনি পায়। পৃথিৱীৰ যি কোনো ল'ৰাই তেওঁৰ ল'ৰা বুলি পৰিচয় দিবলৈ গৰ্ব কৰিব পাৰে।

বিশ্ব শ্ৰেষ্ঠ এই চুটি গল্পটিত এটি বিশ্বজনীন ভাবধাৰা নীহিত হৈ আছে। চুটিগল্পত সাধাৰণতে কাহিনীৰ সমান্তৰাল ভাবে দ্বন্দৰ সমাহাৰ বাঞ্চণীয়। ফৰাচী দেশৰ এজনী গাভৰুৰ এটি দুৰ্যোগপূৰ্ণ পৰিস্থিতিত এটি ল'ৰা সন্তানৰ মাতৃ হৈ পৰাটো কেবল সেইখন দেশৰ নতুন কথা নহয়। এনেকুৱা কাহিনী সৰ্ব্বদেশৰ সৰ্ব্বকালৰ কাহিনী হ'ব। লা ৱাশ্বাতক ফৰাচী দেশৰ গাভৰু বুলি ধৰি নলৈ যদি কোনোবা অইন এখন দেশৰ বুলি কল্পনা কৰা হয়; তেতিয়া ভাবানুভূতি একেই হ'ব। গল্পটিত মোপাছাঁই কৈছে-"মাইকী মানুহ এবাৰ পিছলিলে, সুনাম ঘুৰাই পোৱা সহজ নহয়। ঘুৰাই পালেও সেই সুনাম ঠুনুকা বস্তু যেন হৈ পৰে। কেতিয়া জহি খহি পৰে ক'ব নোৱাৰি।" এনেকুৱা উক্তিবোৰ যেন চিৰশ্বাস্বত আৰু সকলো দেশৰ সকলো নাৰীৰ বাবেই যেন চিৰন্তনীয়। এইখিনিতে মনত পৰে অমৰ কবি কালিদাসৰ অমৰ চৰিত্ৰ শকুন্তলালৈ। যেন দুয়োটা অনুৰূপ চৰিত্ৰ। পাৰ্থক্য কেবল সময় ৰীতি-নীতি আৰু অৱধাৰণাৰ। আনপিনে মানুহৰ চৰিত্ৰৰ কামনা-বাসনা জিঘাংসা, ক্ৰুৰতা আদিও চিৰন্তন। মুনিকণ্যা শকুন্তলাই দুষ্যন্তৰ প্ৰেমৰ আহ্বানত ঋষি আশ্ৰমৰ কঠোৰ ৰীতি-নীতি নিয়মকো উলঙ্ঘন কৰি গৰ্ন্ধৱ প্ৰথা মতে বিবাহ পাশত আবদ্ধ হোৱা কথাত শ্লীলতা ৰক্ষিত হৈছে যদিও সেইটো আছিল এটি নীতি বিৰুদ্ধ আচৰণ যাৰ ফলস্বৰূপে শকুন্তলাই দুৰ্ব্বাশা ঋষিৰ দ্বাৰা অভিশপ্ত হৈ পিছত পৰিতাপৰ অগ্নিশিখাৰে দগ্ধ হৈহে পৰিশুদ্ধ হৈছিল।

'দি উলফ্' গল্পটিত দেখুওৱা হৈছে এটা কুকুৰনেচীয়া বাঘ আৰু চিকাৰীৰ মাজত হোৱা সংঘৰ্ষৰ কাহিনী। চাবলৈ গ'লে গল্পটিত কাহিনীৰ কোনো তাৎপৰ্যই ধৰা নপৰে। তথাপি গল্পকাৰৰ বৰ্ণনা শক্তিৰ চাতুৰ্য আৰু সৌন্দৰ্যৰ বাবে উক্ত গল্পটি এটি শ্ৰেষ্ঠ গল্পৰ শাৰীলৈ উন্নীত হৈছে।

'দি নেকলেচ' নামৰ গল্পত দেখুওৱা হৈছে মেদাম লইছে নামৰ গৰীব কেৰাণী এজনৰ ঘৈনীয়েকৰ উচ্চাকাঙক্ষাৰ ছবি। মহামান্য মন্ত্ৰীৰ পৰা বল নৃত্যৰ পাৰ্টিলৈ পোৱা নিমন্ত্ৰণ ৰক্ষা কৰি ধনী বান্ধবীৰ পৰা হীৰাৰ নেকলেচ এডাল ধাৰলৈ আনি পাৰ্টিলৈ গৈছিল। বল নৃত্যৰ পাৰ্টিত তেওঁ সকলোৰে পৰা যথেষ্ট সমাদৰ পালে। এনেকি সমাজৰ তথাকথিত ভদ্ৰ মানুহবোৰেও তেওঁৰ সৈতে ক্ষন্তেক নৃত্য কৰাৰ হাবিয়াস কৰিছিল। লইছে কোনো দিনে নোপোৱা সন্মানৰ অধিকাৰীণী হ'ল। ৰাতিপুৱা চাৰি বজাত পাৰ্টিৰ পৰা উভতি আহি শেষবাৰৰ বাবে নিজকে এবাৰ ভালকৈ আয়নাৰ সন্মুখত চোৱাৰ লোভ সামৰিব নোৱাৰিলে। কিন্তু তেতিয়া এটি অঘটনহে ঘটিল গলত পিন্ধি থকা হীৰাৰ হাৰডাল নাই। বিচাৰ-খচাৰ কৰা হ'ল ক'ৰবাত পোৱা যায় নেকি। গিৰিয়েকেও বিচাৰিলে। নাই হাৰডাল বিচাৰি পোৱা নহ'ল। ইমান বহুমূলীয়া হাৰ প্ৰত্যাৰ্পন কৰিবলৈ যাওঁতে লইছে সপৰিয়ালে সৰ্ব্বহাৰা হৈ পৰিল। সেই দৰিদ্ৰ অৱস্থাৰ পৰা উদ্ধাৰ পাবলৈ তেওঁলোকে সম্পূৰ্ণ দহ বছৰ কঠোৰ পৰিশ্ৰম কৰিবলগীয়া হ'ল। ফলস্বৰূপে লইছে বৃদ্ধা যেন হৈ পৰিল। দহ বছৰ পিছত বান্ধৱীক লগ পাই দুখৰ কথাবোৰ উজাৰি ক'লে। কিন্তু বান্ধৱীয়ে আচৰিত হৈ সুধিলে-"মোত উভতাই দিয়া হাৰডাল প্ৰকৃত হীৰাৰ নেকি ? কিন্তু মোৰ হাৰডাল নকল হীৰাৰহে আছিল। সেইডালৰ দাম তেনেই নগণ্য।" গল্পটিত লইছে নামৰ তেনেই সাধাৰণ মহিলা গৰাকীৰ সামাজিক উচ্চাসনত নিজকে প্ৰতিষ্ঠা লাভৰ বাবে উৎপন্ন হোৱা দুৰাকাঙক্ষা আৰু তাৰ ফল স্বৰূপে লাভ কৰা নিষ্ঠুৰ বিফলতাৰ চিত্ৰ ডাঙি ধৰা হৈছে।

'দি মাস্ক' নামৰ গল্পটিত দেখুওৱা হৈছে বয়সত বৃদ্ধ হ'লেও এজন লোকে সদায় ডেকা হৈ থাকি ডেকাৰ দৰে আচৰণ কৰি যৌৱন-সুলভ ক্ৰীড়া-কৌতুকৰ প্ৰতি থকা অদমনীয় স্পৃহাৰ চিত্ৰ। এইজন মানুহেই নিজৰ যৌৱন কালত পাশৱিক কামনাৰ বাবে ঘৈনীয়েকৰ জীৱনলৈ বদান্যতা নমাই আনিছিল। তথাপি ঘৈনীয়েকে আশা কৰিছিল হয়তো গিৰিয়েকে বৃদ্ধ অৱস্থা প্ৰাপ্ত হ'লে সকলো অদমনীয় স্পৃহা কমাই আনিব আৰু অকল তেওঁকহে সঙ্গ দিব। কিন্তু বৃদ্ধ হোৱা স্বত্বেও তেওঁৰ মনৰপৰা ডেকা কালৰ অদম্য কামনা বাসনাৰ স্পৃহা আঁতৰি নগ'ল। তেওঁৰ বলিয়া মনটোৱে সদায় যুৱতীৰ সান্নিধ্যহে বিচাৰে। সেয়ে তেওঁ ডেকাৰ মাস্ক পিন্ধি বল নৃত্যৰ পাৰ্টিলৈ যায়। গাভৰুহঁতৰ সৈতে নৃত্যত প্ৰবৃত্ত হৈ আত্মতুষ্টি লাভ কৰে। কিন্তু দুৰ্ভাগ্যবশতঃ এদিনাখন বল নৃত্য চলি থকা সময়তেই বৃদ্ধই পিছলি পৰি অচেতন হোৱাত তেওঁৰ স্বৰূপ ওলাই পৰে। গল্পটিত সাধাৰণ পাঠকে অতিশয়োক্তিৰ উমান পালেও বৃদ্ধৰ ঘৈনীয়েকে কিন্তু চিৰিন্তন সত্য বুলিয়েই গ্ৰহণ কৰি ল'লে।

মোপাছাঁৰ গল্পত পৰ্য্যবেক্ষণ ক্ষমতা তীব্ৰতৰ ভাবে দেখা যায়। তেওঁ জীৱনৰ কোনো এটা ফালক সুক্ষ্মতি সুক্ষ্ম দৃষ্টিৰে পৰ্য্যবেক্ষণ কৰে। মানুহৰ মনত তেওঁ সৰহ ক্ষেত্ৰতে কেইটামান দিশ দেখিবলৈ পাইছে - সেই দিশ কেইটা হ'ল - সম্ভোগৰ অদম্য কামনা বাসনা, চলনা-স্বাৰ্থপৰতা আৰু মানব জাতিৰ হিংসা, ক্ৰুৰতা আৰু নিষ্ঠুৰতা। ■

# অসমৰ থলুৱা বাদ্যযন্ত্ৰ

অজয় কলিতা
স্নাতক দ্বিতীয় বৰ্ষ (কলা)



অসমীয়া সমাজত অতীতৰে পৰা প্ৰচলিত হৈ অহা বিভিন্ন ধৰণৰ গীত-মাত আৰু নৃত্যক কেন্দ্ৰ কৰি বহুতো থলুৱা বাদ্যযন্ত্ৰ আমি ব্যৱহাৰ কৰি আহিছো। বিভিন্ন প্ৰকাৰৰ গীত-মাত- বিহুগীত, বনগীত, কামৰূপী লোকগীত, গোৱালপৰীয়া লোকগীত, ধাইনাম, বিয়ানাম, জিকিৰ জাৰী ইত্যাদি অনেক লোকগীত পৰম্পৰাগতভাৱে চলি আহিছে। ইয়াৰ উপৰিও বিহুনাম, বাগৰুম্বা, ঝুমুৰ, ওজাপালি, দেৱদাসী, দেওধানী আদিকে ধৰি অনেক লোক নৃত্যই অসমীয়া-সংস্কৃতিক বাৰেবৰণীয়া কৰি তুলিছে। এই গীত-মাত আৰু নৃত্যবোৰ পৰিবেশন কৰোঁতে বিভিন্ন ধৰণৰ থলুৱা বাদ্যযন্ত্ৰ ব্যৱহাৰ কৰা হয়।

অসমীয়া বাদ্যযন্ত্ৰবোৰ হ'ল - ঢোল, খোল, মৃদঙ্গ, দবা, বৰকাঁহ, ভোৰ তাল, মুঠি তাল, পাতি তাল, ম'হৰ শিঙৰ পেঁপা, বাঁহী, গগণা, বীণ, কৰতাল ইত্যাদি। এই বাদ্যযন্ত্ৰবোৰৰ ব্যৱহাৰ আৰু আকৃতি সম্পৰ্কে তলত আলোচনা কৰা হ'ল ঃ

দবা ঃ নাগাৰাৰ আকৃতিৰ কিন্তু নাগাৰাতকৈ ডাঙৰ এবিধ কোবাই বজোৱা বাদ্যযন্ত্ৰ। সাধাৰণতে মন্দিৰত পূৱা-গধূলি দবা বজোৱা হয়।

গগণা ঃ এচটা বাঁহৰ সোঁ-মাজত জিভা কাটি তাৰ এমুৰে বটীয়া লগাই বাঁহচটা মুখত পথালিকৈ সুমুৱাই বটিয়া ডাল টানি টানি ডিঙিৰ পৰা শব্দ কৰি বজোৱা বাদ্যযন্ত্ৰ। গগণা দুবিধ (ক) লাহৰী বা ৰূপহী গগণা। (খ) ৰামধন গগণা। গগণা প্ৰধানত বিহুগীতত বজোৱা এবিধ বাদ্যযন্ত্ৰ।

খোল ঃ গোটা কাঠৰ খুলি ফোঁপোলা কৰি দুইমুৰ ছালেৰে ছোৱা এবিধ হাতেৰে বজোৱা বাদ্য। ভাওনা, সত্ৰীয়া নৃত্য আদিত এই যন্ত্ৰবিধ ব্যৱহাৰ কৰা হয়।

ঢোল ঃ কাঠ খুলি দুই মূৰে গৰুৰ ছালেৰে ছোৱা এবিধ ডিঙিত ওলোমাই বজোৱা বাদ্যযন্ত্ৰ। বিহুনৃত্যত ঢোলৰ ব্যৱহাৰ হয়।

তাল ঃ নৃত্য-গীতত কাল ক্ৰিয়াৰ ছেও আৰু পৰিমান নিৰূপন কৰিবলৈ তাল ব্যৱহাৰ কৰে। তাল কাঁহ ধাতুৰে চেপেটা ধৰণে তৈয়াৰ কৰা হয়। তাল তিনি ধৰণৰ - ভোৰ তাল, পাতি তাল আৰু মুঠি তাল। গীতৰ সুৰৰ তাৰতম্য বুজাবলৈ তাল বজোৱা হয়।

পেঁপা ঃ মুখেৰে বজোৱা বাদ্যযন্ত্ৰ। ম'হৰ শিঙৰ পৰা পেপা তৈয়াৰ কৰা হয়। বিহুগীতত পেঁপাৰ ব্যৱহাৰ কৰা হয়।

বাঁহী ঃ বিন্ধা থকা মুখেৰে বজোৱা সৰু গোটা বাঁহৰ বাদ্য। অসমীয়া লোকগীতত বাঁহীৰ ব্যৱহাৰ হয়।

মৃদঙ্গ ঃ খোলৰ নিচিনা কিন্তু খোলতকৈ কিছু চুটি হাতেৰে বজোৱা বাদ্যযন্ত্ৰ।



# দূর্নীতি

**ৰাকেশ ৰায়**
স্নাতক দ্বিতীয় বৰ্ষ (কলা)

**মোৰ সন্মুখত এটা প্ৰাথমিক বিদ্যালয়ৰ ঘটনা দৃষ্টিগোচৰ হৈছিল। প্ৰাথমিক বিদ্যালয়খনৰপৰা প্ৰতিবছৰে বহু ছাত্ৰ-ছাত্ৰী উত্তীৰ্ণ হৈ মধ্য ইংৰাজী স্কুললৈ ঢাপলি মেলে। তেনে অৱস্থাত এদিন এজনী ছাত্ৰী সেই স্কুলৰ পৰা পাছ কৰিলে অৰ্থাৎ চতুৰ্থ শ্ৰেণী পাছ কৰিলে। সেইজনী ছাত্ৰীয়ে যেতিয়া মধ্য ইংৰাজী স্কুলত নাম ভৰ্ত্তিকৰণৰ কাৰণে প্ৰাথমিক বিদ্যালয়ৰ পৰা পাছ কৰা চাৰ্টিফিকেটখন ল'বলৈ গ'ল তেতিয়া সেই বিদ্যালয়ৰ শিক্ষক সকলে চাৰ্টিফিকেটৰ মাছুল হিচাপে দহ টকা আৰু চাহ খোৱাৰ কাৰণে দহ টকা ল'লে।**

আজিৰ অসম যে দুৰ্নীতিৰে ভৰা এই কথা আমি সকলোৰে জানো আৰু মই দুৰ্নীতিৰ বিষয়ে একলম লিখিবলৈ ওলাইছো। মই মোৰ প্ৰৱন্ধটো 'দুৰ্নীতি' নামেৰে নামাকৰণ কৰিছো। দুৰ্নীতিৰ অৰ্থই হ'ল নীতিৰ বিৰুদ্ধ। দুৰ্নীতিক যদিও বহুতে বহু ধৰণে ভাগ কৰিছে; তথাপিও মই প্ৰধানতে চাৰিটা ভাগতহে ভাগ কৰিছো আৰু তলত সেই সম্পৰ্কে কিছু বহলাই লিখিবলৈ লৈছো।

**শিক্ষাৰ দুৰ্নীতি ঃ**

বৰ্তমান সময়ৰ শিক্ষা ব্যৱস্থাত গঢ়ি উঠা দুৰ্নীতিয়েই ভৱিষ্যতৰ শিক্ষা ব্যৱস্থা আৰু সমাজখনক যথেষ্ট পিছলৈ ঠেলি দিব। ই অসমৰ এক জ্বলন্ত সমস্যালৈ ৰূপান্তৰিত হৈছে। সেয়েহে লাহে লাহে অসমৰ শিক্ষাৰ মানদণ্ড কমি আহিবলৈ ধৰিছে। বৰ্তমান অসমৰ শিক্ষা ব্যৱস্থাত প্ৰাথমিক শিক্ষাৰ পৰা উচ্চ শিক্ষালৈকে দুৰ্নীতিয়ে আৱৰি আছে। এই সম্পৰ্কে মই কিছু উজ্জ্বল উদাহৰণেৰে আঙুলিয়াই দিব বিচাৰিছো।

কিছুবছৰ আগৰ কথা। মোৰ সন্মুখত এটা প্ৰাথমিক বিদ্যালয়ৰ ঘটনা দৃষ্টিগোচৰ হৈছিল। প্ৰাথমিক বিদ্যালয়খনৰপৰা প্ৰতিবছৰে বহু ছাত্ৰ-ছাত্ৰী উত্তীৰ্ণ হৈ মধ্য ইংৰাজী স্কুললৈ ঢাপলি মেলে। তেনে অৱস্থাত এদিন এজনী ছাত্ৰী সেইস্কুলৰ পৰা পাছ কৰিলে অৰ্থাৎ চতুৰ্থ শ্ৰেণী পাছ কৰিলে। সেইজনী ছাত্ৰীয়ে যেতিয়া মধ্য ইংৰাজী স্কুলত নাম ভৰ্ত্তিকৰণৰ কাৰণে প্ৰাথমিক বিদ্যালয়ৰ পৰা পাছ কৰা চাৰ্টিফিকেটখন ল'বলৈ গ'ল তেতিয়া

সেই বিদ্যালয়ৰ শিক্ষক সকলে চাৰ্টিফিকেটৰ মাছুল হিচাপে দহ টকা আৰু চাহ খোৱাৰ কাৰণে দহ টকা ল'লে।

মই এই উদাহৰণটোৰ পৰা পচুৱৈ ৰাইজক প্ৰশ্ন কৰিব বিচাৰিছো যে এইটোৱে জানো দুৰ্নীতিৰ সূত্ৰপাত নহয় ? এইটোৱে জানো উপধন বা ঘুচৰ ব্যৱহাৰ নহয় ? আকৌ কোনোবাই ক'ব পাৰে যে শিক্ষাদানৰ বিনিময়ত শিক্ষকজনে ছাত্ৰীজনীৰ পৰা গুৰুমান লৈছে। এই ক্ষেত্ৰত মই তেওঁক বা তেওঁলোকক ক'ব বিচাৰো যে কোনো চৰকাৰী শিক্ষাগুৰুৱে বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীক পাঠদানৰ বিনিময়ত গুৰুমান নিবিচাৰে; কাৰণ চৰকাৰে তেওঁলোকক শিক্ষাদানৰ বিনিময়ত মাহিলী দৰমহা দি আছে। ইয়াতে এষাৰ কথা ক'বলৈ লৈছো যে শিক্ষাগুৰুৱে শিক্ষাদানৰ বিনিময়ত ছাত্ৰ-ছাত্ৰীৰ ভাল ৰিজাল্ট আৰু ভাল ব্যৱহাৰ পোৱাটো কামনা কৰে; কিন্তু শিক্ষাৰ বিনিময়ত টকাৰে গুৰুমান নলয়।

লক্ষীপুৰ অঞ্চলৰ কিছুমান হাইস্কুল যেনে - ভলাইখামাৰ, ধুমুৰীঘাট আদিক অসমৰ জনসাধাৰণে ভেলোৰ বুলি নামাকৰণ কৰিছে। কাৰণ ইয়াত অসমৰ বিভিন্ন ঠাইৰ পৰা বহু ছাত্ৰ-ছাত্ৰী পৰীক্ষা দিবলৈ আহে সঁচা; কিন্তু পৰীক্ষাবোৰ ভূৱা, কাৰণ টকাৰে এইবোৰ সমাধা হয়। ভলাইখামাৰ, ধুমুৰীঘাট আদি হাইস্কুল হোৱাৰ উপৰিও একো একোখন মেট্ৰিক পৰীক্ষা দিয়া চেন্টাৰ। এই চেন্টাৰবোৰৰ পৰীক্ষাবোৰ টকাৰ দ্বাৰা জোখা হয়। কাৰণ পাছ কৰিবৰ বাবেই ছাত্ৰ-ছাত্ৰীবোৰে চেন্টাৰলৈ আহে আৰু পাছ কৰি গুচি যায়।

আকৌ শিক্ষাজগতৰ অলপ ওপৰলৈ গ'লেই দেখিবলৈ পোৱা যায় কিছু হাইস্কুল শিক্ষা ব্যৱস্থাত থকা দুৰ্নীতিবোৰ। মই এই ক্ষেত্ৰত কিছুমান হাইস্কুলৰ কথাকে ক'বলৈ ওলাইছো, যিবোৰৰ বিষয়ে সকলোৱে জানে আৰু চৰকাৰো জ্ঞাত। তথাপিও সেইবোৰ স্কুলত চলি থকা দুৰ্নীতিবোৰক অসমবাসী ৰাইজে আৰু চৰকাৰে ৰোধ কৰিব পৰা নাই। উদাহৰণস্বৰূপে - লক্ষীপুৰ অঞ্চলৰ কিছুমান হাইস্কুল যেনে - ভলাইখামাৰ, ধুমুৰীঘাট আদিক অসমৰ জনসাধাৰণে ভেলোৰ বুলি নামাকৰণ কৰিছে। কাৰণ ইয়াত অসমৰ বিভিন্ন ঠাইৰ পৰা বহু ছাত্ৰ-ছাত্ৰী পৰীক্ষা দিবলৈ আহে সঁচা; কিন্তু পৰীক্ষাবোৰ ভূৱা, কাৰণ টকাৰে এইবোৰ সমাধা হয়। ভলাইখামাৰ, ধুমুৰীঘাট আদি হাইস্কুল হোৱাৰ উপৰিও একো একোখন মেট্ৰিক পৰীক্ষা দিয়া চেন্টাৰ। এই চেন্টাৰবোৰৰ পৰীক্ষাবোৰ টকাৰ দ্বাৰা জোখা হয়। কাৰণ পাছ কৰিবৰ বাবেই ছাত্ৰ-ছাত্ৰীবোৰে চেন্টাৰলৈ আহে আৰু পাছ কৰি গুচি যায়। এই ক্ষেত্ৰত আমি আৰু অসমৰ চৰকাৰখন যথেষ্ট ভাবে দায়ী। ইয়াত চলি থকা দুৰ্নীতিয়ে অসমৰ শিক্ষাব্যৱস্থাৰ মানদণ্ড যথেষ্ট পৰিমাণে হ্ৰাস কৰিছে।

**নিয়োগত দুৰ্নীতি ঃ**

অসমত নিয়োগৰ সমস্যাটো এক জ্বলন্ত সমস্যা হোৱাৰ উপৰিও এতিয়া অসমৰ নিয়োগ ব্যৱস্থাটো দুৰ্নীতিৰে ভৰি পৰিছে। অসম চৰকাৰৰ চতুৰ্থ বৰ্গৰ চাকৰিৰ পৰা প্ৰথম বৰ্গৰ চাকৰিলৈ মাত্ৰ দুৰ্নীতি। যাৰ ফলস্বৰূপে ভাল ভাল শিক্ষিত নিবনুৱাৰ হাৰ বৃদ্ধি পাই গৈছে। বৰ্তমান অসমৰ নিয়োগ ব্যৱস্থা যেনে - "জোৰ যাৰ মুলুক তাৰ" এই ধ্বনিৰ আধাৰত প্ৰতিষ্ঠিত। অসমৰ চাকৰিৰ কাৰণে যেন শিক্ষাৰ প্ৰয়োজনেই নাই; আছে মাত্ৰ প্ৰয়োজন টকা আৰু ক্ষমতাৰ। টকা অবিহনে চাকৰি নাই আৰু শিক্ষাৰ কোনো মূল্য নাই। ভাৰতবৰ্ষ যদিও গণতান্ত্ৰিক ব্যৱস্থাৰে পৰিচালিত; তথাপিও যেন ইয়াৰ ধনতন্ত্ৰৰহে প্ৰভাৱ দেখা যায়। ইয়াত যেন "যোগ্য ভোগ্য বসুন্ধৰা'ৰ কোনো মূল্য নাই আছে মাত্ৰ ধন আৰু ধনীৰ। তলত এটা উদাহৰণেৰে আলোচনা কৰিবলৈ লৈছো।

ধৰাহ'ল - এটা চতুৰ্থ বৰ্গৰ চাকৰিৰ কাৰণে অৰ্হতা লাগে মেট্ৰিক পাছ। তেনে অৱস্থাত দুজন প্ৰাৰ্থীয়ে এই চাকৰিটোৰ কাৰণে আবেদন কৰিলে। তাৰে এজন কোনোমতে মেট্ৰিক পাছ কৰা কিন্তু ক্ষমতাশালী আৰু ধনী। আনহাতে আনজন বি.এ. পাছ আৰু দুখীয়া। যোগ্যতা অনুসৰি বি.এ. পাছ কৰা মানুহজনে চাকৰিটো পাব লাগিছিল। কিন্তু দুৰ্নীতিৰ প্ৰভাৱত এইটো ওলোটাহে হ'ল। অযোগ্য জনেহে চাকৰিটো পালে।

এই উদাহৰণটোৰ পৰা পচুৱৈ ৰাইজক জনাব বিচাৰো যে যদি আমি এই দুৰ্নীতি ৰোধ কৰিব নোৱাৰো আৰু এই দুৰ্নীতি ৰোধ কৰিবৰ কাৰণে চৰকাৰখনক বাধ্য নকৰাও তেতিয়াহ'লে উত্তৰ পুৰুষৰ যোগ্যজন নিবনুৱা হিচাপে বহি বা মন ধিক্কাৰত অস্ত্ৰ হাতত তুলি ল'ব আৰু লৈয়েই আছে। আনহাতে অযোগ্যজন চাকৰিয়াল হৈ থাকিব। এনেকুৱা অযোগ্য কৰ্মচাৰীয়ে কেতিয়াও দেশৰ উন্নতি কৰিব নোৱাৰে। বৰং এইসকলৰ চাকৰি দিব পৰা ক্ষমতা হ'লে উপধন বা ঘুচ লোৱাতহে ব্যস্ত থাকিব।

**চৰকাৰী কাৰ্য্যালয়ত কৰ্মচাৰীৰ দুৰ্নীতি ঃ**

আজি অসমৰ বিভিন্ন চৰকাৰী অফিচ-কাচাৰী, কাৰ্য্যালয় অনুষ্ঠান-প্ৰতিষ্ঠানতেই দুৰ্নীতিয়ে দেখা দিছে। এই চৰকাৰী কাৰ্য্যালয়বোৰ যদিও চৰকাৰী কাম-কাজৰ উপৰিও ৰাইজৰ সমস্যা সমাধানৰ কাৰণে গঢ়ি উঠিছে। তথাপিও ইয়াত যেন

এতিয়া টকাৰহে খেলা দেখা গৈছে। টকা অবিহনে যেন কৰ্মচাৰীবোৰ চলিব নোৱাৰা হৈ পৰিছে, সহায় কৰিব নোৱাৰা হৈ পৰিছে। এইটো এটা উদাহৰণেৰে স্পষ্ট কৰিবলৈ বিচাৰিছো-

ধৰাহ'ল আপুনি এখন চৰকাৰী কাৰ্য্যালয়ত আপোনাৰ এটা কাম বা সমস্যা সমাধা কৰিবলৈ গৈছে। কিন্তু ইয়াৰ আগতে আপুনি কোনোদিনেই সেই অফিচত যোৱা নাই। তেতিয়া আপুনি কামটো কাৰ দ্বাৰা সমাধা হ'ব সেই সম্পৰ্কে জানিবৰ বাবে এজন কৰ্মচাৰীৰ ওচৰত যাব। যদিও চৰকাৰী কৰ্মচাৰী হিচাপে আপোনাক সহায় কৰাৰ দায়িত্ব তেওঁৰ আছিল তথাপিও উৎকচ অবিহনে যেন সিহঁতে পাহৰি গৈছে সহায় কৰিবলৈ আৰু এইদৰে আপোনাৰ কামটো অফিচৰ কোনোবা কোণতেই পৰি থাকিব। যেতিয়ালৈকে আপুনি উৎকচ বা ঘুচ নিদিয়ে।

ধৰাহ'ল আপুনি এখন চৰকাৰী কাৰ্য্যালয়ত আপোনাৰ এটা কাম বা সমস্যা সমাধা কৰিবলৈ গৈছে। কিন্তু ইয়াৰ আগতে আপুনি কোনোদিনেই সেই অফিচত যোৱা নাই। তেতিয়া আপুনি কামটো কাৰদ্বাৰা সমাধা হ'ব সেই সম্পৰ্কে জানিবৰ বাবে এজন কৰ্মচাৰীৰ ওচৰত যাব। যদিও চৰকাৰী কৰ্মচাৰী হিচাপে আপোনাক সহায় কৰাৰ দায়িত্ব তেওঁৰ আছিল তথাপিও উৎকচ অবিহনে যেন সিহঁতে পাহৰি গৈছে সহায় কৰিবলৈ আৰু এইদৰে আপোনাৰ কামটো অফিচৰ কোনোবা কোণতেই পৰি থাকিব। যেতিয়ালৈকে আপুনি উৎকচ বা ঘুচ নিদিয়ে।

এই উদাহৰণটোৰ পৰা মই ইয়াকে বুজাব বিচাৰিছো বৰ্তমান সময়ত অসমত বহু চৰকাৰী কাৰ্য্যালয় আছে য'ত টকা অবিহনে কৰ্মচাৰী বোৰে কাৰো কাম নকৰে। সেই ক্ষেত্ৰত আমি বা আমাৰ সমাজখনৰ বাসিন্দাসকলো কিছু পৰিমানে জগৰীয়া। কাৰণ আমাৰ সমাজত বহু লোক আছে যিবোৰে নিজৰ কামবোৰ আনতকৈ আগত কৰিবলৈ গৈ উৎকচ বা ঘুচৰ ব্যৱহাৰ কৰিছে। যাৰ ফলত এতিয়া প্ৰত্যেকজন লোকেই এই নিয়ম মানি চলিবলৈ বাধ্য হৈছে। এইক্ষেত্ৰত ধনী বিলাকৰ বিশেষ হানি নহয় যদিও দুখীয়া শ্ৰেণীৰ লোকৰ মুৰত টাঙোন মৰাৰ দৰে।

**প্ৰশাসন ব্যৱস্থাত দুৰ্নীতি ঃ**

অকল অসমেই নহয় ভাৰতবৰ্ষৰ প্ৰশাসন ব্যৱস্থাতো দুৰ্নীতি হোৱা দেখা যায়। ভাৰতবৰ্ষ এখন গণতান্ত্ৰিক দেশ। ইয়াৰ শাসন ব্যৱস্থাত জনগণেই ৰজা। কিন্তু সাধাৰণতে নিৰ্বাচনৰ সময়তহে ভালদৰে এইটো দেখা যায়। তাৰ পিছত ইয়াৰ যেন আৰু একো অস্তিত্বই নাই। অসম তাৰে এটি অংগ ৰাজ্য। অসমৰ প্ৰশাসন ব্যৱস্থাতো যথেষ্ট দুৰ্নীতি হোৱা সময়ে সময়ে দেখিবলৈ পোৱা যায় আৰু এইবোৰক বাতৰি কাকত, আলোচনী আদিয়ে উদঙাই দিয়া দেখা যায়। মই এই ক্ষেত্ৰত প্ৰশাসন ব্যৱস্থাটোক দোষ দিব বিচৰা নাই; দিব বিচাৰিছো ইয়াৰ স্বাৰ্থলোভী প্ৰতিনিধিবোৰক। এই প্ৰতিনিধিবোৰে ৰাইজক ভুৱা প্ৰলোভন দেখুৱাই ৰাইজৰ পৰা ভোট লাভ কৰি প্ৰশাসনৰ প্ৰতিনিধি হিচাপে নিৰ্বাচিত হয় আৰু প্ৰতিনিধি হোৱাৰ পাছতেই ৰাইজৰ কথা পাহৰি নিজৰ আৰু ভৱিষ্যতৰ কথাত হে বেছি গুৰুত্ব দি বহু বে-আইনী কামত জড়িত হয়। এইবোৰ মই ইয়াত উল্লেখ নকৰিলেও ৰাইজে জানে যে বহু প্ৰতিনিধিয়ে যেতিয়া মন্ত্ৰীৰ পদ পায়; তেতিয়া তেওঁলোকে নিজ স্বাৰ্থৰ কাৰণে কাম কৰে; যাৰ ফলত দুই এজন প্ৰতিনিধি মাজে সময়ে কেলেংকাৰীত পৰাও দেখা যায়। সেয়েহে ৰাইজক জনাব বিচাৰো যে এখন দেশ বা ৰাজ্য উন্নতিৰ পথত আগবাঢ়িবলৈ হ'লে ৰাইজে ভাল সুদক্ষ, জ্ঞানী আৰু দেশপ্ৰেমীক প্ৰতিনিধি প্ৰশাসন ব্যৱস্থাৰ বাবে পঠিয়াব লাগিব। অন্যথা ইয়াৰ পৰিনাম আগতেই কলোঁ। ইয়াৰ কাৰণে বুদ্ধিজীৱি সকলৰ ওচৰত মোৰ সৰল প্ৰাৰ্থনা যে তেওঁলোকে নিজে যিহেতু ভাল-বেয়া, দোষী-নিৰ্দোষী, শুদ্ধ-অশুদ্ধ বিচাৰ কৰিব পাৰে, সেই হেতুকে আন আন নিৰক্ষৰ লোক সকলকো সু-পথে পৰিচালিত কৰাই দেশৰ প্ৰশাসন ব্যৱস্থাৰ কাৰণে সু-প্ৰতিনিধি গঢ়ি তোলাত সহায় কৰিবলৈ আহ্বান জনালো।■

অকল প্ৰতিভাই নহয়, চৰিত্ৰৰ সহায়তহে মানুহ মহত্ত্বৰ শিখৰলৈ উঠে।

– হেম বৰুৱা

সংগ্ৰহ - নিবেদিতা চৌধুৰী

উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ (কলা)

গল্প

# প্ৰতীক্ষাৰ অন্তত




**ৰবিন ৰাভা**
স্নাতক প্ৰথম বৰ্ষ


*তুমি ক'ত আছা*
*মোক পাহৰিলা নেকি*
*মই যে আজিও তোমাৰেই*
*তোমাৰ অপেক্ষাত ....*

টেষ্ট পৰীক্ষাৰ পাছত যেতিয়াৰপৰা কাকো লগ নাপাও (সতীৰ্থসকলক) তেতিয়াৰপৰা মই ওপৰৰ কবিতা কেইশাৰী লিখিবলৈ আৰম্ভ কৰো। পঢ়োতে টোপনি ধৰিলে এই কবিতাফাঁকি লিখিলে টোপনি ভাঙি যায়।

'Our sweetest songs are those
Thats bring saddest thought' - Shelley.

এইটো লিখি অলপ সময় ক'ব নোৱাৰাকৈ মৌন হৈ থাকো। ইয়াৰ প্ৰকৃত অৰ্থ কি মই নাজানো। মই ইয়াক কোনোবা আলোচনীতহে পাইছো। মানুহৰ মনত, বিশেষকৈ উঠি অহা যুৱক-যুৱতীৰ মনত 'প্ৰেম' নামৰ গুণটো নিজে নিজে ক'ব নোৱাৰাকৈ নীৰবে নীৰবে জাগে। ভাবি চোৱা নহয় আমি কিয় প্ৰেম কৰি আছো যিয়ে নহওক প্ৰায়ে দেখা যায়। প্ৰেম আছে, স্বীকৃতি নাই, প্ৰেমৰ প্ৰচলন আছে কিন্তু বাস্তৱ নাই। তথাপিও মোৰ প্ৰেমেই নে কিবা বস্তু নীৰবে নীৰবে জাগিছে।

কলেজত ভৰ্তি হোৱাৰ পাছত বহুবাৰ বহুত ঠাইত প্ৰতীক্ষা কৰিছিলো- কেৱল লগ পোৱাৰ বাবে, যাক মই 'প্ৰতীক্ষা' নাম ৰাখিছিলো। ধুনীয়া মৰমীয়াল ছোৱালীজনী। সহপাঠী আছিলো দশম মানত। কিন্তু তাই মেট্ৰিকটো পাছ কৰিব নোৱাৰিলে। ধুনীয়া ছোৱালীক হেনো বিশ্বাস কৰা টান। তথাপিও প্ৰতীক্ষা মোৰ অন্তৰংগ বান্ধৱীৰ ভিতৰত এজনী। মানুহক ভাল পোৱা বিভিন্ন ধৰণৰ হ'ব পাৰে। মই প্ৰতীক্ষাক সাধাৰণভাৱে ভাল পাওঁ। সাধাৰণ ভালপোৱা আৰু প্ৰেম ভাল পোৱাৰ মাজত নিশ্চয় পাৰ্থক্য আছে। ভালপোৱাজনৰ সুখত সুখ আৰু দুখত দুখ অনুভৱ কৰাটো স্বাভাৱিক। মোৰো সেয়ে যিয়ে নহওক মেট্ৰিকৰ ৰিজাল্ট পোৱাৰ পাছত তাইক এবাৰ দেখিছো আৰু তাৰ পাছত দেখা নাই। সিহঁতৰ ঘৰলৈও যোৱা আৰু চিঠিও লিখা নাই। সেয়ে পঢ়াৰ সময়ত মনত পৰে। বাকীবোৰক মাজে মাজে লগ পাওঁ কেৱল তাইকে নাপাওঁ। সেয়ে 'তুমি ক'ত আছা ....' বুলি ওপৰৰ কবিতাফাঁকি লিখো। শেষ বছৰ হাইস্কুলত উঠা ফটো কেইখনমান উলিয়াই তাইৰ চেহেৰাটো মনতে তাজা কৰি ৰাখো। পল অনুপল

সেয়ে আশা ৰাখিলো পৰীক্ষা দিবলৈ আহোতে তাইক লগ পাম। কি ভাগ্য তিনিটা পৰীক্ষা শেষ কৰি সেই ঠাইলৈ আহো যত আমাৰ লগা লগি হোৱাৰ সম্ভাৱনা আছে। চাইকেলখন ৰখাই ৰাস্তাৰে আহি থকা পৰীক্ষাৰ্থীবোৰলৈ চকু ফুৰাও। প্ৰথম দিন আৰু দ্বিতীয় দিন বিফলে গ'ল। কিন্তু শেষ দিন লগ পালো বহু বন্ধু-বান্ধৱীক। পৰীক্ষা ভাল হ'লেও 'বেয়া' বুলি কোৱাটো আমাৰ স্বভাৱ। সিহঁতেও তাকে ক'লে। কিন্তু শেষ দিনাখনো মোৰ কি হ'ল ? বিফল। নাই প্ৰতীক্ষা নাই। ক'ত গ'ল প্ৰতীক্ষা ?

কৰি সময়বোৰ পাৰ হৈ যায়। কাৰো কথা নুশুনাকৈ। এনেকৈ মোৰ টাৰ্মিনেল পৰীক্ষা আহিল আৰু তাইৰ ৰিপিটাৰ্চ। দুয়োৰে পৰীক্ষাৰ কেন্দ্ৰ দুধনৈ। সেয়ে আশা ৰাখিলো পৰীক্ষা দিবলৈ আহোতে তাইক লগ পাম। কি ভাগ্য তিনিটা পৰীক্ষা শেষ কৰি সেই ঠাইলৈ আহো যত আমাৰ লগা লগি হোৱাৰ সম্ভাৱনা আছে। চাইকেলখন ৰখাই ৰাস্তাৰে আহি থকা পৰীক্ষাৰ্থীবোৰলৈ চকু ফুৰাও। প্ৰথম দিন আৰু দ্বিতীয় দিন বিফলে গ'ল। কিন্তু শেষ দিন লগ পালো বহু বন্ধু-বান্ধৱীক। পৰীক্ষা ভাল হ'লেও 'বেয়া' বুলি কোৱাটো আমাৰ স্বভাৱ। সিহঁতেও তাকে ক'লে। কিন্তু শেষ দিনাখনো মোৰ কি হ'ল ? বিফল। নাই প্ৰতীক্ষা নাই। ক'ত গ'ল প্ৰতীক্ষা ? তাইক চাবলৈ মোৰ হেপাহ বৰকৈ জাগিবলৈ ধৰিলে। তাইক লগ পোৱাৰ হেঁপাহ তাতে মৰহি গ'ল। খুউব বেজাৰ লাগি গ'ল মোৰ। তলমূৰ কৰি ঘৰৰ মানুহ ঘৰলৈ আহিলো। সিদিনা ইমান প্ৰতীক্ষা কৰিও লগ নাপালো প্ৰতীক্ষাক।

পৰীক্ষাৰ পাছত আৰু কলেজ নহয়। ঘৰতে পড়ি থাকো। মনত পৰিলে 'তুমি ক'ত আছা ....' কবিতাফাঁকি লিখো। আৰু কিছু সময় স্মৰণ কৰোঁ। মুৰ্খৰ নিচিনাকৈ বাহিৰা বহীত চিঠিও লিখো। আকৌ বাট চাই ৰৈছো আকৌ লগ পাম বুলি আহি থকা আইথানৰ মেলাত। জানুৱাৰী মাহৰ প্ৰথম সপ্তাহত মেলাটো হয়। দুদিন ভৰ মেলা হয়। বহুত মানুহ গোট খায়। প্ৰতীক্ষাও নিশ্চয় মেলাত আহিব। আৰু লগ পাম। বহুত লগৰীয়াক লগ পালো সেই মেলাত। নৱ-বৰ্ষৰ শুভেচ্ছা জনালো। দ্বিতীয় দিনা আবেলি যথা সময়ত মেলাত উপস্থিত হৈ ঘুৰি আছো। কেৱল প্ৰতীক্ষাৰ প্ৰতীক্ষাত। 'Happy New Year', 'Happy New Year' বুলি বহুজনক নৱ-বৰ্ষৰ শুভেচ্ছা জনাইছো। লগে লগে ক'ৰ সময় ক'ত গ'ল গমেই নাপালো। বেলি ডুবাৰ সময়



হ'ল। কিন্তু প্ৰতীক্ষাক লগ নাপালো। কোনোবাই ক'লে - 'প্ৰতীক্ষাক দেখিচানে নাই ? তাই আহিছে, তোমাক বিচাৰিছিল।' তাৰ মানে প্ৰতীক্ষা মেলাত আৰু নাই। ঘৰলৈ গ'ল। মেলাৰ চৰাই যেন মেলাতে উৰি গ'ল। মই খুউব বেজাৰ পালো। মই তাইক বিচাৰি আছো আৰু তাইও মোক বিচাৰি আছিল। তাৰ মানে তাইৰ আৰু মোৰ মনৰ অৱস্থা একে। তাইৰ প্ৰতি মোৰ মৰম দুগুণে বাঢ়িল কেনেবাকৈ। সেইদিনাই মেলা শেষ। মেলাৰ ৰং মোৰ গাত নপৰিল।

কলেজলৈ গ'লে দেখো- গছৰ তলে তলে যোৰে যোৰে প্ৰেমিক-প্ৰেমিকাক হিয়া দিয়া নিয়া কৰা। যেনিবা প্ৰেম কৰিবলৈহে কলেজত আহিছে। কিছুমানে প্ৰেমিকাক লৈয়ে দাদাগিৰি। সেইবোৰ দেখিলে কেতিয়াবা ভালো লাগে, কেতিয়াবা খঙো উঠে। কেতিয়াবা আওৱাই দিও - 'ৰবা অহা বছৰ; মই প্ৰতীক্ষাৰ লগত .....।' কিন্তু ছিৰিয়াছ নহওঁ। আৰু বোধকৰো যোৰে যোৰে থকাও নহ'ব। তাতে খুৱাও আছে, বাইদেউ আছে। সেয়ে লাজ নামৰ বস্তুটোও আছে।

ফাগুন মাহ। সন্ধিয়াত চাৰিওফালে গুৰুম গুৰুম শব্দ। সেইবিলাক বিয়াৰ ঢোলৰ শব্দ। ফুল ফুলিলে গোন্ধ ওলোৱাৰ দৰে খবৰ পালো তাইৰ বিয়া ঠিক হৈছে। মোৰ ভৰিৰ তলৰ পৰা যেন পৃথিৱীখন আতৰি গ'ল। তথাপিও এতিয়া মই কিবা কৰিব পাৰিম নেকি ? নাই নোৱাৰি। নিজকে সান্ত্বনা দিয়াৰ বাহিৰে মোৰ একো উপায় নাই। বেছি দুখ লাগিছে বিয়ালৈ নমতা বাবে।

সেইদিনা আছিল শুক্ৰবাৰ। বজাৰৰ পৰা আহোতে বন্ধু এজনে কৈছিল যে, সেইদিনাই আমাৰ বান্ধৱী প্ৰতীক্ষাৰ বিয়া। মই খং কৰিছিলো "বন্ধু হিচাপে খবৰ নিদিলে নহয়; আঠমঙ্গলাত নিমন্ত্ৰণ পালেও নাযাওঁ। এবাৰ আগতে খবৰটো পোৱা হ'লে আমি আটায়ে এবাৰ দৰ্শণ দি আহিব পাৰিলোহেঁতেন।" মই অৱশ্যে নাজানো তাইৰ হিয়াত মই আছিলো নে নাই। মই তাইক দুখ দিব নোৱাৰো। তাই বিয়া হোৱাত মই দুখ কৰিব নোৱাৰো। মোৰ বিশ্বাস তাইৰ গিৰীয়েক নিশ্চয় এজন ভাল মানুহ হ'ব।

সেই সন্ধিয়াতে এজনে মোৰ কোঠাত চিডি আৰু টিভি লৈ আহিল। হয়তো সেই সময়ত সেইফালে প্ৰতীক্ষাৰ বিয়া হৈ থাকিব। খুৱাহতে এখন ফিল্ম শেষ কৰি আঁতৰি গ'ল। মই এইবাৰ চিডিখন চলালো। এইবাৰ মই নতুন ফিল্ম চাম। অকলে

চাম। চিনেমাটো আৰম্ভ হ'ল আৰু লগে লগে গান আৰু গানটো-

Honey I need you
Honey I need you

হৰ কিসিকে দিল মে
এক লড়কী কা খ্যায়াল
ৰহতী হ্যে।
কই কেহতা হে, কই চুপাতা হ্যে।

গানটো মোৰ লগত ইমান মিলি গ'ল যে গানটো ঘুৰাই ঘুৰাই শুনিলো। মুখস্থ হৈ গ'ল। চিনেমাখনৰ নামটোৱে অলপমান বেদনা দায়ক। 'হ্য মেইনে ভি প্যাৰ কিয়া হ্যে।' মই ভাবিলো মেৰে দিল মে ভী এক লড়কী কা খ্যায়ল হ্যে। ঔৰ মেই চুপাতা হুঁ।

যিয়ে নহওঁক তাইক ভাল পোৱা মানুহ যিমানেই নাথাকক সেইবোৰ ইমানতে ভংগ। তাই যাৰ লগত বিয়া হ'ব তেওঁৰ লগতে ৰচনা কৰিব লাগিব নতুন জীৱন। ভালপোৱাবোৰ তেতিয়া অতীত হৈ পৰিব।

প্ৰতীক্ষা ৰঙা পাটৰ সাজেৰে বৰ ধুনীয়া জনী হৈ কোলাত কাৰোবাৰ কেচুৱালৈ 'আহিছা' বুলি আদৰণি জনালে। সৰু কোঠাত বহিবলৈ দিলে। চোতালত ৰাইজে ভোজ ভাত খাই আছে। অলপ পিছত তাই আপুৰুগীয়া মাতেৰে তলমূৰ কৰি গিৰীয়েকৰ পৰিচয় দি এফালৰ পৰা হেন্দছেক ল'বলৈ ধৰিলে। তাৰ পাছত দৰাজন আমাৰ সন্মুখতে আৰাম্ চিয়াৰত বহিল। আৰু প্ৰতীক্ষা ? তাই মোৰ কাষতে বেঞ্চত বহিল। একো নোকোৱাকৈ তাইৰ চকু চলচলীয়া হ'ল। মই কাৰো চকুপানী চাব নোৱাৰো। মোৰ কান্দিবলৈ মন গৈছে। বৰ উচ্-পিচ্ কৰিবলৈ ধৰিলো।



আঠমঙ্গলাৰ দিনা তাত উপস্থিত হ'লো। সময় দুপৰীয়া ১.৩০ বাজিছে। হাত-ভৰি ধোৱাৰ অলপ সময়ৰ পাছত দেখিলো যাক মই ওপৰত বাৰে বাৰে লগ পোৱাৰ বাবে চেষ্টা কৰাৰ কথা লিখিছো। প্ৰতীক্ষা ৰঙা পাটৰ সাজেৰে বৰ ধুনীয়া জনী হৈ কোলাত কাৰোবাৰ কেচুৱালৈ 'আহিছা' বুলি আদৰণি জনালে। সৰু কোঠাত বহিবলৈ দিলে। চোতালত ৰাইজে ভোজ ভাত খাই আছে। অলপ পিছত তাই আপুৰুগীয়া মাতেৰে তলমূৰ কৰি গিৰীয়েকৰ পৰিচয় দি এফালৰ পৰা হেন্দছেক ল'বলৈ ধৰিলে। তাৰ পাছত দৰাজন আমাৰ সন্মুখতে আৰাম্ চিয়াৰত বহিল। আৰু প্ৰতীক্ষা ? তাই মোৰ কাষতে বেঞ্চত বহিল। একো নোকোৱাকৈ তাইৰ চকু চলচলীয়া হ'ল। মই কাৰো চকুপানী চাব নোৱাৰো। মোৰ কান্দিবলৈ মন গৈছে। বৰ উচ্-পিচ্ কৰিবলৈ ধৰিলো। দৰাজন বয়সত প্ৰায় তাইৰ সমান হ'ব। ইমান হেনচাম নেদেখিলো সেইদিনা। তেওঁ মেট্ৰিক পাছ কৰিছে, কলেজত নাযায়। ইতিমধ্যে প্ৰতীক্ষা মোৰ কাষতে উচুপি উচুপি কান্দিবলৈ ধৰিলে। মই একো ক'ব পৰা নাই আৰু বন্ধু বৰ্গইও একো কোৱা নাই। মোক চাৰিওফালে বিষাদে আগুৰি ধৰিছে। তাই সঁচাই এই বয়সতে বিয়া হ'লনে ? তাই কিয় বিয়া হ'ল বাৰু ? বিয়া কি তাই জানো বুজিছে ? তাইৰ মাক-দেউতাকে কিয় বিয়া দিলে বাৰু ইমান কোমলীয়া ছোৱালীজনীক ? তাই যৌবনত ভৰি দিছেহে মাথোন। তাই এতিয়া বন্ধুৰ লগত বান্ধৱীৰ লগত হাঁহি ধেমালী কৰাৰ সময় আছিল। বিষাদত মোৰ মন উপচি পৰিল। আমাক বিদায় দিবলৈ তাই গেটলৈ আহিছিল। আমি এৰোতে তাই জোকাৰি জোকাৰি কান্দিছিল। মই ইমান বিষাদ পাইছো যে মোৰ হিয়া লেৰেলি গৈছে আৰু কেতিয়াও যেন ঠন ধৰি নুঠিব। তাই মোৰ কাষতে বহিছে মোৰ কাষতে কান্দিছে। হয়তো কিবা ক'ব বিচাৰিছে। ক'ব নোৱাৰিলে। মোৰো ক'বলগীয়া বহুত কথা আছিল। কিন্তু হ্যায়। কেনেকৈ কওঁ সেইবোৰ কথা। সেইবোৰ অন্তৰৰ কথা, অন্তৰৰ ভাষা আৰু আশা অন্তৰতে শেষ হ'ব। চিৰদিনৰ বাবে। তাই কাহানিও ক'ব নোৱাৰিব। আৰু মইও ক'ব নোৱাৰিম ? ■



# সিদ্ধান্ত

হিতেন ৰায়

*আজিৰ পৰা প্ৰায় বিশ বছৰ আগৰ কথা। মালবিকাই তেতিয়া প্ৰথম বৰ্ষৰ বিজ্ঞান শাখাত নাম লগাইছে। কেইজনমান ল'ৰাই ৰেগিং কৰা বাবে তাই অকলে গছৰ তলত বহি কান্দি আছিল। তেনেতে সঞ্জয়ে তাইৰ কাষ চাপি আহিছিল। সঞ্জয়ো প্ৰথম বৰ্ষত নাম লগাইছে। অৱশ্যে তেতিয়ালৈকে দুয়োৰে ভালকৈ চিনা পৰিচয় হোৱাই নাছিল।*

*'তুমি অকলে অকলে কিয় এনেকৈ কান্দি আছা ?'*

টেবুল ক্লথখন জোকাৰি আৰু কোঠাটোৰ ইটো সিটো বস্তু চিজিল লগাই মালবিকাই এই মাহৰ 'গৰিয়সী'খন হাতত ল'লে। তাইৰ মনটো আজি পুৱাৰ পৰাই বেচ ভাল লাগি আছে। অলপ আগতে তাই কাম কৰা হাইস্কুলখনৰ প্ৰধান শিক্ষক বিনোদ কলিতা আহিছিল। পৰীক্ষাত সৰ্বোচ্চ নম্বৰ পাই পাছ কৰা বাবে তেখেতে বকুলক এখন ডিক্সনাৰী উপহাৰ দিছে। এতিয়াৰ পৰা প্ৰতি দেওবাৰে বকুলক তেওঁৰ ঘৰলৈ যাবলৈ কৈছে। তেওঁ বকুলক অঙ্ক শিকাব। বকুলক এই বছৰ তেখেতে এনেকৈ পঢ়িবলৈ উপদেশ দিছে যাতে সি ষ্টেণ্ড কৰি পাছ কৰিব পাৰে। বকুলৰ ককাকৰো আজি বৰ স্ফুৰ্তি। শ্ৰেণীত প্ৰথম হৈ পাছ কৰা বাবে ককাকে আজি এযোৰ নতুন জোতা আৰু এটা নতুন বেগ কিনি দিব। এতিয়া কলিতাৰ লগত দুয়ো একেলগে বজাৰলৈ ওলাই গৈছে।

বকুল মালবিকাৰ একমাত্ৰ ল'ৰা। সি বৰ শান্ত আৰু অমায়িক। দিনৰ দিনটো সি তাৰ ককাকৰ লগতে থাকে। তাৰ ককাকে ক'ৰবালৈ গ'লে বকুলকো লগতে লৈ যায়। বকুলৰ লগতে থাকিলে যেন তাৰ ককাকো সৰু ল'ৰা এটা হৈ পৰে। মালবিকাই মাজে মাজে সিহঁত কাক-নাতিৰ গল্প-সাধু কথাবোৰ মনে মনে আঁতৰৰ পৰা চাই শুনি থাকে। সিহঁতৰ কথাবোৰ শুনিলে তাইৰো মনত আনন্দ লাগে।

ঘৰটোত প্ৰাণী বুলিবলৈ তেওঁলোক তিনিজনেই। মালবিকাই দৰমহাৰ টকা কেইটাৰে আৰু তাইৰ শহুৰৰ টকাৰে তেওঁলোক বেচ সুখৰেই চলি আছে। অৱশ্যে মাজে মাজে ৰিটেনচন-বাজেট নাহিলে চলিবলৈ কিছু অসুবিধা হয়। কিন্তু এতিয়ালৈকে তেওঁলোকে তেনেকৈ অভাৱত পৰা নাই। ইমান সুখে সন্তোষে থকাৰ পিছতো মালবিকাৰ মনটো মাজে মাজে কিবা এক অজান ভাৱত উদাসীন হৈ পৰে।

হঠাৎ বাহিৰত গাড়ীৰ শব্দ শুনা গ'ল। মালবিকাই লাহেকৈ দুৱাৰখন মেলি বাহিৰলৈ ওলাই আহিল। চোতালত এজন আদহীয়া বয়সৰ মানুহে মটৰ চাইকেলৰ বাকচৰ পৰা পলিথিনৰ বেগ এটা উলিয়াইছে। মালবিকাৰ এনেকুৱা লাগিল যেন মানুহজনক তাই আগতে ক'ৰবাত দেখিছে; কিন্তু ক'ত দেখিছিল মনত পেলাব নোৱাৰিলে। মানুহজনে যেতিয়া মালবিকাৰ ফালে ঘুৰি চালে, মালবিকাই মাত লগালে -

'আহক ভিতৰলৈ আহক।'

মানুহজনে ড্ৰয়িং ৰুমৰ ভিতৰলৈ সোমাই আহি এখন চোফাত বহিলে। মানুহজনক চিনি নোপোৱাৰ বাবে মালবিকাক নিজকে অপ্ৰস্তুত যেন লাগিল। তাই কিছু সময় থিয় হৈ থাকিল।

'আপুনি থিয় হৈ থাকিলে যে, বহক। আপুনি বাৰু মোক চিনি পাইছেনে ? মই নৱনীতাৰ হাচবেণ্ড, বিপ্লৱ।'

'হাঃ আপুনি নবনীতাৰ হাচবেণ্ড! মই সঁচাকৈয়ে আপোনাক ধৰিব পৰা নাছিলো। ভালে আছেনে তাই ? কিমান দিন যে হ'ল তাইক নেদেখা, আপুনি অলপ বহক, মই চাহ আনিছো।

'নাই, নাই, নালাগে বুজিছে। বহুত চাহ খালো। যাৰে ঘৰলৈ যাওঁ সিয়েই চাহ খাবলৈ ......'

'আপুনিয়ো যে আৰু কি কয়। ইমান দিনৰ মূৰত আজি আমাৰ ঘৰলৈ প্ৰথম আহিছে তাকো চাহ নোখোৱাকৈ যাবনে !'

মালবিকা পাকঘৰত সোমালগৈ। অলপ পাছত এখন ট্ৰেত দুকাপ চাহ, প্লেটত চিৰা-দৈ আৰু বিনোদ কলিতাই অনা কেইখনমান বিস্কুট সজাই লৈ ওলাই আহিল।

চাহ খাই খাই দুয়ো কিছু কথা পাতিলে। চাহ খোৱা হ'লত মানুহজনে ৰুমালেৰে হাতখন মচি পলিথিনৰ বেগটোৰ পৰা এখন বগা সেন্দুৰ লগোৱা চিঠি উলিয়াই মালবিকাৰ ফালে আগবঢ়াই দিলে।

'ডাঙৰ ছোৱালীজনীৰ বিয়া পাতিছো ! গ'ম পাইছেনে?'

'বিয়া ! ইমান ডাঙৰ হ'ল আপোনাৰ ছোৱালী। কেতিয়া বিয়া?'

'ফাগুনৰ উনৈশ তাৰিখে। ভাল মানুহ এঘৰেই পাইছো বুজিছে। উঠন ছোৱালী, বঢ়া ভাত, পকা ধান ততালিকে কাট" তলতো আৰু এজনী আছে। গতিকে ভাবিলো সুবিধা পাওঁতে উলিয়াই দিয়াই ভাল।'

'আপুনি মোক বৰ আচৰিত কৰি দিলে বুজিছে। কালি মাত্ৰ গ'লো আপোনালোকৰ বিয়াত, আজি আপোনাৰ ছোৱালীৰ বিয়া।'

'পিছে বিয়াত আটাইকেইজনকে দেখা পাব লাগিব বুজিছে। নবনীতাইতো আপোনাৰ কথা কৈয়ে থাকে, মাজতে ইয়ালৈ দুবাৰ আহিয়ো গৈছে। আপুনিহে এবাৰো যোৱা নাই।'

'কেনেকৈ যাও আপুনিয়ে কওঁকচোন। ইফালে স্কুলৰ ক্লাচৰ ভেজাল, সিফালে ৰন্ধা বঢ়া, দেউতাৰো এতিয়া গা-ভাল নহয়; এটাৰ পিছত এটা অসুবিধা হৈয়েই থাকে।'

কিছুপৰ কথা পতাৰ পিছত মানুহজনে আৰু বেছিপৰ বহিবলৈ ইচ্ছা নকৰিলে। মালবিকাই জোৰ কৰিলে, কিন্তু আৰু কেইখনমান চিঠি বিলাব লগা থকা বাবে মানুহজন যাবলৈ ওলাল। গেটৰ মুখলৈ আগবঢ়াই দি মালবিকাই মানুহজন যোৱালৈ কিছু সময় তন্ময় হৈ চাই থাকিল। ইতিমধ্যে বকুল আৰু তাৰ ককাকে ৰিক্সাৰে সেইখিনি পালে। ৰিক্সাৰ পৰা নামিয়েই বকুলে মাকক ক'লে -

'অ - মা, মা, আজি যে বিনোদ চাৰ আহিছিল, তেওঁয়ো আমাৰ লগতে বজাৰলৈ গৈছিল। এই জোতাযোৰ আৰু বেগটো তেওঁৱেই পছন্দ কৰি দিয়া। মোৰো বৰ ভাল লাগিছে। বিনোদ চাৰ যে ইমান ভাল! নহয় মা?'

মালবিকাই বেগটো আৰু জোতাযোৰলৈ চালে কিন্তু একো নক'লে। তাই শহুৰৰ পৰা শাক-পাচলিৰ মোনাখন ল'লে। ৰিক্সাখনক বিদায় দি তিনিও ঘৰৰ ফালে খোজ আগবঢ়ালে।

ৰাতি ভাত-পানী খাই তিনিও নিজৰ নিজৰ কোঠাত সোমাই পৰিল। মালবিকাই বিপ্লৱে দি যোৱা চিঠিখনত চকু ফুৰালে -

"আমাৰ প্ৰথমা ছোৱালী জোনমণিৰ বিয়া ........"।

"বিবাহ বাসৰ - সোনতলী গাওঁ।"

মালবিকাই চিঠিখন পুনৰ ড্ৰয়াৰত ভৰাই থৈ শুলে, কিন্তু বহু ৰাতিলৈ তাইৰ টোপনি নাহিল। অতীতৰ বহু ঘটনাৰ স্মৃতি এটা এটাকৈ তাইৰ মানস পটত ভাহি উঠিবলৈ ধৰিলে। তাইৰ সোনতলীৰ সঞ্জয়ৰ কথা মনত পৰিল।

আজিৰ পৰা প্ৰায় বিশ বছৰ আগৰ কথা। মালবিকাই তেতিয়া প্ৰথম বৰ্ষৰ বিজ্ঞান শাখাত নাম লগাইছে। কেইজনমান ল'ৰাই ৰেগিং কৰা বাবে তাই অকলে গছৰ তলত বহি কান্দি আছিল। তেনেতে সঞ্জয়ে তাইৰ কায চাপি আহিছিল। সঞ্জয়ো প্ৰথম বৰ্ষত নাম লগাইছে। অৱশ্যে তেতিয়ালৈকে দুয়োৰে ভালকৈ চিনা পৰিচয় হোৱাই নাছিল।

'তুমি অকলে অকলে কিয় এনেকৈ কান্দি আছা ?'

মালবিকাই ওপৰলৈ নাচালে। কেৱল ৰুমালখনেৰে চকুপানীখিনি মচিছিল। সঞ্জয় ওচৰ চাপি অহাত তাইৰ লাজো লাগিছিল মনত কিছু সকাহো পাইছিল। সঞ্জয়ে তপিনাযোৰ মাটিত নলগাকৈ পায়খানা কৰিবলৈ বহাৰ দৰে মালবিকাৰ কাষত বহিছিল।

'মইয়ো ফাৰ্ষ্ট ইয়াৰত পঢ়ো। গতিকে তোমাক তুমি বুলি কোৱা বাবে বেয়া নাপাবা। চোৱা, কলেজত আহিলে এইখিনি হ'বই; তাৰ বাবে এনেকৈ কান্দিব লাগেনে। প্লিজ, বলা কেন্টিনলৈ যাওঁ।'

মালবিকাই সঞ্জয়ৰ ফালে মুৰ তুলি চালে। কিন্তু চকুৰে চকুৰে পৰাত তাই পুনৰ তলমুৰ কৰিলে।

'মোৰ নাম সঞ্জয়। তোমাৰ নামটো কি মোক ক'বানে ?'

মালবিকাই ইমানপৰে একো নোকোৱাকৈয়ে আছিল। সঞ্জয়ে যেতিয়া নামটো সুধিলে তাই মুখ খুলিবলৈ বাধ্য হৈছিল। তাই ঠোকা ঠুকি মাতেৰে কৈছিল -

'মালবিকা, মালবিকা বৰুৱা।'

'মালবিকা, এতিয়াৰ পৰা আমি দুয়ো ক্লাচ ফ্ৰেইণ্ড। প্লিজ, ব'লা এতিয়া কেন্টিনলৈ যাও। তুমি ন'গলে কিন্তু মই খুব বেয়া পাম।'



মালবিকাৰ যাবলৈ ইচ্ছা নাছিল। কিন্তু সঞ্জয়ে জোৰকৈ ধৰাত তাই যাবলৈ বাধ্য হৈছিল।

এয়াই আৰম্ভণি। তাৰ পিছত দুয়ো দুয়োৰে কাৰণে সহজ হৈ পৰিল। সঞ্জয়ৰ কথা বতৰা আৰু ভদ্ৰ আচৰণে মালবিকাক বৰকৈ আকৰ্ষণ কৰিছিল। সঞ্জয়ৰো কিবা এটা কাৰণত মালবিকাক ভাল লাগি গৈছিল। পৰস্পৰৰ মাজত এই আকৰ্ষণ ক্ৰমাৎ বাঢ়িবলৈ ধৰিলে।

তাৰ পিছত দুয়ো একেলগে হায়াৰ ছেকেণ্ডাৰী পাছ কৰিলে। সঞ্জয়ে ফাৰ্ষ্ট ডিভিজন পোৱা বাবে মালবিকাৰ মনতযে সেইদিনা কিমান আনন্দ। সঞ্জয়ে কটন কলেজলৈ বদলি হৈ গ'ল। সি কেমেষ্ট্ৰিত মেজৰ ল'লে। মালবিকাই পাৰচেন্টেজ ক'ম হোৱা বাবে কটনত পঢ়াৰ কথা ভাবিব নোৱাৰিলে। ডিগ্ৰী ছেকেণ্ড ইয়াৰলৈ সিহঁতৰ মাজত চিঠি পত্ৰৰ আদান প্ৰদান চলি থাকিল।

ইতিমধ্যে মালবিকাৰ স্কুলীয়া কালৰে বান্ধৱী নৱনীতাৰ বিয়া ঠিক হৈছিল। তাই গ'ম পাইছিল যে যিখন গাওঁলৈ নৱনীতাৰ বিয়া হ'ব, সেই গাওঁতেই সঞ্জয়ৰ ঘৰ। বহাগৰ মাহ। তাই ভাবিলে সঞ্জয়ে নিশ্চয় গাওঁতে আছে আৰু দৰা যাত্ৰী হৈ সি বিয়ালৈ আহিব। কিন্তু সঞ্জয় অহা নাছিল। সঞ্জয়হঁতৰ গাওঁত দুটা খেল। এটা খেলৰ মানুহে বিয়া-সবাহে আনটো খেলৰ মানুহৰ ঘৰলৈ নাযায়। সঞ্জয়হঁতৰ পৰিয়ালটো আনটো খেলৰ বাবে সি বিয়াত আহিব পৰা নাছিল।

আনফালে নৱনীতাইয়ো বিয়াৰ কেইদিনমান আগৰ পৰাই মালবিকাক তাইৰ লগত যাবলৈ লগ ধৰি আছিল। কিন্তু মালবিকাই দেউতাকৰ পৰা যাবলৈ অনুমতি পোৱা নাছিল। অৱশেষত নৱনীতা আৰু তাই বহুত কাকুতি মিনতি কৰাত আৰু মাকে কৈ দিয়াতহে যাবলৈ পাইছিল।

বিয়া হৈ দৰা ঘৰত গৈ পোৱাৰ পিছত পিছদিনাখন আবেলি নৱনীতাৰ ননদ কুমাৰীকাক লগত লৈ মালবিকাই বাটলৈ ফুৰিব ওলাইছিল। কুমাৰীকাই গাওঁতে নতুনকৈ পতা হায়াৰ ছেকেণ্ডাৰী স্কুলখনত পঢ়িছিল। সঞ্জয়হঁতৰ ঘৰটো ৰাষ্টাৰ পৰাই চাম বুলি সিহঁতে সেইফালে খোজ দিছিল।

সঞ্জয়ে এটা হাফ পেন্ট, এটা আকাশী ৰঙৰ স্পৰ্টিং আৰু মুৰত এটা সেউজীয়া টুপী পিন্ধি ৰাষ্টাৰ কাষৰ ফালে ফুলনিত কাম কৰি আছিল। মালবিকা আৰু কুমাৰীকাই ৰাস্তাৰে গৈ থাকোতে সঞ্জয়ক দেখা পাই নঙলামুখত ৰৈ নমতাকৈ সঞ্জয়ৰ ফালে চাই আছিল। সঞ্জয়ক এনেকৈ ঘৰুৱা সাজত দেখি মালবিকাৰ এক বুজাব নোৱাৰা শিহৰণ মূৰৰ পৰা ভৰিলৈ পাৰ হৈ গৈছিল।

আন এডাল ফুলৰ গুৰি খুচৰি দিব খোজোতেই হঠাৎ মালবিকাক দেখি সঞ্জয়ে চকুৰ আগত ভূত দেখা মানুহৰ দৰে আচৰিত হৈ গৈছিল আৰু লগে লগে সি প্ৰায় আধা চিঞৰিয়েই কৈছিল -

'হাৰে; মালবিকা তুমি! হঠাৎ এনেদৰে ক'ৰ পৰা ওলালাহি। মোক বৰ আচৰিত কৰি দিলা বুজিছা। আহা আমাৰ

ঘৰলৈ যাওঁ।'

মালবিকাই মুখটো জোকালিলে।

'আজি নাযাও দিয়া। তোমাকটো লগ পালোৱেই। তাতে নৱনীতাকো কৈ অহা নাই। তাই আকৌ সিফালে মোক বিচাৰি হায়ৰাণ হ'ব। ইফালে কুমাৰীকাৰো পলম হ'ব।'

'ইহ তুমিয়ো যে আৰু । আমাৰ ঘৰলৈ আহি এইকন বাটৰ পৰাই ঘুৰি যাবানে " - সঞ্জয়ে কৈছিল।

তেতিয়া কুমাৰীকাই মাত লগাইছিল -

'বাইদেউ, মই আপোনাৰ লগত আছো যেতিয়া নবৌয়ে আপোনাক একো নকয়। সঞ্জয়দাৰ ঘৰটো বাটৰ পৰা চাম বুলিয়েতো মোক লগত লৈ আহিছে। ব'লা এতিয়া সঞ্জয়দাৰ ঘৰটো চাই আহিব। বিয়াৰ আগতনো কোন ছোৱালীয়ে দৰাৰ ঘৰ দেখাৰ সুযোগ পায়।'

কুমাৰীকাৰ কথা শুনি মালবিকা ৰঙা চিঙা পৰি গৈছিল। খং উঠিলেও তাইতো কুমাৰীকাক একো ক'ব নোৱাৰে। ভিতৰি ভিতৰি হয়তো তাই ভালেই পাইছিল। তাই তৎক্ষণাত বাটলৈ খোজ দিছিল, কুমাৰীকাক বাটেই নাচালে। কথা শুনি সঞ্জয়ৰো হাঁহি উঠিব খুজিছিল। কিন্তু মালবিকাই লাজ পাই তেনেকৈ গুচি অহাত কুমাৰীকাক কিয় তেনেকৈ ক'ব লাগে বুলি ধমকি দিছিল।

তাৰ পিছত কেইমাহমান গ'ল। মালবিকাৰ ফাইনেল পৰীক্ষা শেষ হৈছিল মাত্ৰ হঠাৎ মালবিকাৰ দেউতাকৰ অসুখ হৈছিল; একেবাৰে ক'মা অৱস্থা। মৰাৰ আগত দেউতাকে মালবিকাৰ বিয়াখন চাই যাব খুজিছিল। গতিকে পাত্ৰ বিচৰাত ধুম ধাম লাগিল। অৱশেষত এজন ভাল পাত্ৰকেই পাইছিল - ল'ৰা ঠিকাদাৰ, বাপেক মাষ্টৰ, মাক ঢুকাইছে আৰু ভনী এজনী আছিল অলপতে বিয়া হৈছে। বিয়াত অসন্মতি দিবৰ উপায় আৰু দেউতাকৰ ইচ্ছাৰ বিৰুদ্ধে যোৱাৰ সাহস মালবিকাৰ নাছিল। এদিন সঞ্জয়ক লগ ধৰি 'মই এতিয়া কি কৰো কোৱা' বুলি সকলো কথা কৈছিল। সঞ্জয়ে কৈছিল -

'চোৱা মালবিকা! তুমি যে মোক তোমাৰ প্ৰাণতকৈয়ো বেছি ভাল পাইছিলা সেই কথা মই নুবুজা নহয়। তোমাকো মই কিমান ভাল পাওঁ সেই কথাও তুমি জানা। আমি ক'ব নোৱাৰাকৈয়ে দুয়ো দুয়োৰে প্ৰতি আকৃষ্ট হৈছো; আৰু ইয়েই হয়তো প্ৰেম। কিন্তু চোৱা মই নিজে একো এটা কৰ্ম সংস্থান নোহোৱাকৈ তোমাক কেনেকৈ এতিয়া বিয়া কৰোৱাৰ কথা ভাবোঁ।

সঞ্জয় ৰৈ গৈছিল। সি কি ক'ব ভাষা বিচাৰি নোপোৱা হ'ল। অলপ পিছত পুনৰ প্ৰকৃতিস্থ হৈ সি কন্দামুৱা ভাবেৰে কৈছিল -

'মালবিকা, তুমি তোমাৰ দেউতাৰ ইচ্ছামতে বিয়াত বহা আৰু দেউতাৰ শেষ ইচ্ছাকন পূৰণ কৰা। প্ৰেম মানেই যে বিয়া হ'বই লাগিব সেইটো নিশ্চয় নহয়। গোটেই জীৱন মই তোমাৰ বন্ধু হিচাপে থাকিম। ই জনমত নহ'লেও অহা জনমত নিশ্চয় আমাৰ মিলন হ'ব।'

সঞ্জয় বাকৰুদ্ধ হৈ গৈছিল। সি আৰু একো ক'ব পৰা নাছিল। মালবিকাই সঞ্জয়ৰ বুকুত মুখটো গুজি দিছিল। তায়ো একো ক'ব পৰা নাছিল। সঞ্জয়ৰ চকুপানী মালবিকাৰ শিৰত পৰিছিল। মালবিকাই সেইদিনাই প্ৰথম সঞ্জয়ৰ চকুত চকু পানী দেখিছিল।

হঠাৎ সপোনত ভয় খোৱা মানুহৰ দৰে চক্ খাই মালবিকাই বিচনাত বহিল। তাৰ পিছত বিচনাৰ পৰা নামি বেৰত ওলোমাই থোৱা ফটো এখনৰ ফালে তাই আগুৱাই গ'ল। বকুলৰ জন্মৰ এবছৰ পূৰ্ণ নোহোৱাতেই উগ্ৰপন্থীয়ে অপহৰণ কৰি নি দাবী কৰা ধনখিনি দিব নোৱাৰা বাবে হত্যা কৰা বকুলৰ দেউতাকৰ ফটোখনলৈ একেথৰে বহু সময় চাই থাকিল। নানান ধৰণৰ ভাব-চিন্তাই তাইৰ মনত দোলা দি যাব ধৰিলে। তাইৰ এনেকুৱা ভাব আহিল, তাইৰ জীৱনটো যেন অথলে গ'ল। তাই যেন মিছাতে জীয়াই আছে। মালবিকাৰ দুগালেৰে দুধাৰী চকুলো বাগৰি আহিল।

তাই এইবাৰ ধীৰ গম্ভীৰ ভাবে ঘৰটোৰ মাজৰ বেৰৰ আধা খোল খাই থকা দুৱাৰখনেৰে আনটো কোঠালীলৈ খোজ ল'লে। যোৱা বছৰৰ পৰা বকুলে এইটো কোঠালীত অকলে থাকিবলৈ লৈছে। পোন্ধৰ ৱাট ক্ষমতাৰ ইলেকট্ৰিক টেবুল লেম্পটোৰ ক্ষীণ সেউজীয়া পোহৰত কোঠালীটো যেন সেমেকা হৈ আছে। তাই জুমি জুমি বিচনাখনলৈ চালে। বকুলৰ কোনো সাৰ-সুৰ নাই। কেৱল বুকুখন উঠা নমা কৰি আছে। সি এইবাৰ টেনত উঠিছে। অহা বছৰ এনেকুৱা দিনতে সি মেট্ৰিক দিব। স্কুলৰ সকলোৱে তাক মৰম কৰে। একমাত্ৰ তাৰ ওপৰতেই মালবিকাৰ বহুত আশা বহুত কল্পনা। দেউতাক নোহোৱা ল'ৰাটোলৈ মালবিকাৰ মৰম উপচি গ'ল। তাই আলফুলে তাৰ মূৰটো গাৰুৰ ওপৰত ভালকৈ তুলি দি বিষাদ মনেৰে পুনৰ নিজৰ কোঠালৈ ঘুৰি আহিল।

মালবিকাই বিচনাত পুনৰ শুলে। কিন্তু টোপনি যাবলৈ বহুত চেষ্টা কৰিও তাইৰ টোপনি নাহিল।

সেই সময়তে মালবিকাই সিদ্ধান্ত ল'লে যে তাই নৱনীতাৰ জীয়েক জোনমনিৰ বিয়ালৈ নাযায়। ■

# অবুজ বেদনা



'জোনাকী' - কি এটা সুন্দৰ নাম।

নামটোৰেই মোৰ বাবে সুৰসংপৃক্তৰ ছন্দ যেন লাগে। মই যিখন কলেজত পঢ়ো সেইখন কলেজৰে ছাত্ৰী এজনীৰ নাম জোনাকী। প্ৰথম দৰ্শণতে জোনাকীৰ ৰূপে মোক আকৰ্ষণ কৰিছিল। মোৰ এনেকুৱা লাগিছিল ৰূপ নহয় যেন একুৰা জুই। সেই ৰূপৰ বৰ্ণনা দিবলৈ মোৰ ভাষা নাই পৃথিৱীৰ কোনো কবিৰ ওচৰতো বোধহয় তেনে কোনো শব্দ নাই, যাৰ দ্বাৰা জোনাকীৰ ৰূপ বৰ্ণনা কৰা সম্ভৱ। জোনাকীৰ চকু দুটা আছিল অসাধাৰণ। কি এক অদ্ভুত আছিল সেই চকু দুটাত - সেই আকৰ্ষণে মোক যেন শিলীভূত কৰি ৰাখিছিল, দেহৰ সমস্ত শক্তি যেন জোনাকীৰ ৰূপে শুহি নিছিল।

মই সুযোগ বিচাৰিলো জোনাকীৰ কাষ চাপিবলৈ, জোনাকীৰ লগত বন্ধুত্ব স্থাপন কৰিবলৈ। প্ৰথমতে দূৰে দূৰে লক্ষ্য কৰিলো জোনকীক। জোনাকী ছোৱালীজনী যদিও ৰাংঢালী, সৰবৰাহী কিন্তু সহজে তাই যাৰে তাৰে লগত কথা নাপাতিছিল, সহজে কাৰো সান্নিধ্যতো আহিব নিবিচাৰিছিল। কিন্তু ময়ো সহজে হাৰ মনা বিধৰ নহয়। জোনাকীৰ অলক্ষিতে মই তাইৰ পিছে পিছে থাকিলো।

*জোনাকীৰ চকু দুটা আছিল অসাধাৰণ। কি এক অদ্ভুত আছিল সেই চকু দুটাত - সেই আকৰ্ষণে মোক যেন শিলীভূত কৰি ৰাখিছিল, দেহৰ সমস্ত শক্তি যেন জোনাকীৰ ৰূপে শুহি নিছিল।*

দিলীপ কুমাৰ ৰাভা
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ (কলা)

এদিন সুযোগ পালো জোনাকীৰ লগত প্ৰথম কথা পতাৰ। সুযোগ অৱশ্যে জোনাকীৰ ফালৰ পৰা আহিল, মই ক্লাছ ৰুমত বহি আছিলো। সেই সময়ত জোনাকী দুজনী বান্ধৱীৰে সৈতে ক্লাছৰুমলৈ আহিছিল। বান্ধৱী দুজনীৰ এজনী মোৰ আগৰে চিনাকী। তাই মোক দেখাৰ লগে লগে মোৰ ওচৰলৈ আহিল আৰু মোক সুধিলে - কি কৰিছা দিপু ? বান্ধৱীজনী অৰ্থাৎ পম্পিয়ে ক'লে। এয়া এনেয়ে বহি আছোঁ। তই ? মই কেৰাহিকৈ এবাৰ জোনাকীলৈ চাই সুধিলোঁ। জোনাকীয়ে কাৰোবাক বিচাৰি আহিছে. তাইৰ লগতে আহিলো। - পম্পিয়ে ক'লে। কোন জোনাকী মই নজনাৰ ভাও ধৰি সুধিলো। জোনাকীক তুমি চিনি নোপোৱা ? - পম্পিয়ে যেন আচৰিত হ'ল। মই মুৰ জোঁকাৰিলো আৰু পম্পিয়ে মোক জোনাকীৰ লগত চিনাকী কৰি দিলে।

সেয়াই আৰম্ভণী। জোনাকীৰ লগত চিনাকী হৈয়ো মোৰ এনেকুৱা লাগিল। তাইৰ মন পৰশা হাঁহি মুগ্ধ বাৰ্তাই সঁচাকৈয়ে মোৰ মন মোহিত কৰিলে। মই জোনাকীক প্ৰেমৰ এনাজৰীৰে আকোৱালি ল'ব বিচাৰিলো। কিন্তু জোনাকীয়ে মোৰ হৃদয়ৰ সমস্ত বুজিবলৈ চেষ্টা নকৰিলে। মই মাথো ব্যাকুল হৈ নীৰৱতাৰ মাজত বৈ থাকিলো। তেতিয়া মোৰ মনত কিছুমান প্ৰশ্ন জাগে - ভালপোৱা কি ? জীৱনৰ অৰ্থ কি ? বিশ্ব সৃষ্টিৰ মূল উদ্দেশ্য কি ? মানুহৰ মৃত্যু পিছত কি হয় ? বোধহয় এইবোৰ প্ৰশ্নৰ কোনো উত্তৰ নাই। এনেকুৱা প্ৰশ্নবোৰে আহি মোক আগুৰি ধৰিলে, কিন্তু সম্পূৰ্ণ সমাধান এটাৰো নাই। সকলো চিন্তা মুৰৰ পৰা উলিয়াই দিলো আৰু এতিয়া শুবলৈ চেষ্টা কৰিলো বুলি কিমান ৰাতি যে বিচনাত চকু মুদিলো ! তথাপিতো মোৰ টোপনি নাহে।

কি দৰকাৰ আছিল মোৰ জোনাকীক ভাল পাবলৈ ? প্ৰশ্নটো ভাল পোৱা বা প্ৰেমেই নহয়। ক'ব গ'লে জোনাকীয়ে লাহে লাহে মোহ লগাকৈ কথা কয়। যেন প্ৰতিযাৰ কথাই এজনী লাহি গাৰ ন-কইনা হৈ খোজকাঢ়ে। কথাৰ মাজে মাজে তাই মনৰ তলি উদঙাই হাঁহে। তাইক মই ভাল পাওঁ, প্ৰেমৰ প্ৰস্তাৱ

> *প্ৰেমৰ মাজত থাকে শৰীৰ নে শৰীৰে ধাৰণ কৰা প্ৰেম ? যাৰ ওপৰত ভিত্তি কৰি জোনাকীৰ মাজত মোৰ প্ৰেমৰ সূত্ৰপাত হৈছিল সেয়া আছিল জোনাকীৰ হাঁহিটো। এনেকুৱা হাঁহিটো মই বহু ছোৱালীৰ দেখিছোঁ।*

দিছিলোঁ। কিন্তু জোনাকীয়ে মোৰ প্ৰেমৰ প্ৰস্তাৱ প্ৰত্যাখ্যান কৰিলে। জোনাকীৰ গাৰ ৰংটোৰ লগত মিহলি হৈ থকা এই গুণটোৰ বাবে মই মুগ্ধ হ'লো। মই এতিয়া ভাবো জোনাকীৰ কথাৰ গোটেই মুখমণ্ডল হাঁহি উঠা গুণটোহে ভাল লাগিছিল, কিন্তু মোৰ গোটেই জোনাকীজনীক ভাল পোৱাৰ তাড়না জাগিল কিয় ? যেন যিমানেই জীৱনৰ বিকাশ হয় ঠিক সেই পৰিমাণে যন্ত্ৰণা বাঢ়ে। কিয় ? কেইদিনমানৰ পৰা মই তাকে বিচাৰি চলাথ কৰিছোঁ। আচলতে মোৰ জোনাকীৰ প্ৰতি থকা নানা অভিমান, ৰাতি সপোনত দেখা পিছদিনা পুৱাতে টুথ ব্ৰাছডাল হাতত লৈ তাইক চাবলৈ যোৱাৰ উন্মুখ আশা, এদিনত তিনি চাৰিবাৰ লগ ধৰিবলৈ আৰু এই সকলোবোৰৰ আঁৰৰ সেই অন্তহীন ৰহস্য সমস্ত আশাবোৰ শীত গ'লে বসন্ত অহাৰ দৰে।

প্ৰেমৰ মাজত থাকে শৰীৰ নে শৰীৰে ধাৰণ কৰা প্ৰেম ? যাৰ ওপৰত ভিত্তি কৰি জোনাকীৰ মাজত মোৰ প্ৰেমৰ সূত্ৰপাত হৈছিল সেয়া আছিল জোনাকীৰ হাঁহিটো। এনেকুৱা হাঁহিটো মই বহু ছোৱালীৰ দেখিছোঁ। নিঃসন্দেহে জোনাকীৰ সৰলতা তাইৰ কথা কোৱাৰ ষ্টাইল বা তাইৰ যুক্তিবাদী মন নতুবা তাইৰ স্পৰ্শত ভাল লাগিবলৈ আৰম্ভ কৰিছিল।

চোৱা জোনাকী, তুমি বুজিবলৈ চেষ্টা কৰা। তুমি মোৰ ইন্সপিৰেচন। দোষটোৰ পৰা পৰিতাপ পাবৰ বাবে দিপু অৰ্থাৎ মই কথাখিনি ক'লো। থৈ দিয়া তোমাৰ ইন্সপিৰেচন কিমানজনীক বা তোমাৰ ইন্সপিৰেচন কৰি ৰাখিবা চকু দুটা বহল কৰি জোনাকীয়ে মোৰ পিনে চাই কৈছিল। জোনাকী আচলতে মই প্ৰেমৰ প্ৰস্তাৱটো তোমাক বেয়া বা দুখ পাবৰ বাবে দিয়া নাছিলো। মই তোমাক ভাল পাওঁ। তাত কোনো মোৰ দোষ নাই। মানুহৰ জীৱনত এইবোৰ হয়। বিশেষকৈ কলেজীয়া ডেকা অৱস্থাত। মনৰ সুখ-দুখৰ বতৰা বিনিময় কৰিবৰ বাবে মানুহে প্ৰেম কৰে। তেতিয়া জোনাকীয়ে ক'লে কিন্তু ..। কিন্তু প্ৰেম, অনুভূতি, ভালপোৱাৰ মাজত বহুতো কিন্তু থাকে অৱশেষত এই কিন্তুবোৰ নাইকীয়া হৈ প্ৰেমবোৰহে ৰৈ যায়। জোনাকীয়ে অলপ



সময় নীৰৱতাৰ মাজত স্থিৰ হৈ ৰ'ল। তাই চাগে মনতে বহু কথা ভাবিলে আৰু শেষত মোৰ প্ৰস্তাৱত সঁহাৰি দিলে।

পিছদিনা পুৱাতে মই টুথ ব্ৰাছডাল মুখত লৈ পদুলি মুখলৈ ফুৰিবলৈ ওলাই গ'লো। পাতল আকাশী চুৰিদাৰ পিন্ধি পৰিচিতা ছোৱালী এজনীক ৰাস্তাৰে গৈ থকা মই দেখিলো। পাতল আকাশী ৰংটো মোৰ প্ৰিয় তাৰোপৰি আমাৰ কলেজৰ ইউনিফ্ৰম।



*এদিন মোৰ অন্তৰংগ বন্ধু এজনে কৈছিল - দিপু, জোনাকী আৰু তোৰ মাজত যিটো প্ৰেম চলি আছে, সেইটো কিন্তু মই তোৰ প্ৰকৃত প্ৰেম বুলি ধৰি ল'ব নোৱাৰো। কাৰণ এই নষ্ট চৰিত্ৰৰ ছোৱালীবোৰৰ বাবে দেশখন নষ্ট হ'ল, সমাজখন নষ্ট হ'ল। বন্ধুজনৰ কথা শুনি মোৰ মুৰটো গৰম হৈ গ'ল। মই খণ্ডত চিঞৰি উঠিলো। নষ্ট চৰিত্ৰ কাৰ ? জোনাকীৰ নষ্ট চৰিত্ৰ বুলি তুমি কেনেকৈ জানা ? পিছত মই বন্ধুজনক ক'লো - ইংৰাজীত এষাৰ কথা আছে,*

*True love can never die*

*প্ৰকৃত প্ৰেমৰ মৃত্যু নাই।*

জোনাকীয়ে বেছিভাগ পাতল আকাশী ৰঙৰ চুৰিদাৰ পিন্ধি কলেজলৈ আহিছিল। জোনাকীয়ে কলেজলৈ যি পোচাকে পিন্ধি নাহক, সেই পোচাকতে জোনাকীক ধুনীয়া লাগে । জোনাকীয়ে চুৰিদাৰ কামিজ পিন্ধাৰ উপৰিও মাজে সময়ে শাড়ী, মেখেলা-চাদৰো পিন্ধি আহে। সেইদিনা জোনাকীয়ে এযোৰ ধুনীয়া গুলাপী ৰঙৰ চুৰিদাৰ পিন্ধি আহিছিল। অফ-পিৰিয়ডত আমি দুয়ো কলেজৰ লাইব্ৰেৰীত গৈ বহিছিলো। মই ক'লো এই চুৰিদাৰখনৰ সৈতে তোমাক মানে বেছ ধুনীয়া লাগিছে। এইখন চুৰিদাৰ মই মৰমতে নিপিন্ধো। এই চুৰিদাৰখন ভিনিয়ে দিছিল। নিশ্চয় বহুত দামৰ চুৰিদাৰ ? মই চুৰিদাৰখনৰ উৰুণাটো ধৰি লিৰিকি-বিদাৰি চাই সুধিলো। বহুত দামৰ ? তুমি জীৱনত কেতিয়াও চুৰিদাৰ কিনা নাই নেকি ? জোৰেৰে হাঁহি উঠিল দিপুৰে, মই চুৰিদাৰ কালৈ কিনিম ? তুমি বিৰাট ধনী ঘৰৰ ছোৱালী বুলি ভাবিছা নেকি ? জোনাকীৰ কণ্ঠস্বৰ হঠাৎ যেন গম্ভীৰ হৈ পৰিল। জোনাকী তোমাৰ খং উঠিল নেকি ? মই কিন্তু তোমাৰ খং উঠাবৰ বাবে কোৱা নাছিলো। তোমাৰ চুৰিদাৰখন দামীয়ে হওঁক বা কম দামীয়ে হওঁক, এইখন চুৰিদাৰেৰে তোমাক কিন্তু সাইলাখ মাধুৰী যেন লাগিছে। জোনাকীয়ে হাঁহিলে। কিয় হাঁহিলা ? মই সুধিলো। তুমি যিখন চুৰিদাৰৰ কথা কৈছা সেইখন কিন্তু মাৰ পছন্দ নহয়। আমি কিবা এটা বস্তু ভাল কাৰণে আকাংক্ষা নকৰো, আমি আকাংক্ষা কৰা কাৰণেহে বস্তুটো ভাল। তাৰমানে তুমি মোক আকাংক্ষা কৰা কাৰণেহে মই তোমাৰ বাবে সুন্দৰ ? জোনাকীয়ে হাঁহি প্ৰশ্ন কৰিলে। তোমাক আকাংক্ষা নকৰিলেও তুমি সুন্দৰ। মোৰ এতিয়া সমগ্ৰ চেতনা জুৰি তোমাৰ প্ৰেম। মই যেতিয়া অকলশৰে থাকো আপোন বিভোৰ হৈ নীৰবে তোমাকেই ভাবো।

জোনাকী আৰু মোৰ প্ৰেমৰ বিষয়ে কলেজৰ প্ৰায় সকলো ল'ৰা-ছোৱালীয়ে জানিছিল। এদিন মোৰ অন্তৰংগ বন্ধু এজনে কৈছিল - দিপু, জোনাকী আৰু তোৰ মাজত যিটো প্ৰেম চলি আছে, সেইটো কিন্তু মই তোৰ প্ৰকৃত প্ৰেম বুলি ধৰি ল'ব নোৱাৰো। কাৰণ এই নষ্ট চৰিত্ৰৰ ছোৱালীবোৰৰ বাবে দেশখন নষ্ট হ'ল, সমাজখন নষ্ট হ'ল। বন্ধুজনৰ কথা শুনি মোৰ মুৰটো গৰম হৈ গ'ল। মই খণ্ডত চিঞৰি উঠিলো। নষ্ট চৰিত্ৰ কাৰ ? জোনাকীৰ নষ্ট চৰিত্ৰ বুলি তুমি কেনেকৈ জানা ? পিছত মই বন্ধুজনক ক'লো - ইংৰাজীত এষাৰ কথা আছে, True love can never die প্ৰকৃত প্ৰেমৰ মৃত্যু নাই। এইখিনি কৈ মই বন্ধুজনৰ ওপৰত খং কৰি তাৰপৰা আহিলোঁ। বন্ধুজনে শেষত এষাৰ কথা কৈছিল। মই ভাল কথা ক'লো কাৰণে তোৰ খং উঠিল, এদিন উপলব্ধি কৰিবি। আজি তোৰ কাৰো কথাত ভাল নালাগিব। প্ৰেমে তোক অন্ধ কৰি ৰাখিছে। কিন্তু এটা কথা মনত ৰাখিবি; বেছি ভালপোৱাৰ মাজতে ঘৃণাৰ জন্ম হয়।

মই আচৰিত হৈছিলো বন্ধুজনৰ সেই কথা আখৰে-আখৰে ফলিওৱাত। হয়তো মোৰ প্ৰতি বন্ধুজনৰ সেয়া অভিশাপেই আছিল। জোনাকীৰ প্ৰতি মোৰ দুৰন্ত ভালপোৱাৰ মাজতে ঘৃণাৰ জন্ম হৈছিল।

নাজানো, সময়ে যে মোৰ ওপৰত এনেদৰে প্ৰতিশোধ ল'ব মই ভাবিবই পৰা নাছিলো। দিনবোৰ প্ৰথমে ভালেই চলি আছিল। জোনাকীক লৈ মই বহুতো সপোন দেখিছিলো। জোনাকীৰ শৰীৰৰ এটা মিঠা কামনাৰ গোন্ধ উৰি আহি মোৰ নাকত লাগেহি। মোৰ সমগ্ৰ চেতনাজুৰি জোনাকীৰ প্ৰেম। ভাবো, জোনাকী একান্ত ভাবেই মোৰ। ইয়াত আন কাৰো অধিকাৰ নাই। সাধাৰণ এটা সৰু ঘৰ জোনাকী মই আৰু আমাৰ পৃথিৱী। কিন্তু নিমিষতে চুৰমাৰ হৈ গ'ল মোৰ সকলো কল্পনা। টকাই সকলো নেকি ? মই বৰ দুখীয়া ঘৰৰ ল'ৰা। জোনাকীয়ে মোৰ অৱস্থাৰ বিষয়ে সকলো জানিছিল মোৰ হাতত তেতিয়া টকা-পইচা নাছিল। দৰিদ্ৰ হৈ জন্ম লাভ কৰাটো যে কিমান ডাঙৰ অপৰাধ এতিয়াহে মই উপলব্ধি কৰিব পাৰিছো। — টকা-পইচা নথকাটোৱেই আটাইতকৈ ডাঙৰ অপৰাধ মানুহৰ জীৱনত।

সদায় অপেক্ষা কৰাৰ দৰে সেইদিনাও মই কলেজৰ

সন্মুখত থকা সুন্দৰ দলংখনৰ কাষতে মই বৈ আছিলো। জোনাকী সদায় চাইকেলেৰে কলেজলৈ আহে। সেইদিনা আকৌ আন দিনাতকৈ পলম কৰিছিল জোনাকীয়ে। ঠিক সেই সময়তে এজন ল'ৰাৰ চাইকেলত উঠি অহা দেখিলো। মই ধৰি ল'লো জোনাকীয়ে নিশ্চয় চাইকেল অনা নাই। মই দলংখনৰ ওপৰেৰে আগবাঢ়ি গ'লো। মোক দেখাৰ লগে লগে জোনাকীয়ে চাইকেলৰ পৰা নামি আহি ক'লে - আহা, তোমাৰ লগত এজনক চিনাকী কৰাই দিওঁ। মই ল'ৰাজনক চিনি পাওঁ, এইখন কলেজতে পঢ়ে, অৰ্থাৎ মোতকৈ এক ক্লাছ ওপৰত। ল'ৰাজনৰ ঘৰৰ অৱস্থা খুব ভাল আৰু দেখিবলৈও বৰ ধুনীয়া। জোনাকীয়ে ল'ৰাজনক উদ্দ্যেশি মাত লগালে - কি হ'ল আকাশদা ? মই জানো ল'ৰাজনৰ নাম যে আকাশ। ল'ৰাজন নিশ্চয় জোনাকীৰ বন্ধু নাইবা কোনো আত্মীয় হ'ব লাগিব। আকাশেই ক'লে ব'লা সেই পুখুৰী পাৰৰ গছজোপাৰ তলত বহোঁগৈ। জোনাকীয়ে আকাশৰ কথাত সঁহাৰি জনাই ক'লে ব'লা। আমি তিনিও গৈ গছজোপাৰ তলত বহিলো। জোনাকী আকাশৰ কাষতে বহিল। সেয়া মোৰ বাবে এক অসহনীয় পৰিবেশ। সামান্য কথাতে জোনাকী হাঁহি হাঁহি ঢলি পৰে আকাশৰ গাত।

প্ৰায় আধাঘন্টামান পিছত জোনাকীয়ে ক'লে ইচ্ দেখিছা! মই যে কি পাগল। চিনাকি কৰি দিবলৈ পাহৰিয়ে গৈছিলো। তাৰ পিছত মোৰ ফালে চাই ক'লে - এওঁ আকাশদা, আকাশ শৰ্মা, মোৰ আত্মীয়। জোনাকীৰ কথা শেষ নৌহওঁতেই মই অশান্তি প্ৰকাশ কৰি ক'লো, মোৰ ভাল লগা নাই; মই ইয়াৰ পৰা যাওঁ; কেতিয়াবা তোমাৰ লগত বহিম। সেয়া কেনেকৈ হ'ব ? গছজোপাৰ তলত বহি বৰ ধুনীয়া লাগিছে। হয়নে নহয় জানো ? আকাশে জোনাকীৰ ফালে চাই ঢলি হাঁহি এটা মাৰি সুধিলে। জোনাকীয়ে কৃত্ৰিম হাঁহি এটা মাৰি ক'লে - হয়, হয় বহা আৰু অলপ সময়। আকাশৰ মুখত 'জোনা' শব্দটো শুনি মোৰ শৰীৰ এফালৰ পৰা দহি অহা যেন লাগিল। মই তাত বিশেষ কথা নাপাতিলো। আকাশে এনেকৈ আমাৰ দুয়োৰে মাজলৈ আহিল। মোৰ প্ৰেম, মোৰ ভালপোৱা, মোৰ আন্তৰিকতা - এই সকলোবোৰেই মূল্যহীন হৈ পৰিল জোনাকীৰ ওচৰত।

আকাশৰ সৈতে চিনাকি মোৰ প্ৰায় দুই মাহ মানেই হ'ল। আনহাতে জোনাকী আৰু মোৰ প্ৰেমৰ সম্পৰ্ক ডেৰ বছৰ হ'ল। এদিন মই কলেজৰ ক্লাছৰ পৰা ওলাই কেন্টিনত চাহৰ অৰ্ডাৰ দি বহি আছিলো, ঠিক সেই সময়তে মোৰ সহপাঠী বন্ধু ৰমেশ আহি মোৰ লগত বহিল আৰু একাপ চাহ ৰমেশক দিবলৈ ক'লো। পিছে ইয়াত তই অক'লে যে ? জোনাকীৰ খবৰ কি ?



মোৰ ভাল [লগা] নাই; মই ইয়াৰ পৰা [যা]ওঁ; কেতিয়াবা তোমাৰ লগত বহিম। সেয়া কেনেকৈ হ'ব ? গছজোপাৰ তলত বহি বৰ ধুনীয়া লাগিছে। নহয় জানো ? আকাশে জোনাকীৰ ফালে চাই ঢলি হাঁহি এটা মাৰি সুধিলে। জোনাকীয়ে কৃত্ৰিম হাঁহি এটা মাৰি ক'লে - হয়, হয় বহা আৰু অলপ সময়। আকাশৰ মুখত 'জোনা' শব্দটো শুনি মোৰ শৰীৰ এফালৰ পৰা দহি অহা যেন লাগিল।

ৰমেশেই সুধিলে। এইবোৰ কথা কৈ মোক কিয় অপমান কৰিব বিচাৰিছ ৰমেশ ? মোৰ কথা শুনি ৰমেশ আচৰিত হ'ল। সি বিস্ময়ৰে প্ৰশ্ন কৰিলে, অপমান ? তোক নো মই ক'ত অপমান কৰিলোঁ, মই কেৱল তোৰ জোনাকীৰ কথাহে সুধিলো। নাই, জোনাকী এতিয়া আকাশৰ অধীনত। সেই যে অহংকাৰীটো ......................।

মোক ক্ষমা কৰিবি দিপু, ৰমেশে ক'লে - সঁচাকৈয়ে মই বিশ্বাস কৰিব পৰা নাই। তোৰ ভাল পোৱা পায়ো কোনো নাৰীয়ে যে এৰি যাব পাৰে। সেয়া মই বিশ্বাস কৰিব পৰা নাই।

মই কোনো উত্তৰ নিদিলো। ৰমেশেই অবাক বিস্ময়ৰে মোৰ মুখলৈ চাই ৰ'ল। মই গম্ভীৰভাৱে কেন্টিনৰ পৰা ওলাই আহিলো। নোপোৱাৰ বেদনাতকৈ পাই হেৰুওৱাৰ বেদনা অতি ভয়াবহ। জোনাকীক হেৰুওৱাৰ দুখ মই সহ্য কৰিব পৰা নাছিলো। মই সততে জোনাকীৰ স্মৃতি আৰু কল্পনাৰ স'তে খুন্দা খাওঁ বাটে-পথে, শয়নে-সপোনে। লক্ষজনৰ মাজত থাকিও মই মাথোঁ জোনাকীৰ কথাই ভাবো। পিছদিনা কলেজলৈ গৈ জোনাকীক লগ ধৰিলোঁ আৰু ক'লো এটা কথা জানিবৰ বাবে মই তোমাৰ ওচৰলৈ আহিলোঁ। মোৰ দোষটোনো কি তুমি ক'বানে ? মই প্ৰশ্ন কৰিলোঁ। মানে ? জোনাকী যেন অবাক হ'ল। তুমি মোৰ জীৱনৰ পৰা কিয় আঁতৰি গ'লা ? জোনাকী আকাশৰ সৈতে তোমাৰ মাত্ৰ দুই-তিনিদিনৰ চিনাকি কিন্তু মোৰ অপৰাধটো কি বুজাই ক'বানে ? মই অৰ্থশীল নহয়, টকা-পইচা নাই এইটোৰেই মোৰ দোষ নেকি ? জোনাকীয়ে কোনো উত্তৰ নিদি মোৰ মুখলৈ চাই ৰ'ল। মই আৰু ক'লো দীৰ্ঘদিনৰ ভালপোৱাৰ জানো কোনো মূল্য নাই ? কথাখিনি কৈ মই জোনাকীলৈ এক দৃষ্টিৰে চাই ৰ'লো কিবা এক উত্তৰৰ আশাত।

# ৰুদ্ধ হৃদয়



পল্লৱে বিচনাৰপৰা উঠি বাহিৰিলৈ চাই পঠিয়ালে। সি দেখিলে সূৰ্য্য এতিয়াও ওলোৱা নাই। এই বোৱাৰী পুঁৱাতে তাক বাৰু উঠিবলৈ কিহে পাইছিল সি নিজকে নিজে ক'লে। এইবাৰ সি পদুলি মুখলৈকে ওলাই আহিল।

শীতৰ হিমে ধোৱা ৰাতিপুৱা। জীৱনলৈ নতুন শক্তিৰ সঞ্চাৰ হোৱা ৰাতিপুৱা। পল্লৱে নভৱাকৈয়ে পূবৰ আকাশখনলৈ চালে আৰু দেখিলে সূৰ্য্যটো ৰঙচুৱা হৈ ওলাই আহিব ধৰিছে। গাভৰু দেহৰ উম লগা ৰ'দ জাক কুঁৱলী ফালি ওলাই আহিছিল। ৰিব্ ৰিব্ কৈ বৈ থকা সেমেকা বতাহজাকৰ চোক দুৰ্বল হৈ আহিছিল। সেই বতাহত গছৰ পাতবোৰ কঁপিছিল আৰু পাতত লাগি থকা নিয়ৰবোৰ মুকুটাৰ দৰে জিলিকিছিল আৰু সেইবোৰ টপৰ টপৰকৈ সৰি পৰিছিল। তাৰ গাটো এবাৰ নিজে নিজেই জিকাৰ খাই গ'ল আৰু ভাবিলে এই নিস্তব্ধ নিকৰুণ ৰাতিপুৱাৰ দৃশ্যবোৰ যেন সকলোৱে দেখিবলৈ নাপায়। তাৰো যেন এয়া প্ৰথম অভিজ্ঞতা।

জীৱনৰ আৱৰ্ত্তত উঠি উভতি চালে ধূসৰ অতীতটোৱে তাক আৱৰি ধৰে আৰু সেই মিঠা লগা স্মৃতিবোৰে তাৰ মনলৈ বিষাদৰ ছাঁ কঢ়িয়াই আনে। ভালপোৱাৰ বেদনাই তাক উদ্বাউল কৰি তোলে। কেতিয়াবা সি অকলশৰে বহি থাকিলে অতীতৰ কিছুমান কথাই তাক জুমুৰি দি ধৰে। অতীত অতীতেই সি বৰ্তমানত ঠাই নাপায়; কিন্তু অতীতক বৰ্তমানে আঁকোৱালী নল'লে অতীতবোৰ এদিন হয়তো সময় সোঁতত উটি যাব সি নিজকে নিজে ক'লে। অন্তৰৰ কথাবোৰ শুনাৰ বাবে আজি তাৰ ওচৰত পৰী নাই। এই নিতাল মাৰি শুই থকা নীৰৱ ৰাতিপুৱাটোৱেই তাৰ বাবে শ্ৰোতা। মৰম, প্ৰেম, মান-যশ সকলোৰে সমান অংশীদাৰ আছিল পৰী। কিন্তু আজি! আজি যেন পল্লৱ পৰীৰ বাবে মৰুৰ মাজৰ মৰীচিকা। পৰীয়ে বাৰু তাক কিয় প্ৰতাৰিত কৰিলে?

মৰম, প্ৰেম, মান-যশ সকলোৰে সমান অংশীদাৰ আছিল পৰী। কিন্তু আজি! আজি যেন পল্লৱ পৰীৰ বাবে মৰুৰ মাজৰ মৰীচিকা। পৰীয়ে বাৰু তাক কিয় প্ৰতাৰিত কৰিলে? আৰু ৰাজ! ৰাজতো তাৰ খুব অন্তৰঙ্গ বন্ধু আছিল। ৰাজৰ কথা ভাবিলে পল্লৱৰ কোমল অন্তৰ কঠিন হৈ পৰে যেন তাৰ অন্তৰখন এটা বহল শিল বৰফৰ দৰে গোট মাৰি গ্ৰেনাইট্ শিলত পৰিণত হৈছে। কথাবোৰ মনত পৰাত পল্লৱৰ কেঁচা ঘাম বাহিৰ হৈ আহিল - খং, অপমানত।

মিচ্ বৰ্ণালী ৰায়
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ (কলা)

আৰু ৰাজ! ৰাজতো তাৰ খুব অন্তৰঙ্গ বন্ধু আছিল। ৰাজৰ কথা ভাবিলে পল্লৱৰ কোমল অন্তৰ কঠিন হৈ পৰে যে তাৰ অন্তৰখন এটা বহল শিল বৰফৰ দৰে গোট মাৰি গ্ৰেনাইট শিলত পৰিণত হৈছে। কথাবোৰ মনত পৰাত পল্লৱৰ কেঁচা ঘাম বাহিৰ হৈ আহিল - খং, অপমানত। পৰীয়ে তাক অপমান কৰিব আৰু সি নীৰৱে সহ্য কৰিব। পৰীৰ অপমান কিহেৰে পোতক তুলিব ? নাই, সি পৰী ৰ ওপৰত কোনো পোতক নোতোলে আৰু তুলিব নোৱাৰে কাৰণ হিংসাক হিংসাৰে নিবৃত্তি কৰা নাযায়, অহিংসাৰেহে হিংসাক নিবৃত্তি কৰা যায়। সি ৰিব্ ৰিব্কৈ মনতে গুণ গুণাই কৈ গ'ল। পল্লৱে গছৰ মূঢ় এটাত অলসভাৱে তাৰ দেহটো এৰি দি গছত আউজি বহি ল'লে।

পল্লৱৰ ঘৰ আছিল গাওঁত। অতি দুখীয়া পৰিয়ালৰ একমাত্ৰ সন্তান পল্লৱ। গাওঁৰ দুখীয়া পৰিয়ালৰ ল'ৰা হিচাপে তাৰ যিমান বুদ্ধি সম্পন্ন থকাৰ দৰকাৰ তাতোকৈয়ো অধিক স্মৃতিশক্তিৰ বুদ্ধিদীপ্ত আছিল পল্লৱ। আৰ্থিক অনাটনে তাক যেনেদৰে জুৰুলা কৰি পেলাইছিল ঠিক তেনেকৈ সি কোনোও হৈ যোৱা নাছিল। তাৰ মনৰ দৃঢ়তা অতি নিৰ্ভীক আৰু স্পষ্টকৰণ আছিল বাবেই সি যিকোনো ভয়াবহ কামকে সুস্থ মগজুৰে সমাধান কৰিব পাৰিছিল। পল্লৱে অতি দুখীয়া আছিল যদিও কেতিয়াও কাৰো ওচৰত তেওঁৰ কোনো অভিযোগ নাছিল। আনকি দেউতাকৰ ওচৰতো সি কোনোদিনে আবদাৰ কৰি পোৱা নাছিল। কাৰণ সি সৰুৰে পৰা অভাৱৰ লগত যুঁজি যুঁজি ডাঙৰ হোৱা ল'ৰা। গতিকে সি অভাৱী পৰিয়ালটোৰ কথা জানিছিল।

এদিন এনেকৈয়ে পল্লৱে হাইস্কুল শিক্ষান্ত পৰীক্ষাত দ্বিতীয় বিভাগত পাছ কৰি যোৰহাটৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত নাম লগাইছিল। কলেজৰ প্ৰথম পদাৰ্পণতে পৰীৰ ওপৰত তাৰ চকু পৰিল আৰু এদিন পল্লৱ পৰীৰ এৰাব নোৱাৰা অন্তৰঙ্গ বন্ধু হৈ পৰিল। দিনবোৰ যিমানে আগবাঢ়িবলৈ ধৰিলে সিমানে সিহঁতৰ বন্ধুত্ব গাঢ় হৈ আহিল। আৰু এনেকৈয়ে সিহঁত বন্ধুত্বৰ পৰা প্ৰেমলৈ ৰূপান্তৰিত হ'ল। এদিনাখন পৰীয়ে পল্লৱৰ লগত ৰাজক চিনাকী কৰি দিলে। সিহঁতৰ লগত ৰাজো বন্ধু হৈ পৰিল। পল্লৱে পৰীৰ প্ৰেমৰ মাজত চিৰদিন জীয়াই থাকিম বুলি প্ৰতিশ্ৰুতিবদ্ধ হৈছিল। প্ৰথম প্ৰেমৰ যৌৱনৰ মাদকতাৰে ভৰি পৰে পল্লৱৰ দেহ মন প্ৰাণৰ সঞ্চাৰে আলোকিত কৰে হৃদয়। হৃদয়ে হৃদয়ক আহ্বান কৰে দুয়ো নতুন উদ্যমেৰে। পল্লৱ আৰু পৰীয়ে গছৰ তলত বহি কিমান যে কথা পাতিছিল তাৰ সীমা সংখ্যা নাই। সেই গছবোৰ কিজানি আজি সিঁহতৰ প্ৰেমৰ সাক্ষীস্বৰূপ হৈ আছে। পল্লৱে তাইৰ চকুত দেখিছিল অজস্ৰ ৰঙীন সপোন আৰু সেই সপোন বাস্তৱত ৰূপ দিবলৈ সি অপ্ৰাণ চেষ্টা চলাইছিল। কিন্তু বাস্তৱ বৰ নিষ্ঠুৰ। পৰীৰ সিক্ত নয়ন আৰু তাইৰ লাহী হাত আৰু ওঁঠত সদায় লাগিয়েই থাকে এটা মন পৰশা মিচিকি হাঁহি। কিন্তু সেই হাঁহিত কি ৰহস্য লুকাই আছিল পল্লৱে বুজিব পৰা নাছিল। পল্লৱে বুজা নাছিল যে ধুনীয়া কেতেকী ফুলৰ মাজতো কালান্তক ফেঁটি সাপৰ বাহ। পৰী ধুনীয়া, অনিন্দ সুন্দৰী। কিন্তু মনটো আছিল কঠিন ৰূঢ়। সুন্দৰী নাৰী আৰু ধনৰ বাবেই আজি পৃথিৱীখন ওলট পালট হৈ আহিছে আৰু হৈ থাকিব। .... সেই কাৰণে ঋষি -মুনিসকলে কয় 'নাৰী ৰহস্যময়ী' - ৰহস্যৰ মাজত নাৰীসকলে জীয়াই থাকে। ৰূপ আৰু হাঁহিয়েই হ'ল নাৰীৰ প্ৰথম আৰু প্ৰধান গৌৰৱ। কিন্তু পৰীৰ সেই হাঁহি পল্লৱৰ কাৰণে বেছিদিন স্থায়ী নহ'ল।

এদিন দেউতাকে পল্লৱক ঘৰৰ পৰা মাতি পঠালে। পল্লৱ দোমোজাত পৰিল কাৰণ সি পৰীক এৰি কলৈকো যোৱাৰ কথা ভবা নাছিল। কি কাৰণে দেউতাকে মাতি পঠালে একো উৱাদিহ নাপাই পৰীলৈ এখন চিঠি লিখি দি ঘৰলৈ গুচি আহিল। পল্লৱে ভবা নাছিল যে তাক দেউতাকে পঢ়া-শুনা বাদ দি কামত ধৰিবলৈ ক'ব। অৱশ্যে দেউতাকে তাক পঢ়াৰ খৰচ দিয়া নাছিল, সি টিউচন কৰি পঢ়াৰ খৰচ উলিয়াইছিল। তথাপি যেন তাৰ মনত বিষা এটা শোকে খুন্দা মাৰি ধৰিলে। কাৰণ তাৰ পঢ়িবলৈ ইচ্ছা নাথাকিলেও একমাত্ৰ পৰীৰ বাবে সি পঢ়ি আছে। এতিয়া যেন পল্লৱ বুজা-নুবুজাৰ মাজ সাগৰত পৰি ৰ'ল। সিনো দেউতাকক কেনেকৈ কয় পৰীৰ কথা। দেউতাকৰ ৰঙা চকুহাল দেখিলে তাৰ বুকুৰে ধান বনাবলৈ ধৰে। পল্লৱে কোনো প্ৰতিবাদ নকৰি মনে মনে থাকিল।

এনেকৈয়ে বহুদিন পাৰ হৈ গ'ল; কিন্তু পৰীৰ কোনো খবৰ পোৱা নগ'ল। পল্লৱে বহুকেইখন চিঠি পঠিয়ালে এখনৰো উত্তৰ নাপালে। পল্লৱে উদাস হৈ গ'ল পৰীয়ে বাৰু কিয় উত্তৰ নিদিয়ে? ঘৰতে সি অন্যমনস্ক হৈ যাবলৈ ধৰিলে। আৰু এনেকৈয়ে বহুদিন পাৰ হ'ল আৰু বহুদিন .....। তাৰ বাবে দিন-ৰাতি সমান হৈ পৰিল। হঠাৎ এদিন এখন পৰীৰ বিয়াৰ নিমন্ত্ৰণী চিঠি আৰু নিজ হাতে লিখা চিঠি এখন আহিল। পল্লৱে নিজ চকুকেই বিশ্বাস কৰিব নোৱাৰিলে যে পৰীৰ বিয়া ৰাজৰ লগত। চিঠিৰ প্ৰথম শাৰী পল্লৱৰ আজিও মনত পৰে আৰু মনত পৰিলে তাৰ দুচকুৰেদি জুই বৰ্ষে। তাত লিখা আছিল - "পল্লৱ মই তোমাক ভাল নাপাও, মই ৰাজকহে ভাল পাও।" পল্লৱে সেইদিনাখন চিঠিখন ফালি পেলাইছিল আৰু জীয়াই থকাৰ অৱলম্বন সেইদিনাই হেৰুৱাই পেলাইছিল। যেন গোলাপ ফুলপাহ মেলিবলৈ নৌপাওঁতেই কৰণিতেই মৰহি গ'ল। এনেতে তাৰ চকুৰ পৰা তপত চকুলো নিগৰিবলৈ ধৰিলে। পৰীৰ বাবে তাৰ হৃদয়ৰ কোঠা সদায় খোলা থাকিব কেতিয়াও ৰুদ্ধ নহয় পল্লৱে ভাবিলে। এনেতে তাৰ ঘৰত কাম কৰা ল'ৰাজনৰ মাতত তাৰ সম্বিত ঘূৰি আহিল। এজন মদ খোৱা মানুহৰ দৰে ঢলং পলং খোজেৰে পল্লৱে ঘৰৰ ফালে আগবাঢ়ি আহিবলৈ ধৰিলে। ■



# সম্বৰ্ধনা


মিচ্ জোনমণি শীল

স্নাতক প্ৰথম বৰ্ষ (কলা শাখা)


*নিশাটোৰ ভিতৰতে খবৰটো চাৰিওকাষে বিয়পি পৰিল।*
*গাঁৱৰ সকলোৱে বাপোনৰ এই কৃতকাৰ্যতাত গৌৰব অনুভৱ কৰিছে।*
*বিদ্যালয়ৰ শিক্ষক সকলৰটো কথায় নাই - একেবাৰে গোপত গঙ্গাটোপৰ নিচিনা হৈ আছে। সকলোৰে মুখেমুখে*
*'আমাৰ বিদ্যালয়ৰ ছাত্ৰ বাপোন ৰাভা', 'আমাৰ অঞ্চলৰে ছাত্ৰ বাপোন ৰাভা'।*
*কোনোবায় যদি সোধে আপোনালোকৰ বাবুপাৰা হাইস্কুলৰ ছাত্ৰ*
*বাপোন ৰাভায় বোলে এইবাৰ ....... প্ৰশ্ন শেষ নৌহওঁতেই গৌৰৱ পূৰ্ণ উত্তৰ আহে*
*- হয়, হয় 'ষ্টাৰ নম্বৰ' লৈ উত্তীৰ্ণ হৈছে।*
*মুঠৰ ওপৰত বাপোনকলৈ গৌৰৱৰ সীমা নোহোৱা হৈ পৰিল।*

বাপোনহঁতৰ ঘৰত আজি মানুহৰ লানি নিছিগা সোঁত। নিজৰ গাওঁখনৰ কথাটো বাদেই আন আন গাওঁৰ শিক্ষকৰ পৰা মগনীয়ালৈকে খবৰ ল'বলৈ আহিয়ে আছে। সিহঁতৰ ঘৰখন সভাৰ নিচিনা হৈছে। হ'বই। এনেকুৱা ঘটনা! অকল ইয়াতে নহয় গোটেই অঞ্চলতে কাহানিও ঘটা নাছিল। আজি দুদিন ধৰি দোকানত, ক্লাবঘৰত, নামঘৰত, বিদ্যালয়ত, খেল পথাৰত এনেকি নৈৰ ঘাটতো সেই একেটায় আলোচনা।

মই যোৱাকালি প্ৰায় তিনি বজামানত আমাৰ পদূলীমুখত থকা কঁঠাল গছ জোপাৰ ছাঁত বহি গল্পৰ কিতাপ এখন পঢ়ি আছিলো। এনেতে গাৱৰে ধনেশ্বৰ দাস গাৱৰ মুৰত থকা হাইস্কুলৰ ফালৰ পৰা আহি মোৰ কাষতে ঠিয় দিলেহি। মই ধনেশ্বৰক দেখি কিতাপখন সামৰি এনেয়ে মাত লগালো -

- 'কি হে ধনেশ্বৰ দা; ক'ৰ পৰা আহিলা ?'

- 'যেনে বাপেক তেনে পুতেক' বুজিছা ৰমেন! বাপেকো কম নাছিল। অভাৱৰ বাবে ভাল চাকৰি এটা যোগাৰ কৰিব নোৱাৰি সেই পি, ডব্লিউ, দি'ৰ মহৰীৰ কামত সোমাল, নহ'লে সুখ্যাতিৰে বি, এ, পাছ কৰা মানুহজনে হাকিম মুন্সিফ্ হ'ব নোৱাৰিলেহেঁতেন নে ?

- 'কাৰ কথা কৈ আছাহে, ধনেশ্বৰ দা, মই হ'লে ধৰিব পৰা নাই।'

- ' কিয় ? আজি প্ৰৱেশিকা পৰীক্ষাৰ ফলাফল দিয়া নাই জানো ?'

- 'ওঁ, ওঁ দিয়া বুলি শুনিছোঁতো। আমাৰ গাওঁৰ এই ধামাধৰা স্কুলখনৰ পৰা কোনোবা উত্তীৰ্ণ হ'লনে নাই ?'

- 'হৈছে, হৈছে, একেবাৰে ভাল ফলাফল বুজিছা ? সেই যে বাপোন, মানে বাপোন ৰাভা, বিৰাজ ৰাভাৰ ল'ৰা, সি বোলে 'ষ্টাৰ মাৰ্ক' লৈ উৰ্ত্তীণ হৈছে। চাৰিটা বিষয়ত হেনো 'লেটাৰ মাৰ্ক' পাইছে।'

- ' কি ক'লা ? আমাৰ হাইস্কুলৰ ইমান ভাল খবৰ।'

-- বল বল আকৌ স্কুললৈ যাওঁ। তাত খবৰ কৰি

বাপোনহঁতৰ ঘৰলৈও এপাক যাম বল! বুজিছা, ধনেশ্বৰ দা, দহ বছৰে যিখন স্কুলত প্ৰৱেশিকাত এজনো উত্তীৰ্ণ হ'ব নোৱাৰিলে সেইখন স্কুলত আজি 'ষ্টাৰ মাৰ্ক' লৈ উত্তীৰ্ণ হ'ল। বৰ আচৰিত যেন নেলাগে নে ? অৱশ্যে দেউতাকৰ প্ৰচেষ্টা প্ৰশংসনীয়। আমি নিজেই দেখিছো নহয়, বিৰাজ ৰাভাই পুতেকৰ প্ৰতি যথেষ্ট যত্ন লৈছিল। হেৰি নহয় ধনেশ্বৰ দা বাপোন এইখন স্কুলত নৱম মানৰ পৰাহে পঢ়িছিল ?

- 'ওঁ হয়। সি আজি দুবছৰ মানহে হ'ল এইখন স্কুলত পঢ়া। ইয়াৰ আগতে দেউতাকৰ লগত থাকি বেলেগ স্কুলত পঢ়িছিল। স্কুলত খবৰ আদি লৈ আমি ঘৰলৈ উভতি আহিলোঁ।

নিশাটোৰ ভিতৰতে খবৰটো চাৰিওফালে বিয়পি পৰিল। গাঁৱৰ সকলোৱে বাপোনৰ এই কৃতকাৰ্য্যতাত গৌৰৱ অনুভৱ কৰিছে। বিদ্যালয়ৰ শিক্ষক সকলৰটো কথায় নাই - একেবাৰে গোপত গঙ্গাটোপৰ নিচিনা হৈ আছে। সকলোৱে মুখে মুখে 'আমাৰ বিদ্যালয়ৰ ছাত্ৰ বাপোন ৰাভা', 'আমাৰ অঞ্চলৰে ছাত্ৰ বাপোন ৰাভা'। কোনোবায় যদি সোধে আপোনালোকৰ বাবুপাৰা হাইস্কুলৰ ছাত্ৰ বাপোন ৰাভায় বোলে এইবাৰ ....... প্ৰশ্ন শেষ নৌহওঁতেই গৌৰৱ পূৰ্ণ উত্তৰ আহে - হয়, হয় 'ষ্টাৰ নম্বৰ' লৈ উত্তীৰ্ণ হৈছে। মুঠৰ ওপৰত বাপোনক লৈ গৌৰৱৰ সীমা নোহোৱা হৈ পৰিল।

এক সপ্তাহ মান যোৱাৰ পিছত স্থানীয় উদ্যোক্তা কিছুমানে জন মন্দিৰত সম্বৰ্দ্ধনা সভা এখন আহ্বান কৰিছে। বাপোন ৰাভাৰ সৈতে এই অঞ্চলৰ প্ৰথম স্থান পোৱা ছাত্ৰ-ছাত্ৰী সকলক লগতে সংশ্লিষ্ট প্ৰধান শিক্ষক সকলকো সভালৈ মতা হৈছে।

পুতেকৰ কৃতিত্বত গৌৰৱান্বিত হৈ বিৰাজ ৰাভাই সম্বৰ্দ্ধনা অনুস্থানত যোৱাৰ মানসেৰে পোচাক পিন্ধি থকাৰ পৰাই পুতেকক মাতিলে। - বাপোন; তুমি সোনকালে ওলোৱা। এটা বজাতে সভাখন পাতিছে নহয়। এয়া বাৰ বাজি ত্ৰিশ মিনিট গ'লেই আধা ঘন্টাহে বাকী।

- দেউতা, মোৰ হৈছেই । আপুনিহে সোনকালে ওলাওক। দুয়ো খৰধৰকৈ গৈ সভাকক্ষ পালে। ইতিমধ্যে দূৰণিবটীয়া ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱক সকল আহি সভাকক্ষত উপস্থিত হৈছে। জিলাৰ উপায়ুক্ত মহোদয় আহি পোৱাৰ ক্ষন্তেক পিছতে সভাৰ কাম আৰম্ভ হ'ল। ইপিনে বাবুপাৰা হাইস্কুলৰ প্ৰধান শিক্ষক অতুল দাসে লাহেকৈ বাপোনক মাতি নি নিজৰ ওচৰত বহুৱাই ল'লে। ক্ষন্তেক পিছতে বাপোন ৰাভাক মঞ্চত মাতিলে আৰু ৰাইজৰ লগত পৰিচয় কৰাই দি উপায়ুক্ত মহোদয়ৰ দ্বাৰা প্ৰমান পত্ৰ আৰু বিশেষ বঁটা প্ৰদান কৰে। লগে লগে সভা ঘৰৰ ভিতৰত হাত চাপৰিৰ ৰোল উঠে। এই দৃশ্য উপভোগ কৰি পুতেকৰ বাবে যত্ন লোৱা বিৰাজ ৰাভাৰ আপোনা-আপুনি আনন্দৰ চকুলো ওলাই আহিল। এই আনন্দৰ পৰিসীমা যে কিমান বিশাল একমাত্ৰ ভূক্তভোগীয়েহে জানে। আন আন ছাত্ৰ সকলকো সম্বৰ্দ্ধনা জনোৱাৰ পিছত সংশ্লিষ্ট বিদ্যালয়ৰ প্ৰধান শিক্ষক সকলকো সম্বৰ্দ্ধনা জনালে। ইয়াৰ পিছত উদ্যোক্তা সকলে এই বেলি 'ষ্টাৰ মাৰ্ক' পোৱা বিদ্যালয়ৰ প্ৰধান শিক্ষক অতুল দাসক দুআষাৰ ক'বলৈ অনুৰোধ কৰিলে। অনুৰোধ ৰক্ষা কৰি শ্ৰী অতুল দাসে ৰাইজৰ আগত ক'লে যে - 'বাপোন ৰাভাৰ কৃতিত্বৰ বাবে আমি বাবুপাৰা হাইস্কুলৰ শিক্ষক-শিক্ষয়িত্ৰী সকলে গৌৰৱ অনুভৱ কৰিছো। আমাৰ নেৰা-নেপেৰা প্ৰচেষ্টাত যে এজন ছাত্ৰই পৰীক্ষাত ভাল ফলাফল দেখুৱাব পাৰিছে ৰাইজে নিশ্চয় বুজিব পাৰিছে।' আগন্তুক পৰীক্ষা সমূহতো ইয়াতকৈ যেন ভাল ফলাফল দেখুৱাব পাৰে তাকে দোহাৰি ভাষণ চমুৱালো। সদৌশেষত উপায়ুক্ত মহোদয় দুষাৰ ক'বলৈ উঠিল। তেওঁ বৰ দুখ কৰি ক'লে যে আজিৰ এই সম্বৰ্দ্ধনা সভাত অভিভাৱক সকলক সম্বৰ্দ্ধনা জনোৱাৰ কোনো ব্যৱস্থা ৰখা হোৱা নাই। এইটো বৰ বেয়া কথা হৈছে। এখন বিদ্যালয়ত যদিও ছাত্ৰ-ছাত্ৰীক এটা নিৰ্দ্দিষ্ট পাঠ্যক্ৰমৰ জৰিয়তে নিৰ্দ্দিষ্ট সময়ত পঢ়া শেষ কৰোৱা হয় তথাপি প্ৰকৃত শিক্ষা ঘৰখনৰ মাক দেউতাকেহে দিয়ে। বিদ্যালয়ে মাথোঁ পৰীক্ষাত ছাত্ৰ-ছাত্ৰী সকলক উত্তীৰ্ণ আৰু অনুত্তীৰ্ণ হোৱা স্বীকৃতিহে দিব পাৰে। কৃতিত্বৰে উত্তীৰ্ণ হোৱা ছাত্ৰৰ অভিভাৱক যদিও অশিক্ষিত হয় তথাপি অনুসন্ধান কৰিলে দেখা পাব যে তেওঁলোকে পঢ়াৰ প্ৰতি উৎসাহ আৰু সুস্থ পৰিবেশ এটি দিব পাৰিছে নাইবা দিবলৈ চেষ্টা কৰিছে। গতিকে "যত্ন লয় কোনোবায় আৰু যশ লয় কোনোবায়" এনেকুৱা যাতে নহয় তাৰ বাবে অন্ততঃ বিদ্যালয় পৰ্য্যায়ত অভিভাৱক সকলকো সম্বৰ্দ্ধনা জনোৱাৰ ব্যৱস্থা ৰখাৰ দৰকাৰ। যাতে অইন অভিভাৱক সকলেও নিজ নিজ সন্তানৰ যত্ন ল'বলৈ প্ৰেৰণা পায়। ইয়াকে কৈ তেওঁ ভাষণ সামৰিলে। লগে লগে সকলোৱে হাত চাপৰি বজালে। উপায়ুক্তৰ বক্তৃতা শুনি বাপোনে ইমানে অভিভূত হ'ল যে তেওঁ কিমান সময়লৈ অকলে হাত চাপৰি বজাই আছিল ক'বই নোৱাৰে। মানুহবোৰে তেওঁৰ ফালে চোৱাতহে সম্বিত ঘুৰাই পায় আৰু তাৰ হাত চাপৰি বজোৱা বন্ধ কৰে। সভা ভঙ্গ হোৱাত দেউতাকৰ লগত ঘৰলৈ যাবলৈ ওলাল। বাহিৰত ওলাই আহি বাপোনে দেখে দেউতাকৰ চকুত তেতিয়াও আনন্দৰ চকুলো বৈয়ে আছিল। ■

# পোহৰৰ এটি কোণত



সঞ্জয় কলিতা
স্নাতক প্ৰথম বৰ্ষ

অই সোণ মাছ মাৰিবলৈ নেযাৱ নেকি ? প্ৰশান্তই যেন মোক খুব আগ্ৰহেৰে সুধিলে। মোৰ পৰা কোনো সঁহাৰি নাপাই সি কিছু বিস্ময়ীত হ'ল। কিছুসময় অপেক্ষা কৰি সি মোৰ গাতো জোকাৰি দিলে। মই চক্ খাই উঠিলো। মই কল্পনাৰ ৰাজ্যত বিচৰণ কৰি থকা মুহূৰ্ত্তত মোক তেনেদৰে আমনি কৰা বাবে মোৰ পেটে-পেটে খং উঠিছিল যদিও মুখত কৃত্ৰিম হাঁহিৰে তাৰ ফালে চাই পঠিয়ালো। প্ৰশান্ত মোৰ সৰুৰে পৰা বৰ্ত্তমানলৈকে সুখ-দুখৰ, খেলা-ধূলাৰ অথবা মাছ মৰা একমাত্ৰ লগৰী। একেলগে নদীত গা-ধুবলৈ যোৱা, হাবিৰ মাজৰ পৰা আম পাৰি থোৱাৰ উপৰিও আমাৰ দুয়োৰে ওদালগুৰি বিলত আবেলি সময়ত মাছ মাৰিবলৈ যোৱাটো এটা অভ্যাসত পৰিণত হৈছিল। প্ৰতিদিনে আবেলি আমি দুয়োয়ে হাতত বৰশি লৈ, মুৰত জাপি লৈ আৰু কঁকালত খালৈ তো বান্ধি মাছ মাৰিবলৈ গৈ সন্ধিয়া সময়ত এক সাজ মাছ মাৰি আনিবলৈ বৰ ভাল পাইছিলো।

অইন দিনৰ দৰে সিদিনা কিন্তু মই তাৰ লগত মাছ মাৰিবলৈ নাযাওঁ বুলি কোৱাত তাৰ মনটো কিছু সেমেকি যোৱা মই অনুভৱ কৰিলোঁ। তথাপিও সি মোক মাছ মাৰিবলৈ কিয় নাযাও খুব আগ্ৰহেৰে সুধিলে। মই ক'লো যে মোৰ মনটো আজি ভাল নহয়। প্ৰশান্তও মান্তি হ'ল আৰু মাছ মৰাৰ আশা এৰি সি এতিয়া মোক খুব কৌতুহলেৰে সুধিবলৈ ধৰিলে তোৰ নো আজি আকৌ কি হ'ল, মনটো কিয় মাৰি আছ ? মই ক'লো পিছত ক'ম ৰ'বা। আমি দুয়ো নদীটোৰ ফালে এপাক ফুৰিবলৈ যাওঁ ব'লা। প্ৰশান্তই আপত্তি নকৰিলে।

প্ৰশান্তৰ ঘৰ আমাৰ একে লগেই যদিও মাজতে ৰাস্তাটো অৱস্থিত। তাৰ মাকে মোক খুব মৰম কৰে। প্ৰশান্তও আমাৰ ঘৰতে দিনটোৰ বেছি ভাগ সময় কটায়। মুঠতে প্ৰশান্তহঁতৰ পৰিয়াল আৰু আমাৰ পৰিয়ালৰ মাজত এক ঘনিষ্ঠ সম্বন্ধ আছে। আমি দুয়ো সন্ধিয়া সময়ত এপাক নদীটোৰ পিনে পাক এটা মাৰিবলৈ যাওঁতেই সন্ধিয়া সময়ত নদীৰ পাৰে পাৰে ফুৰি বৰ ভাল লাগে।

সেইদিনাও আমি দুয়োয়ে নদীটোৰ পিনে ওলালো। অ ক'বলৈ পাহৰিছিলোয়েই নদীটোৰ নাম ৰংপি নদী। লাহে লাহে আমি নদীটো প্ৰায় পাওঁ পাওঁ হওঁতেই প্ৰশান্তই মোক সুধিবলৈ ধৰিলে যে মোৰ মনটো আজি বাৰু কিয় বেয়া। মই এটা দীঘল হুমুনিয়াহ কাঢ়ি ক'বলৈ ধৰিলো প্ৰশান্ত, তুমিটো জানাই তুমিয়ে মোৰ সুখ দুখৰ লগৰী। তোমাৰ পৰা মই কোনো কথাই লুকাবলৈ চেষ্টা নকৰো। প্ৰশান্তই অধৈৰ্য্য হৈ ক'বলৈ ধৰিলে আচল কথাটো নোকোৱা কিয় ? মই মনটো স্থিৰ কৰি ক'বলৈ ধৰিলো যে যোৱাকালি মোৰ মামা আহিছিল আৰু মোৰ পঢ়াশুনাৰ মতি গতি দেখি, মোৰ জীৱনটো অধঃপতে যোৱা বুলি জানি মোক চহৰলৈ লৈ গৈ তাতেই ৰাখি পঢ়াশুনা কৰাব বুলি কৈ মোক লৈ যোৱাৰ কথা কৈছে। মা-দেউতাহতেও মামাৰ কথাত সন্মত হৈ কোনো আপত্তি নকৰিলে। প্ৰশান্তই কথাৰ মাজতে সুধিলে তোৰ মামা ক'ত থাকে ? মই ক'লো ডিব্ৰুগড়ত। প্ৰশান্তই যেন চক্ খাই উঠিলে। কথাখিনি কৈ থাকোতে মোৰ চকুৰ পৰা পানী

ওলাবলৈ ধৰিলে। প্ৰশান্তৰো মাতবোল বন্ধ হ'বৰ উপক্ৰম হৈছিল যদিও কঁপা কঁপা মাতেৰে মোক ক'বলৈ ধৰিলে যে - তই চহৰলৈ যাবি, চহৰত গৈ পঢ়া-শুনা কৰিবি, ডাঙৰ মানুহ হবি ইয়াতকৈ আৰু ভাল কথা কি হ'ব পাৰে। মই জানো মই চহৰলৈ গৈ ডাঙৰ মানুহ হ'ম কিন্তু তথাপিও মই এই গাওঁখনক আৰু তোৰ নিচিনা এজন বন্ধুক এৰি যাবলৈ মোৰ খুব বেয়া লাগিছে অ। মই কান্দি কান্দি ক'বলৈ ধৰিলো। প্ৰশান্তই মোক সাৱতি ধৰি ক'বলৈ ধৰিলে দুখ নকৰিবি সোন আৰু তইতো চহৰলৈ একেবাৰে যাবলৈ ওলোৱা নাই। চহৰলৈ যাবি, তাত গৈ কেইবছৰমান পঢ়া শুনা কৰি ডাঙৰ মানুহ হৈ তই পুনৰ এই গাওঁলৈ উভতি আহিবি। মোৰ মনটো অলপমান ভাল লাগিছিল যদিও লগে লগে আকৌ কান্দিবলৈ ধৰিলো। ৰংপি নদীৰ পানীৰ শব্দ সন্ধিয়া হৈ অহাৰ লগে লগে বাঢ়িবলৈ ধৰিলে। পানীবোৰে ঢৌ খেলি খেলি ব'বলৈ ধৰিলে। প্ৰশান্তই কিছু সময় মৌন হৈ থাকি মোৰ ফালে চাই কিবা ভাবিবলৈ ধৰিলে তাৰ পিছত নিৰ্জনতা ভঙ্গ কৰি সি মোক ক'বলৈ ধৰিলে - তই বাৰু যাগৈ কিন্তু মোক নাপাহৰিবি। চহৰলৈ গৈয়েই মোলৈ মাজে মাজে চিঠিপত্ৰ দি থাকিবি। মই কান্দি ক'লো মইনো বাৰু তহঁতক আৰু এই গাওঁখনক পাহৰিব পাৰোনে। যিখন গাওঁত মই জন্মৰ পৰা এইখিনি বয়স পাইছোহি, যিখন গাওঁৰ প্ৰতিটো আলি-পদূলি, প্ৰতিটো কোন মোৰ পৰিচিত, যিজন বন্ধুৰ লগত মই ইমান দিনে থাকি ডাঙৰ হৈছো, একেলগে খেলা-ধূলা কৰিছো এই কথাবোৰ জানো মই পাহৰিব পাৰোনে ?

সেইদিনা ৰাতিপুৱা খুব সোনকালে উঠি মায়ে মোৰ বিছনাৰ ওচৰলৈ আহি মোৰ মূৰত হাত বুলাই মাতিব ধৰিলে। তোৰ বাৰু খুব দুখ লাগিছে নেকি ? দুখ নকৰিবি। চহৰলৈ তো তই জীৱনটোৰ বাবে যাবলৈ ওলোৱা নাই। পঢ়ি শুনি ডাঙৰ মানুহ হৈ আকৌ তই আমাৰ ওচৰলৈ ঘুৰি আহিবি। চহৰত তোক মামা-মামীহঁতে মৰম কৰিব যা। তাত গৈ তই আমাৰ কথা বেছিকৈ চিন্তা নকৰিবি। পঢ়াশুনাত মন দিবি আদি কথাবোৰ মোক কৈ গৈছিল। মইও একান্ত মনে কথাবোৰ শুনি গৈছিলো। হঠাতে মোৰ মনত আন এখন হাতৰ স্পৰ্শ অনুভৱ কৰিলো আৰু যেতিয়া মোৰ মুৰটো উঠাই দেখিলো তেতিয়া দেউতাই মোৰ মুৰত হাত এখন থৈ কান্দি আছিল। সেই কান্দোনৰ কিন্তু কোনো শব্দ নাছিল বোধকৰো দেউতাই কান্দোতে চেপি ৰাখিব খুজিও ব্যৰ্থ হৈছিল। মইও দেউতাৰ লগতে একে সুৰত কান্দিবলৈ ধৰিছিলো যদিও মামাই মোৰ ওচৰতে বহা দেখি অলপ লাজ পাই কান্দিবলৈ এৰিছিলো।

গাওঁখনৰ পিনে চাৰিওফালে এপাক চাই পঠিয়ালে প্ৰশান্তই সিহঁতৰ পদূলিত আমি যোৱা চাবৰ বাবে মাক-দেউতাকৰ স'তে বাট চাই আছিল। মই আৰু মামাই মোৰ মা-দেউতাৰ পৰা বিদায় লৈ ওলাইছিলো। প্ৰশান্তই মোক দুখ মনেৰে মই যোৱাৰ পিনে চাবলৈ ধৰিলে। মই চকুৰ পানীৰে বাট নেদেখা হৈ গৈছিলো। প্ৰশান্তক ক'লো তহঁত বাৰু থাক। মোৰ পিনে মাজে মাজে মনত পেলাই থাকিবি। কথা কেইযাৰ কৈ থাকোতেই মামাই মোতকৈ দুখোজ আগবাঢ়ি গৈ মোক মাতিবলৈ ধৰিলে- আহ পলম হ'ল ৰেলখন আহি পাবৰ সময় হৈছেহি।

গাওঁৰ একা-বেঁকা, ওখোৰা-মোখোৰা ৰাস্তাৰ ওপৰেদি কেতিয়াবা সেউজীয়া কোমল ঘাঁহনিৰে পৰিপূৰ্ণ ৰাস্তাৰ দুয়োপাৰে গৈ থাকোতে সূৰ্য্যটোয়ে লাহে লাহে ওপৰলৈ উঠিবলৈ ধৰিলে। মামাক এবাৰ মই সুধিলো মামা কেইটা বাজিল ? মামাই ক'লে আঠ বাজিবলৈ দহ মিনিট আছে। এইদৰে গৈ থাকোতে কিছু সময় পিছত আমি ৰেল ষ্টেচন পালো। মামাই টিকট ঘৰৰ পৰা দুখন টিকট কটাই ল'লে। এটা দীঘলীয়া হৰ্ণ বজাই ৰেলখন আহিবলৈ ধৰিলে। ৰেলত উঠাৰ আগমূহুৰ্তত মোৰ আকৌ এবাৰ ঘৰৰ পিনে যাবলৈ মন গ'ল। কিন্তু মনক দমন কৰি মই মামাৰ পিছে পিছে আমাৰ ডবাটোৰ পিনে আগবাঢ়িলো।

কিছু সময় ৰখাৰ পিছত ৰেলখনে আৰু এটা হৰ্ণ বজাই লাহে লাহে আগবাঢ়িবলৈ ধৰিলে। ৰেলৰ চকাবোৰ যিমানে আগবাঢ়িবলৈ ধৰিলে মোৰ মনটোও সিমানে হুলস্থুল কৰিবলৈ ধৰিলে। মোৰ বুকুখন কিছুসময় ধক্ ধকাবলৈ ধৰিছিল। মই অনুমান কৰিছিলো যেন ৰেলৰ শব্দতকৈ মোৰ বুকুৰ ধক্ ধক্ শব্দইয়ে বেছি শুনা গৈছে। মোৰ মনটো সেই সময়ত নানান চিন্তাই হাহাকাৰ কৰিবলৈ ধৰিলে। কিন্তু নিজকে সংযত কৰি লৈ ডবাটোৰ খিৰিকিৰ ওচৰৰ আসনখনতে বহি বাহিৰলৈ চাবলৈ ধৰিলো। বাহিৰৰ এচোৱা বতাহ বেগেৰে আহি মোৰ গাত পৰিলে। মই চকু কেইটা মুদি হাত দুখনেৰে মুখখন ঢাকি ধৰিলো।

নিজৰ অতিকৈ আপোন গাওঁখনক এৰি, যাৰ লগত মই জীৱনৰ পিছমূহুৰ্তৰ পৰাই খেলিবলৈ ধৰা এজন বন্ধুক এৰি, মোৰ সোণালী অতীতৰ সপোনবোৰক এৰি মই এতিয়া এক সম্পূৰ্ণ নগৰীয়া জীৱন আৰম্ভ কৰিবলৈ ধৰিলো। মই কেতিয়াবা নিজকে প্ৰশ্ন কৰো মই বাৰু নগৰীয়া এই কৰ্মশীল জীৱনত, কেৱল নিজৰ বাবেই সংগ্ৰাম কৰা নগৰীয়া জীৱনত মোৰ নিচিনা গাৱলীয়া, স্বাৰ্থহীন, হোজা মানুহৰ বাৰু স্থান আছেনে? মইনো বাৰু গাওঁৰ সেই মায়া মমতা এৰি, সোণালী অতীতবোৰক এৰি নগৰীয়া এই জীৱনত নিজকে খাপ খুৱাই ল'ব পাৰিম। ■

# দৌৰ



পদুমী নাথ

আৰ্ৰে কি ? নতুনকৈ প্ৰেমত পৰিছ নেকি ? এক্কেবাৰে গুম হৈ আছা যে ?

"গল্পৰ প্লট বিছাৰিছোঁ।"

হাঃ হাঃ হাঃ .............. বেছ হুহুৱালা। চাৰিআলিত ৰামুৰ দোকানৰ বেঞ্চত বহি গল্পৰ প্লট নে ছোৱালী চাই চাই জীৱনৰ প্লট ৰচিছা ?

ত্ৰিদ্বীপলৈ এক কটাক্ষ উক্তি ৰাতুলৰ।

পুনৰ গিজৰ্নী মৰা হাঁহি হাঃ হাঃ হাঃ .........

এজাক উচ্ছাসেৰে ৰাতুল, নৱ, মনোজ, অভিজিত ৰূপমহঁতে গুতখা, চিগাৰেট, পাণ আদি যাৰ যি পছন্দ ৰামুৰ পৰা লৈ ওলাই গ'ল উদ্দেশ্য চিনেমা হ'ল নতুবা অইন কিবা। ৰাতুলে মোৰ হাততো দুটামান চুইং গাম গুজি দি গ'ল। মই আজি নাচোৰবান্দা। না চিনেমা, না ক্লাব। নৱ-মনোজহঁতৰ অনুৰোধকো আওকান কৰিলোঁ। কতো নাযাওঁ। গল্প এটা লাগে। গল্প। মহাবিদ্যালয়ৰ আলোচনীৰ বাবে। আলোচনীৰ সম্পাদকেও বৰকৈ ধৰিছে 'লাষ্ট ইয়েৰ' বাবে। অৱশ্যে মোৰো সেই ফেৰাৰ প্ৰতি দুৰ্বাৰ আকৰ্ষণ। সেয়ে সান্ধ্য যাত্ৰা। উদ্দেশ্য গল্পৰ প্লট। কিন্তু আৰম্ভ কৰিম ক'ৰ পৰা; কি বিষয়ৰ ওপৰত। পৌৰাণিক, কাল্পনিক, ৰোমান্তিক, বৌদ্ধিক, আধ্যাত্মিক, ট্ৰেজিক -কিহৰ ওপৰত !! বৰ্তমান সমাজ ব্যৱস্থা !! নে এই মাত্ৰ ঢপলিয়াই আহি উৰি যোৱাদি গুচি যোৱা মোৰ মৰমৰ বন্ধু সকলৰ ওপৰত।

কি আচৰিত মানসিকতাৰ ল'ৰা ৰাতুল-মনোজ-অভি-ৰূপমহঁত। দেউতাকৰ কলা টকাৰ ওপৰত ৰাতুলৰ 'হিৰ' হোৱাৰ সপোন। দেউতাকৰ দুই নম্বৰী টকাৰ বাবেই ৰূপমৰ নতুন নতুন মডেলৰ বাইক। অভিজিতৰ মাক হেনো হেলেন। অৱশ্যে 'ট্ৰয়' নগৰ ধ্বংসৰ সলনি, সৃষ্টি ডেকাৰ পৰা বুঢ়ালৈকে কিছু মাতালৰ। সেয়ে অভিজিত 'অভি' 'দেবদাস'ৰ 'দেবা' হৈ গৈছে 'পাৰু'ৰ বাবে। কিন্তু 'দেৱা' ৰূপী 'অভি'ৰ অভাগিনী 'পাৰু' সকল ?

হায়-হায় ! কাৰণ 'অভি'ৰ বাবে 'পাৰু' এজনী নহয়। ছোৱালীৰ প্ৰতি এক অস্বাভাৱিক অনুৰাগ সীমাহী প্ৰেম অভিৰ। ফুটপাথৰ ছোৱালীৰ পৰা পৰ্দাৰ হিৰোইন জনীলৈকে। আৰু শেষত বিতৃষ্ণা। হয়তো মাকৰ পৰা উত্তৰাধিকাৰ সূত্ৰে পোৱা স্বভাৱ। সুন্দৰ শাৰিৰীক অবয়বৰ সুশৃংখল দেহ বল্লভৰ কি উশৃংখন জীৱন 'অভি'ৰ। এটা চকুৰ পাকতে ছোৱালীবোৰে তাৰ পিছ ল'ব পাৰে; বহিব পাৰে সি চহৰৰ ডাঙৰ ৰেষ্টুৰেন্টত দুই চাৰি দিনৰ মুৰে মুৰে বেলেগ বেলেগ ছোৱালীৰ লগত। 'মানিবেগ' উদং কৰি দিব পাৰে সি ছোৱালীৰ নামত। কিন্তু !! আৰু এই ছোৱালীবোৰ যে কি সাংঘাটিক। সিঁহত যেন কমোৱা তুলা। কি আচৰিত !! যি জনী ছোৱালীৰ বাবে মই আজি তিনিবছৰে হৃদয়তন্ত্ৰীত এটি মিঠা সুৰ বজাই লৈ ফুৰিছো; মোৰ হৃদয়ৰ সেই অপ্ৰকাশিত ছন্দময় শব্দবোৰ অপ্ৰকাশিত হৈয়ে আছে সেই কাম অভিজিত নতুবা ৰাতুলৰ বাবে পাঁচ দহ মিনিটৰ কাম। সেয়ে মোৰ প্ৰতি সিঁহতৰ উক্তি -

"ত্ৰিদ্বীপ তই কবি নতুবা গল্পকাৰ হ'ব পাৰ নোৱাৰ পিছৰ কথা 'ডিভাইন কমেদি' যে লিখিব পাৰিবি সেইটো ঠিক।"

তথাপি অভিজিত, ৰাতুল, নব-মনোজহঁত মোৰ বন্ধু। মৰমৰ বন্ধু। সিহঁতৰ উশৃংখলতাৰ বাবে সিহঁততো দোষী নহয়। দোষী অভিভাৱক সকল। দোষী সমাজ ব্যৱস্থা। সিহঁতে মোক ভাল পায়, বুজে, সমীহ কৰে। মইয়ো স্বাৰ্থপৰ নহওঁ। কেতিয়াবা কেতিয়াবা ৰাতুলহঁত মোৰ পৰা পৰামৰ্শ বিচাৰে। মোৰ ভাল লাগে। সিহঁত ধনী ধনী মানুহৰ ল'ৰা। আৰু মই ? পৰিয়াল পেঞ্চনৰ টকা কেইটাৰে আমাৰ পাঁচজনীয়া পৰিয়ালটো খুব কষ্টকৈ চলায় মায়ে দেউতা অবিহনে। সৌ সিদিনাৰ কথা। মাত্ৰ ছটা বছৰ হ'ল মাৰ কপাল উকা কৰি দেউতা গুচি গ'ল। চৰকাৰী অফিচ এটাৰ চতুৰ্থ শ্ৰেণীৰ চাকৰি কৰিছিল দেউতাই। নিৰীহ শান্ত-আদৰ্শবান দেউতাই সেইদিনাও অফিচৰ পৰা ঠিক সময় মতে ওলাই বাছত উঠি ঘৰলৈ ৰাওনা হ'ব খোজোতেই ঘটিছিল ঘটনাটো। উগ্ৰপন্থী আৰু পুলিচৰ মাজত হোৱা গুলীয়া-গুলীত পাঁচটা গুলিয়ে থকা-সৰকা কৰি দিছিল দেউতাক আৰু পুৰা সাত ঘন্টাৰ মুৰত প্ৰাণহীন দেউতাক যেতিয়া বগা কাপোৰেৰে ঢাকি ঘৰলৈ লৈ আহিছিল পুলিচৰ গাড়ীৰে তেতিয়া মায়ে চিঞৰি চিঞৰি অ'চিৰ ছাৰ্টৰ বুটাম চিঙি দিছিল দেউতাই কিয় কথা নকয় বুলি ! মা বাউলী হৈ গৈছিল। মাৰ ৰূপ সেইদিনা বৰ্ণনাটিত হৈ গৈছিল। মই একো টলকিবই পৰা নাছিলোঁ। মাত্ৰ অপলক নেত্ৰে চাই ৰৈছিলো দেউতাৰ তেজে কঢ়াল মৰা নিকৰুণ মুখ খনলৈ। দুই চাৰিঘৰ আত্মীয় কুটুমে আহি মাৰ লগত চকুপানী টুকিলে। ওচৰ চুবুৰীয়াই ইচ্-ইচ্-আচ্-আচ্ বুলি পুতৌ কৰিলে। সেই একেটা দুৰ্ঘট নাতে পুলিচৰ গুলিত নিহত উগ্ৰপন্থী সদস্য দুজন শ্বহীদ হ'ল হেনো। নিৰীহ ৰাইজৰ কলিজাৰ কেঁচা তেজেৰে গা ধোৱা তেজপীয়া ৰূপী দেশৰ স্বাধীনতা বিচৰা বীৰ শ্বহীদ। ৰাইজেই নামাকৰণ কৰিলে সিহঁতৰ। বাতৰি কাকতৰ প্ৰথম পৃষ্ঠাত ডাঙৰ ডাঙৰ আখৰেৰে বাতৰি চপা হ'ল; চৰকাৰৰ মইমতালি। চৰকাৰৰ বিপক্ষে বিক্ষোভ প্ৰদৰ্শণ কৰা হ'ল। সাধাৰণ মানুহৰ তেজেৰে স্বাধীনতা বিচৰা বীৰ শ্বহীদৰ হত্যাৰ বিচাৰ লাগে বুলি প্ৰতিবাদী সভা গঠন কৰি শোভাযাত্ৰা কৰা হ'ল। 'নাৰীমত', 'জনমত' গঠন কৰা হ'ল। ৰাইজৰ সহযোগীতাত সতীৰ্থ সকলে দুহাত উজাৰি স্মৃতি সৌধ নিৰ্মাণকে আদি কৰি সমজুৱা ভাবে আদ্যশ্ৰাদ্ধ কৰিলে। দেউতা শ্বহীদ নহ'ল। দেউতাৰ শ্ৰাদ্ধ টকাৰ অভাৱত অনুষ্টুপীয়াকৈ কৰিলোঁ। দেউতাৰ বাবে প্ৰতিবাদী সভা গঠন নহ'ল। দেউতাৰ বাবে কোনেও বিক্ষোভ প্ৰদৰ্শণ কৰি শোভাযাত্ৰা নকৰিলে। মাত্ৰ গুজৰি-গুমৰি থাকিল পাঁচটা প্ৰাণী অৰ্ধাহাৰে অৰ্ধনিদ্ৰাই চকুপানীৰে বাট নেদেখা হৈ। পেঞ্চনৰ টকা কেইটাৰ বাবে ঘৰ আৰু অফিচ; অফিচ আৰু ঘৰ কৰোঁতে কৰোঁতে মাৰ তিনিযোৰমান চেণ্ডেল ক্ষয় গৈ পকীৰাষ্টাৰ গৰম 'পিছ' ভৰিৰ পতাত লাগিল। কাপোৰ দুযোৰমান ফাটিল। অৱশেষত যেনিবা কৃপা এটা হ'ল।

তথাপি আশাৰ মৃত্যু নহয়। 'মা' ও আশা কৰে। মোৰ এই বাৰ বি.এ. ডিগ্ৰী শেষ হ'লে চাকৰি এটা কৰিম। ঘৰখন তুলি ধৰিম। কিন্তু পাম জানো চাকৰি ?

বহুজনৰ বহু মত - 'আজিকালিৰ ল'ৰাই পঢ়ি শুনি চাকৰি নাপালে জীৱনটোকে অসাৰ বুলি ভাবে।' 'শিক্ষিত নিবনুৱাৰ বুদ্ধি নহৈ কি হ'ব হে - অসমীয়া ল'ৰাৰ বেপাৰ কৰাৰ মানসিকতা থাকিলেহে।' "আজি কালিৰ ল'ৰাই বজাৰলৈ বস্তু লৈ গৈ বিকিবলৈ বেয়া পায় নহয়। মোনা ভৰ্ত্তি কৈ কিনি আনিবলৈহে ভাল পায়।' ইত্যাদি ইত্যাদি।

আৰু নানা মত -

'কিন্তু হাতীৰেহে হাতী ধৰিব পাৰি'

টকা থাকিলেহে বেপাৰ কৰিব পাৰি।

চাৰি আলিত বহি বহি আত্ম দহনত ভূগিলেও ভাবো - এই দিন ৰাত তিঘিল ঘিলাই ঘূৰি ফুৰা পুলিচৰ চাকৰি কৰিব পৰা হ'লেও। বহু টকা সিহঁতৰ। মালবাহী, কয়লাৰ ট্ৰাক আদিৰ পৰা টকা লোৱাৰ কি অনিৰ্বচনীয় কিটিপ সিহঁতৰ। লাগিলে গাড়ী এখনত এহেজাৰটা মৰা শ থাকক নতুবা বোমা বাৰুদ আদি যিয়েই নাথাকক কথা নাই। দুই তিনিশ টকাত ইফাল-

সিফাল। কি বুদ্ধিজীৱিৰ কাম। কিন্তু আনৰ টকাৰ চান কাঢ়ি কাঢ়ি অন্যায়ৰ টকাৰ বাবে ন্যায় কৰি পুলিচৰ চাকৰি কৰিবলৈ বি.এ. পাছতো নকৰিলেও হয়। কিন্তু সকলোবোৰ দেখোন অন্যায়ৰ মিচিল। 'কনিষ্টবলে' টকা উঠায় 'অ'চি'ক দিব; অচি'য়ে'এছপি' ক দিব; 'এছপি'য়ে 'মিনিষ্টাৰ'ক দিব। বাঃ কি সুন্দৰ শৃংখল।

কাক কম। কোনে পতিয়াব। যাকে কওঁ তেওঁৰ ভাষ্যত মই উগ্ৰবাদী। মই বিপ্লৱী। এয়ে দেশ দস্তুৰ। কিন্তু এই শৃংখলবোৰ যদি কেতিয়াবা উশৃংখল কৰি দিব পৰা হ'লহেতেন; জীয়াই থাকিব পাৰিলেহেঁতেন আমাৰ দৰে সাধাৰণ মানুহবোৰ। ৰামুৰ দোকানৰ সন্মুখৰ ফুটপাথত বহি জোতা চেণ্ডেল চিলাই কৰা ১৩ বছৰীয়া তৌফিকৰ মুখতো প্ৰশান্তিৰ অনাবিল হাঁহি বিৰিঙিলেহেঁতেন। ওচৰৰে মাধৱী পেহীয়ে পিতৃহীন তৌফিকৰ সুগঢ়ি বায়েক ছাজিদাক চহৰলৈ লৈ গৈছিল কাৰবাৰ ধনী মানুহৰ ঘৰত চাকৰি দিম বুলি কৈ। সেই যে এবাৰ গ'ল আজি তিনিবছৰে ছাজিদাৰ কোনো খবৰ বাতৰি নাই। মাধৱী পেহীও নিৰুত্তৰ। তৌফিকে কিছুমানৰ পৰামৰ্শ লৈ থানালৈ গৈছিল; জানোছা বায়েকৰ খবৰ পায়েই কিন্তু থানাত চিৰ বিদ্যমান হাস্য লাস্যময়ী মাধৱী পেহীৰ তামোলৰ সেলেঙি লগা মুখৰ ৰহস্যময়ী হাঁহিত উফৰি পৰিব লগা হ'ল তৌফিক। তেতিয়াৰ পৰা আৰু তৌফিকে বায়েকৰ খবৰত ক'ত ঘূৰি ফুৰা নাই। চিৰৰুগ্না 'আম্মা'ক বিচনাত এৰি তৌফিকৰ পেটৰ কথাৰ বাহিৰে আন কথা ভবাৰ অৱকাশ নাথাকে। কিছুমানৰ মুখত শুনে তাৰ বায়েক ছাজিদা হেনো বাৰাঙ্গনা হ'ল। কিন্তু তৌফিকৰ ১৩ বছৰীয়া মগজে বুজি নাপায় বাৰাঙ্গনা কি ? খায় নে ডিঙিত পিন্ধে। তৌফিকে মাত্ৰ নিপুনতাৰ নৈপুন্যতা অৰ্জন কৰি জোতা পলিচ কৰে; চেণ্ডেল চিলাই কৰে আৰু ব্যস্ত নগৰীৰ ৰাষ্টাৰে খোজ কঢ়া প্ৰতি গৰাকী নাৰীৰ পিনে চায় কিজানিবা বিচাৰিয়েই পায়। আৰু সন্ধিয়া লাগি ভগাৰ পিছত মাকলৈ অলপ দৰব-জাতি আৰু দিনটোৰ আৰ্জনৰ শেষ মুদ্ৰাটোলৈ যোৰাই জোখাই চৌবিবছ ঘন্টাৰ এসাজ কিনি এটা উদাস মনেৰে তৌফিক ঘৰমুৱা হয়।

..............................................

..............................................

"ত্ৰিদ্বীপ তই আজি ঘৰলৈ নাযাৱ নেকি ?" ৰামুৰ মাতত মোৰ তন্ময়তা ভাগিল। গল্পৰ প্লট বিচাৰি ক'ৰ পৰা যে ক'ত কি বোৰ ভাবে টৌ-খেলি নগ'ল মনত। প্লট আৰু বিচাৰি পোৱা নগ'ল। 'এৰা যাওঁ। ৰাতিয়েই হ'ল' মই উত্তৰ দিলো। "আঠ বাজি গ'ল, মই দোকান বন্ধই কৰিলো।' দুই এষাৰ কথা পাতি ৰামু ঘৰমুৱা হ'ল। ময়ো হ'লো ঘৰমুৱা। ৰামুৰ বিপৰীত দিশত। বাটত ৰামুৰ কথাই ভাবিলো। সদায় নিয়মানুবৰ্ত্তিতাত চলা অসাধাৰণ ব্যক্তিত্বৰ সাধাৰণ মানুহ ৰামু। আদৰ্শভাবাপন্ন ৰামুৰ মুখত লাগি থাকে সদায় এটা তৃপ্তিৰ হাঁহি। ৰামুক দেখিলেই যি কোনো মানুহৰ মনত এটা পবিত্ৰ শান্ত ভাবৰ উদয় হ'ব পাৰে। আমাতকৈ পাঁচ ছয় বছৰে ডাঙৰ যদিও ৰামু সকলোৰে বাবে ৰামু। ৰামুয়ে মানুহৰ মৰ্ম বুজে। আনৰ দুখ বেদনাৰ সমভাগী হ'ব জানে। আমাৰ বন্ধু মহলৰ লগতো ৰামুৰ এক সুন্দৰ সম্পৰ্ক। মোৰ লগত যেন কিছু গাঢ়। দহ পোন্ধৰ টকা কেতিয়াবা ধাৰলৈ নতুবা নিতান্তই প্ৰয়োজনীয় দুই এপদ বস্তু ৰামুৰ পৰা মই প্ৰায় বাকী লওঁ। মোৰ পকেটত যদিও টকা নাথাকে ৰামুৰ অন্তৰত বিশ্বাস আছে।

ৰামুলৈ ঘূৰি চাওঁ। দিনটোৰ অক্লান্ত পৰিশ্ৰমৰ পিছতো সি এক বুজাব নোৱাৰা উচ্ছাসেৰে ঠিক 'দেউতাই অফিচ ছুটিৰ পিছত ঘৰলৈ যেনেদৰে আহিছিল তেনেদৰে' বেগাই গৈছে ঘৰলৈ। ঘৰত তাৰ স্নেহশীলা পত্নী ৰুমা আৰু নোদোকা নোদোকা হাত ভৰিৰে মৰম লগা নমহীয়া কেঁচুৱাটো। ৰামুয়ে দুগুণ বেগাই খোজ দিছে। মনতে নেদেখাজনলৈ প্ৰাৰ্থনা কৰিলোঁ ৰামুৰ এই উচ্ছাস-উদ্দীপনা শত গুণলৈ বৃদ্ধি পাওঁক। তাৰ মংগল হওঁক।

মোৰ ঘৰৰ কথা মনত পৰিল। মই যেন ৰামুতকৈও বেগাই যাবলৈ ধৰিলো। মই দৌৰিব ধৰিলোঁ। মোৰ মানসপটত ভাঁহি ধৰিছে এটাৰ পিছত এটা প্ৰতিচ্ছবি - পদুলিলৈ বাৰে বাৰে চাই থকা মাৰ শুকান উদ্বীগ্ন মুখখনৰে সৈতে কৰুণ চকুহাল; মনত পৰিব ধৰিছে গাভৰু হৈ অহা ভনী দুজনীৰ কথা; বাৰে বাৰে আমনি কৰিব ধৰিছে নৱম শ্ৰেণীত পঢ়ি থকা তীক্ষ্ণ মেধা সম্পন্ন ভাইটোৰ কথা। আগতকৈও দুগুণে দৌৰিব ধৰিলো মই। বহু কাম। খোজকাঢ়ি গ'লে শেষেই নহ'ব। মাৰ উদ্বিগ্নতা দুৰ কৰি সুস্থিৰ কৰিব লাগে; ভনী দুজনীক ভাল পাত্ৰত গোটাব লাগে; ভাইটোৰ মেধাক সঞ্জীৱনী শুধা দিব লাগে; মই বি.এ. পাছ কৰিব লাগে; মোৰ সংস্থান লাগে; ঘৰখনক নিৰাপত্তা দিব লাগে। মই শতগুণ উচ্ছাসেৰে দৌৰিব ধৰিলো এইবাৰ। কেৱল দৌৰ আৰু দৌৰ এক অন্তহীন দৌৰ। ■

# প্ৰেমৰ স্বাক্ষৰ



মিচ্ প্ৰণিতা কলিতা
স্নাতক প্ৰথম বৰ্ষ (কলা)

বিচ্নাৰ পৰা উঠিল বিশ্বজিৎ। তাৰ মনটো আজি কিবা খেলি-মেলি লাগি আছে। সি মুখ-হাত ভালদৰে ধূলে আৰু চাহ জলপান খাই পৰীহঁতৰ ঘৰলৈ বুলি খোজ ল'লে।

পৰীহঁতৰ গাওঁখনতে বিশ্বজিৎহঁতৰ ঘৰ। সিহঁতৰ গাওঁখন ভিতৰুৱা নহয়। কিছু কিছু চহৰীয়া প্ৰভাৱ পৰিছে। মাক-দেউতাকৰ অতি মৰমৰ একমাত্ৰ ছোৱালী হ'ল পৰী। তাইৰ দেউতাক ওচৰৰে এখন স্কুলত চকীদাৰ কাম কৰে। এনেদৰে সিঁহতে তিনিও ভালদৰে জীয়াই আছে।

বিশ্বজিৎহঁত আৰ্থিক দিশত অৱশ্যে সিমান টনকীয়াল নহয়। সিঁহত চাৰিজন ভাই-ককাই, মাক-দেউতাকক লৈ মুঠ ছজন। সিঁহতৰ দেউতাকে বিশেষকৈ খেতি-বাতি কৰে। সিঁহতৰ ঘৰৰ বিশ্বজিৎ দ্বিতীয় ল'ৰা। বিশ্বজিৎ সৰুৰে পৰা পঢ়াশুনাত বৰ চোকা ল'ৰা আছিল। তাৰ স্মৃতি শক্তিও আছিল বৰ প্ৰখৰ। তেনেদৰে অশেষ কষ্টৰ মাজেৰে বিশ্বজিৎ নিজ চেষ্টাৰে বি.এ. পাছ কৰিলে। বি.এ. পাছ কৰাৰ পিছত সি হৈ পৰিল বেকাৰ। চাকৰিৰ কথাটো বাদেই এনেকি বেপাৰ বানিজ্য কৰিবলৈ বা দোকান দিবলৈও তাৰ হাতত টকাৰ অভাৱ ঘটিছিল। সেয়েহে দিন বাগৰাৰ লগে লগে বিভিন্ন চিন্তাই তাক আগুৰি ধৰিলে। এনেদৰে চিন্তা কৰি কৰি সি পৰীহঁতৰ ঘৰ কেতিয়া পালে গমেই নেপালে। বিশ্বজিতে পৰীক প্ৰায় পাঁচ বছৰমান আগৰে পৰা ভাল পায়। সিহঁতৰ মাজৰ প্ৰেম আছিল অতি গভীৰ। পৰী আছিল অতি শান্ত ছোৱালী। তাই বিশ্বজিৎক প্ৰত্যেকটো বিষয়তে প্ৰেৰণা যোগাইছিল। হয়তো তাইৰ প্ৰেৰণাৰে বা তাইৰ সহায়তে বিশ্বজিতে আজি এনেধৰণৰ অভাৱ অনাটনৰ মাজটো বি.এ. পাছ কৰিলে।

বিশ্বজিতক পদুলিত দেখা পাই পৰী ঘৰৰপৰা ওলাই আহি বিশ্বজিৎক সিহঁতৰ ঘৰৰ ভিতৰলৈ লৈ গ'ল। সেই দিনা বিশ্বজিৎক বৰ চিন্তিত যেন দেখা গৈছিল। পৰীয়ে অৱশ্যে সেই কথাটো লক্ষ্য কৰিছিল। পৰীৰ দেউতাক সোনকালে স্কুললৈ ওলাই যায়। মাকে ৰান্ধনি শালত সোমাই কিবা কিবি কৰি আছে। পৰী এনেয়ে ৰুমত বহি কিতাপত চকু ফুৰাই আছে। বিশ্বজিতে পৰীক ভাল পাইছিল সঁচা কিন্তু একেখন গাওঁতে থাকিও সিহঁতে তিনি চাৰি মাহৰ মূৰতহে কেতিয়াবা হঠাতে কথা পাতিছিল বা লগ ধৰিছিল। পৰীহঁতৰ ঘৰতো সি হঠাতেহে কেতিয়াবা আহিছিল। সেয়ে পৰীহঁতৰ মাক-দেউতাকে বা বিশ্বজিৎহঁতৰ মাক দেউতাকে সিঁহতৰ সম্পৰ্কৰ কথা গম পোৱা নাছিল আৰু সন্দেহ কৰা নাছিল।

সি পৰীৰ ৰুমত বহি পৰিল আৰু কোনো দিনে নোকোৱাৰ দৰে কথা আৰম্ভ কৰিছিল। তাৰ সেই কথা বতৰাবোৰ শুনি পৰী আচৰিত হ'ল। সি হঠাৎে ক'লে পৰী, মই আৰু নাথাকো পৰী। মই গুচি যাম বহুদূৰলৈ। তুমি মোক আৰু মৰমৰ বান্ধোনেৰে বান্ধি ৰাখিব নোৱাৰা। পৰী এখন্তেক তাৰ ফালে চাই থাকিল। পৰীক কোনো কথা কোৱাৰ সুবিধা নিদি সি একেধাৰে কৈ গ'ল। মই আৰু সাধাৰণভাৱে জীয়াই থাকিব নোখোজো পৰী, মই বিপ্লৱী হ'ম। মোৰ এই সিদ্ধান্তৰ বাবে তুমি মোক ক্ষমা কৰিবা। তুমিটো মোক একো অশান্তি দিয়া নাছিলা সঁচা কিন্তু মই নিৰুপায় পৰী, মোক ক্ষমা কৰা। পৰিয়ে বহুত সময় ধৰি বুজালে কিন্তু সেইদিনাখন তাই বিশ্বজিৎক অন্য দিনৰ দৰে বুজাব পৰা নাছিল। এনেদৰে কৈ সি পৰীৰ পৰা বিদায় ল'লে।

এনেদৰে পৰিয়ে এক দুঃচিন্তাৰ মাজেৰে পাৰ কৰিব ধৰিলে দিনৰ পিছত দিন, মাহ, বছৰ। কোমল অন্তৰৰ ছোৱালীজনী হৈ পৰিল এচটা শিলৰ দৰে। তাই নিস্ক্ৰীয় ভাৱে নিজৰ কৰ্ত্তব্য কৰি গ'ল। তাই বি.এ. পাছ কৰাৰ পিছত আৰু পঢ়াৰ বিষয়ে মন নকৰিলে। মাক-দেউতাকে অৱশ্যে তাইক

এম. এ. পঢ়িবলৈ কৈছিল। তাই হে অমান্তি হ'ল। তাই এনেয়ে ঘৰতে বিভিন্ন চিন্তাৰ মাজেৰে জীৱন কটাব ধৰিলে। তাই বিয়াৰ বাবে বিভিন্ন ঠাইৰ পৰা খবৰ আহিছিল। প্ৰত্যেক মাক-দেউতাকে নিজৰ ল'ৰা-ছোৱালীক ভাল ঘৰলৈ বা ভাল ল'ৰালৈ দিব পৰাটোহে চিন্তা কৰে। সেয়ে মাক-দেউতাকে তাইৰ আগত কেতিয়াবা কেতিয়াবা তাইৰ বিয়াৰ বিষয়ে আলোচনা কৰিব বিচাৰে কিন্তু পৰীয়ে মাক-দেউতাকক স্পষ্টভাৱে জনাই দিছিল যে তাইৰ মতৰ বিৰুদ্ধে কেতিয়াও তাই বিয়া নহয়।

এনেদৰে হঠাৎ এদিন ৰাতি দুইমান বজাত পৰীৰ ৰুমৰ দৰজাত কোনোবাই টুকুৰিয়ালে। তাই প্ৰথমতে শুনা নাছিল কিন্তু পিছত স্পষ্ট ভাৱে সেই শব্দ শুনা পালে। তাই পৰ্দাৰ ফাকেৰে বাহিৰলৈ জুমি চালে। আৰু দেখিলে দুজন ক'লা কাপোৰ পিন্ধা অচিনাকী যুৱক। তাই ভাবিলে পুলিচক ফোন কৰিব নেকি ? কিন্তু দৰজাৰ টোকৰণি ক্ৰমাৎ বাঢ়িবলৈ ধৰিলে। অৱশেষত তাই উপায়হীন হৈ দৰজা খুলি দিলে। সেই ৰাতিখন মাক-দেউতাকক তাই মাতিবলৈ ইচ্ছা কৰা নাছিল। দৰজাখন খোলাৰ লগে লগে এজন যুৱক ভিতৰলৈ সোমাল আৰু আন এজন তাৰ পৰা আঁতৰি গ'ল। তাই ভয়ত চিঞৰিব খুজিছিল কিন্তু যুবকজনে তাইৰ মুখ খন সোপা দিলে। তাই তেতিয়া গম পালে যে সেই যুৱকজন তাইৰ অচিনাকী নাছিল। তাহানিৰ চিনাকী সেই তাইৰ প্ৰাণৰ মৰমৰ বিশ্বজিৎ। বিশ্বজিতে পৰীক মনে প্ৰাণে ভাল পাইছিল। পৰীয়েও তাৰ ব্যতিক্ৰম নাছিল। সেইদিনা বিশ্বজিৎ আহিছিল পৰীক প্ৰেমৰ স্বাক্ষৰ দিবলৈ। পৰীয়েও অৱশ্যে সকলো নিঃশব্দে মানি লৈছিল। কাৰণ পৰীয়ে বিশ্বজিতৰ অপেক্ষাতে ৰৈ আছে ইমান দিনে। সেই ৰাতিয়ে সিঁহতৰ মহা মিলন হয়। পৰীৰ জীৱনলৈ আহে এক অনাবিল পৰিবৰ্তন বিশ্বজিৎ অৱশ্যে সেই ৰাতিয়ে তাইৰ পৰা বিদায় ল'লে আৰু পৰীক সেই বিষয়ে কোনো চিন্তা কৰিবলৈ বাধা দিলে।

দিন পাৰ হোৱাৰ লগে লগে পৰীৰ অৱস্থা লাহে লাহে বেয়াৰ ফালে আহিল। তাই মাক-দেউতাকক ফাঁকি দিলে যে তাই এখন দূৰৰ চহৰত কম্পিউটাৰ শিকিবলৈ যাব। মাক-দেউতাকে মানি ল'লে। বিশ্বজিতে সেই চহৰখনত তাইক এটা ভাড়া ৰুমত থাকিবলৈ দিলে। তিনিমাহ মান যোৱাৰ পিছত এদিন হস্পিতালত পৰীৰ এটা ল'ৰা সন্তান জন্ম হ'ল। বিশ্বজিতে লগে লগে সেই ল'ৰাটোক এহাল ল'ৰা-ছোৱালী নোহোৱা মানুহক দি দিলে। আৰু সিহঁতৰ ঠিকনা ভালদৰে নোট কৰি বুকত তুলি থলে।

মানুহহালে ল'ৰাটোক লৈ গ'ল আৰু সিহঁতে ল'ৰাটোৰ নাম ৰাখিলে বিপ্লৱ। ল'ৰাটো আছিল বিশ্বজিৎৰ দৰে পঢ়াশুনাত চোকা আৰু দেখাত প্ৰায় একে। সি লাহে লাহে ডাঙৰ হ'ব ধৰিলে। মাক-দেউতাকে তাক ওচৰৰে স্কুল এখনত নাম লগাই দিলে। মাক-দেউতাকে অৱশ্যে বিশ্বজিৎ আৰু পৰীক চিন ৰখা নাছিল। পৰী আৰু বিশ্বজিতে কিন্তু বিপ্লৱৰ ওপৰত পূৰা নজৰ ৰাখিছিল। যিখন স্কুলত বিপ্লৱ পঢ়িছিল; তাত পৰীয়ে চাকৰি পাইছিল। আৰু তাই বিদ্যালয়ৰ ওচৰতে এটা ভাড়া ঘৰত থাকিবলৈ ল'লে। বিপ্লৱ স্কুললৈ আহিলে তাই বিপ্লৱক বৰকৈ মৰম কৰিছিল। তাক পৰীয়ে প্ৰায় চকলেট, বেলুন, পুতলা আদি দিছিল। মাক-দেউতাকে পঢ়াত চোকা ল'ৰা বাবে বাইদেউৰে মৰমতে সেইবোৰ দিয়া বুলি ভাবিছিল।

কেতিয়াবা বিশ্বজিতে পৰীৰ ৰুমলৈ আহিলে পৰীয়ে বিপ্লৱক মাতি আনি তাৰ লগত কথা পাতিব দিছিল। বিপ্লৱে বিশ্বজিৎক আংকুল বুলি মাতিছিল। এনেদৰে বহুদিন যোৱাৰ পিছত বিপ্লৱ এজন পুলিচ ইনিচপেক্টৰ হ'ল। সি কিন্তু সকুতে আংকুল হিচাপে লগ পোৱা সেই বিশ্বজিৎক চিনি পোৱা নাছিল। আৰু পৰীক বাইদেউ হিচাপে সন্মান কৰিছিল।

এদিন হঠাৎ বিপ্লৱহঁতৰ থানাত গুলিয়া গুলি হ'ল। সেই ঘটনাটো ঘাটিছিল বিশ্বজিৎ আৰু বিপ্লৱৰ দলৰ মাজত। বিপ্লৱৰ গুলিত এজন আদহীয়া বয়সৰ লোক আহত হৈছিল। আৰু তাক থানালৈ লৈ অনা হৈছিল। বিশ্বজিতে কেতিয়াও ভবা নাছিল যে সি বিপ্লৱৰ দলৰ লগতহে গুলীয়া গুলিত লিপ্ত হৈছে। বিপ্লৱে চাকৰী পোৱা বুলি সি গম পোৱা নাছিল। এনেতে হঠাৎ যেতিয়া বিশ্বজিতে সেই ঘটনাস্থলীত বিপ্লৱক দেখা পালে সি তৎক্ষণাত গুলি চলোৱা বন্ধ কৰি দিলে। এনেকি সি সেই ঠাইৰ পৰা পলাবলৈও যত্ন কৰা নাছিল। তাৰ দলটো কিন্তু ঘটনাস্থলীৰ পৰা পলাই সাৰিছিল। আহত বিশ্বজিৎক বিপ্লৱে থানালৈ লৈ গৈছিল। বিশ্বজিতে মৃত্যুৰ আগ মুহূৰ্ত্তত বিপ্লৱক প্ৰকৃত ঘটনাৰ বিষয়ে খুলি কৈছিল। বিপ্লৱে কিন্তু বিশ্বজিৎৰ কথাত মান্তি হোৱা নাছিল। সেয়ে সি তাৰ অপৰিচিত মাক পৰী বাইদেউলৈ ফোন কৰিছিল। পৰী বাইদেউয়ে আহি যেতিয়া বিশ্বজিতে কোৱা সকলোবোৰ কথা সঁচা বুলি ক'লে বিপ্লৱে তেতিয়া বিশ্বাস কৰিবলৈ বাধ্য হ'ল। আৰু বিশ্বজিৎক বচোৱাৰ বাবে জীৱন প্ৰাণ চেষ্টা কৰিছিল কিন্তু দুৰ্ভগীয়া বিশ্বজিৎ আৰু এই পৃথিবীত বাচি নাথাকিল। সি মৃত্যুক আকোৱালি ল'লে। বিপ্লৱে এই আটাইবোৰ ঘটনা জনাৰ পিছত দেউতাক বিশ্বজিৎক মাক পৰীক আগত ৰাখি নিজ হাতেৰে সৎকাৰ কৰিলে। ■

# এটি অদ্ভুত ভ্ৰমণ

*টোপনি নহাত তাই বিছনাতে বাগৰ সলাই আছিল হঠাৎ তাই এটি গিটাৰৰ ধ্বনি শুনিবলৈ পালে আৰু লগতে এটি মধুৰ ছোৱালীৰ গীত। কিছুপৰ শুনাৰ পিছত তাইৰ ওলাই যাবৰ মন গ'ল আৰু তাই সেই শব্দৰ পিনে অগ্ৰসৰ হ'ল। দুৱাৰ খুলি বাহিৰলৈ ওলাই আহি বাৰান্দাৰে কিছুদূৰ যোৱাৰ পাছত এটি কোঠালৈ তাইৰ চকু পৰিল। কোঠাটোৰ দুৱাৰখন বন্ধ থকা স্বত্বেও তাই বাহিৰৰ পৰাই স্পষ্টকৈ দেখিলে এজনী ছোৱালী আৰু দুজন পুৰুষ। তাৰেই এজনে গীতাৰ বজাই আছে লগত থকা ছোৱালীজনীয়ে গীতাৰৰ তালে তালে গুণ গুণাই আছে। হঠাৎ তাৰে এজন পুৰুষ কোঠাৰপৰা বাহিৰলৈ ওলাই গ'ল আৰু আন পুৰুষজনে ছোৱালীজনীৰ ডিঙিত চেপি ধৰি তাইক হত্যা কৰিলে।*

মিচ্ জোমিনা বেগম
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ (কলা)

এছকাৰ্ছন বুলিলে ক'লেজীয়া জীৱনৰ এটি মনোমোহা দিন। নৱেম্বৰৰ পাঁচ তাৰিখে আমাৰ কলেজৰ নৃ-তত্ব বিভাগৰ ছাত্ৰ-ছাত্ৰীয়ে ৰাতিপুৱাই ভ্ৰমণলৈ বুলি যাত্ৰা আৰম্ভ কৰিলে কাশ্মীৰলৈ আৰু লগত আছে প্ৰফেছাৰ আৰু মেডাম। প্ৰথমে যাত্ৰা আৰম্ভ হ'ল বাছত তাৰপৰা ৰে'লৰে আকৌ বাছত এনেদৰে চাৰিদিনৰ মূৰত যাত্ৰাৰ অন্তত গন্তব্য স্থান পালো অৰ্থাৎ কাশ্মীৰ। কিন্তু তেওঁলোকৰ অনুমান আছিল দিনত পোৱাৰ। ৰে'ল পলম হোৱাৰ বাবে পালো প্ৰায় মাজনিশা। সেইবাবে আগতে ঠিক কৰা হোটেললৈ যোৱাৰ কোনো সুবিধা নাপালো। তাতে আকৌ হাড় কপোৱা ঠাণ্ডা। বাছষ্টেচনত গোটেই ছাত্ৰ-ছাত্ৰী থকাৰ সুবিধা নাই। তেওঁলোকে খোজকাঢ়ি গৈ থাকিল ক'ৰবাত কিবা ব্যৱস্থা কৰিব পাৰি নেকি? কিছুদূৰৈত তেওঁলোকৰ এটি পুৰণি কলীয়া ডাঙৰ ঘৰ চকুত পৰিল। দেখিলে তাত একুৰা জুই আৰু এটি সৰু লেম্প জ্বলি আছে। কিন্তু ঘৰটো দেখাত এনেকুৱা লাগিল যেন তাত বহু বছৰ ধৰি কোনো মানুহ বাস কৰা উমান পোৱা নাযায় চাৰিওপিনে ধূলি আৰু মকৰা জালেৰে আবৃৰা। ঘৰটোত এজন বুঢ়া মানুহ আছিল। সেই বুঢ়াজন আৰে চকিদাৰ। বৃদ্ধজনৰ কথাৰ পৰা জানিব পৰা গ'ল সেই ঘৰটো এটা পৰিত্যক্ত চৰকাৰী ডাক বাংলা। বৰ্তমান তাত আগৰ দৰে মানুহৰ সমাগম নাই সেই বাবে ঘৰটো তেনেকুৱা অৱস্থাত আছে। আজি আপোনালোক ইয়াত থাকিব সেয়া মোৰ সৌভাগ্য।

বৃদ্ধ চকিদাৰজনে কিছুমান নিৰ্দেশ দিছিল তাত থকাৰ, কিন্তু সকলোৰে আচৰিত লাগিল তেওঁৰ এটি কথাত সেয়া হ'ল নিৰ্দিষ্ট কোঠা এটাত কোনো ছাত্ৰ-ছাত্ৰীক নাযাবলৈ বুঢ়াই অনুৰোধ কৰিলে লগতে ক'লে যদি কিবা শব্দও শুনিবলৈ পায় তথাপিও যাতে নিজৰ কোঠাৰ পৰা বাহিৰলৈ নাহে। সকলো ঠিক্ ঠাক্ কৰি হোৱাৰ পিছত সকলোৰে নিজৰ নিজৰ কোঠালৈ বুলি ৰাওণা হ'ল। ছাত্ৰসকলক এটা ৰুমত প্ৰফেছাৰসকলক এটা ৰুমত আৰু ছাত্ৰী আৰু মেডাম এটি ৰুমত। পুৱতি নিশাৰ সময় সকলো নিদ্ৰাত মগ্ন। দীঘলীয়া ভ্ৰমণৰ পিছত নিদ্ৰাত মগ্ন হোৱা স্বাভাৱিক কথা। কিন্তু টোপনি অহা নাছিল তাৰে এজনী ছাত্ৰীৰ। কাৰণ তাইক এটা কথাই বাৰে বাৰে আমনি কৰিছিল। চকিদাৰজনে কোৱা সেই নিৰ্দিষ্ট কোঠাটোলৈ। সেই বিষয়ে তাইৰ মনত কিছু চিন্তাৰ উদ্ভৱ হৈছিল। কথাটোনো কি হ'ব পাৰে যাৰ বাবে ইমান বুঢ়া মানুহজনে এনেকুৱা অনুৰোধ কৰিলে। টোপনি নহাত তাই বিছনাতে বাগৰ সলাই আছিল হঠাৎ তাই এটি গিটাৰৰ ধ্বনি শুনিবলৈ পালে আৰু লগতে এটি মধুৰ ছোৱালীৰ গীত। কিছুপৰ শুনাৰ পিছত তাইৰ ওলাই যাবৰ মন গ'ল আৰু তাই সেই শব্দৰ পিনে অগ্ৰসৰ হ'ল। দুৱাৰ খুলি বাহিৰলৈ ওলাই আহি বাৰান্দাৰে কিছুদূৰ যোৱাৰ পাছত এটি কোঠালৈ তাইৰ চকু পৰিল। কোঠাটোৰ দুৱাৰখন বন্ধ থকা স্বত্বেও

তাই বাহিৰৰ পৰাই স্পষ্টকৈ দেখিলে এজনী ছোৱালী আৰু দুজন পুৰুষ। তাৰেই এজনে গীতাৰ বজাই আছে লগত থকা ছোৱালীজনীয়ে গীতাৰৰ তালে তালে গুণ গুণাই আছে। হঠাৎ তাৰে এজন পুৰুষ কোঠাৰপৰা বাহিৰলৈ ওলাই গ'ল আৰু আন পুৰুষজনে ছোৱালীজনীৰ ডিঙিত চেপি ধৰি তাইক হত্যা কৰিলে।

ইমান নিচ্চুপ হৈ গ'ল চাই থকা ছোৱালীজনী হতবম্ব হৈ পৰিল আৰু তাই হঠাৎ শৰীৰৰ পৰা কিবা এটা ওলাই যোৱা অনুমান কৰিলে আৰু বিভীৎস চিঞৰ মাৰি অচেতন হৈ পৰিল। পোহৰ হ'বলৈ আৰু কিছুপৰ বাকী আছিল কিন্তু সেই চিঞৰে সকলোৰে নিদ্ৰা ভংগ কৰিলে। কিহৰ চিঞৰ সকলোৰে মাজত ভয়ৰ চাপ সকলোৰে ইজনে সিজনৰ মুখলৈ চাইছে। অৱশেষত সাহস গোটাই সকলো খিনি বাহিৰলৈ ওলাল। চিঞৰৰ সন্ধানত ইফাল সিফাল কৰাৰ পিছত ছোৱালীজনী সেই নিৰ্দ্দিষ্ট কোঠাটোৰ বন্ধ দুৱাৰ মুখত অচেতন অৱস্থাত পালে। তাইক সকলোৰে মিলি বিচনালৈ নিলে কিছু শুশ্ৰূষা কৰাৰ পিছত তাই চেতনা ঘূৰাই পালে। মেডামে তাইক লাহেকৈ সুধিলে যে তাই সেই কোঠাটোৰ ওচৰলৈ কেনেকৈ গ'ল। লাহে লাহে তাইৰ সকলো কথা মনলৈ ভাহি আহিল। গোটেই ঘটনাটো বিৱৰি ক'লে।

কিছুপৰ পিছত চকিদাৰজন আহিল। সকলোৰে মুখত তেওঁ ভয়ৰ ছাপ দেখি অনুমান কৰিছিল যে নিশ্চয় কিবা অঘটন ঘটিছে। তেওঁ সকলোকে উদ্দেশ্য কৰি সুধিলে কি হ'লনো ? ছাৰে তেওঁক গোটেই ঘটনা কোৱাৰ পিছত তেওঁ এটি হুমুনিয়াহ এৰিলে আৰু লাহে লাহে গোটেই ঘটনাটোৰ বিৱৰণ দিলে।

মোৰ বয়স বৰ্তমান সত্তৰৰ ওচৰত কিন্তু সকলোৰে হয়তো ভাবে মোৰ এই বয়সত কোনো নাই। কিছু বছৰৰ আগৰ কথা। মোৰো এখন ধুনীয়া সংসাৰ আছিল য'ত আছিল মোৰ পত্নী আৰু মোৰ একমাত্ৰ কণ্যা। তেতিয়াও মই এই বাংলাত চাকৰি কৰো মোৰ লগতে একেলগে মোৰ পত্নী আৰু কণ্যা তিনিও মিলি আমি ইয়াতে থাকো আৰু দেশ বিদেশৰ পৰা অহা সকলোকে আমি সেৱা শুশ্ৰূষা কৰো। মোৰ কণ্যাৰ বয়স তেতিয়া ওঠৰ বছৰ। সদায় অহা যোৱাৰ দৰে এদিন ইয়ালৈ আহিছিল মধ্য প্ৰদেশৰ এক সম্ভ্ৰান্ত পৰিয়ালৰ দুজন পুৰুষ। সৌন্দৰ্য্য উপভোগ কৰাৰ বাবে কাশ্মীৰলৈ আহিছিল। কথা বতৰালৈ বেছ ভাল লগা লোক। তাৰে এজনে ধুনীয়া গীতাৰ বজাইছিল। দিনটো ফুৰাৰ পিছত ৰাতি তেওঁ ওচৰত বহি ধুনীয়া গীতাৰ সুৰ বজাইছিল। কিছুদিন পিছত মোৰ কণ্যা আৰু ঘৰৰ মানুহজনীৰ লগত তেওঁলোকৰ বন্ধুত্ব হৈছিল। মোৰ কণ্যাজনীৰ লগত গীতাৰ বজোৱা মানুহজনৰ বন্ধুত্ব গঢ়ি উঠিছিল। লাহে লাহে সেই বন্ধুত্ব প্ৰণয়ত পৰিণত হৈছিল। কিন্তু এই প্ৰণয়ত ল'ৰাজনৰ ঘৰৰ মানুহ বিৰোধী আছিল। অৱশেষত তেওঁলোক দুজন বহুত বিৰোধী স্বত্বেও বিবাহ পাশত আবদ্ধ হ'ল। ল'ৰাজনে কাশ্মীৰতে এই কোঠাটোতে নিজৰ সংসাৰৰ শুভ আৰম্ভণি কৰিলে। লাহে লাহে তেওঁলোকক অৰ্থনৈতিক ফালৰ পৰা নাটনিয়ে দেখা দিছিল। বহুত কষ্টৰ মাজেৰে অতিবাহিত কৰি তেওঁলোকে দিন কটাবলগীয়া হৈছিল। পিছত তাইৰ স্বামীৰ এটা বহুত বেয়া অসুখ হৈছিল যিটোৰ বাবে তেওঁৰ চলা ফুৰাত অসুবিধা হৈছিল। শেষত তেওঁ বিচনাত পৰিছিল। উপায় নাপাই মোৰ কণ্যাজনীয়ে চাকৰিৰ সন্ধানত ওলাবলগীয়া হৈছিল। তাইৰ স্বামীৰ যিজন বন্ধু আছিল তেওঁ আছিল এজন ব্যৱসায়ীক। তেওঁৰ তলতে তাই কাম কৰিছিল। লাহে লাহে তেওঁলোকৰ মাজত বন্ধুত্ব গঢ়ি উঠিছিল কিন্তু সেই বন্ধুত্ব তাইৰ স্বামীৰ সহ্য হোৱা নাছিল আৰু তেওঁলোকৰ মাজত সেই বিষয়ে মনোমালিন্য ঘটিছিল। এদিন তেওঁলোকৰ ঘৰত বন্ধুজন আহিছিল। তাই, স্বামী আৰু বন্ধুজন এই কোঠাটোত কথা পাতি গাই আনন্দ কৰি আছিল। কিছুসময়ৰ পিছত বন্ধুজন গুচি গ'ল। পিছত মোৰ ছোৱালীজনী আৰু তাইৰ স্বামীৰ মাজত মনোমালিন্য ঘটিছিল। পিছত অতীষ্ঠ হৈ তাইৰ স্বামীয়ে তাইক ডিঙিত চেপি হত্যা কৰিছিল। এই দৃশ্যটো দেখি তাইৰ মাকৰো ঘটনাস্থলীতে মৃত্যু হৈছিল। কাহিনীটো কোৱাৰ পিছত বুঢ়াই হুকহুকাই কান্দিবলৈ ধৰিলে। কিছুপৰ পিছত তেওঁ তাৰপৰা গুচি গ'ল।

বৃদ্ধজনৰ কথা শুনি তেওঁলোকৰো মনত দুখ উপজিল আৰু তাৰপৰা তেওঁলোক উভতি আহিল। ■

যি বোৰ মানুহে তোমাক প্ৰশংসা কৰে সেইবোৰ মানুহক বন্ধু বুলি নাভাবিবা; আচল বন্ধু হ'ল মৰমৰ মাতেৰে তোমাৰ দোষ দেখুৱাই দিয়া মানুহবোৰ।

- চক্ৰেটিছ

- বন্তী সিংহ

স্নাতক দ্বিতীয় বৰ্ষ (কলা)

(ৰস ৰচনা)

# আধা


খনীন্দ্ৰ কলিতা

স্নাতক দ্বিতীয় বৰ্ষ





ধাৰসাৰ বৰষুণ দি আছে। ৰাজুৱে খিৰিকিৰে উপভোগ কৰিছে চহৰৰ পৰিৱেশ। পৰিৱেশটো যদিও অচিনাকী তথাপি সি ডাঙৰ ডাঙৰ ঘৰ, ইমান গাড়ী-মটৰ, মানুহৰ ভিৰ দেখি আনন্দ পাইছে। কিছুদুৰ যোৱাৰ পিছত গাড়ীখন ৰখালে। সি ষ্টেচনত নামিলে। কিন্তু বৰষুণৰ বাবে সি ক'লৈকো যাব নোৱাৰা হ'ল। গতিকে সি ছাটি এটা কিনাৰ বাবে দোকানত সোমাল। ছাটি পচন্দ হোৱাত দোকানীক সুধিলে - এই ছাটি টোৰ দাম কিমান?

ঃ ২০০ (দুশ) টকা।

সি এতিয়া কিমান দাম দিয়ে ! হঠাতে মনত পৰিল গাঁৱৰ খুৰাকৰ কথা। চহৰলৈ আহোতে খুৰাকে ৰাজুক বহুতো উপদেশ দিছিল, তাৰ ভিতৰত "বোপাই চহৰৰ পৰিস্থিতি ভাল নহয়। সাৱধানে চলিবা। তাত বস্তু-বাহিনী কিনোতে সাৱধান হ'বা। দোকানীবোৰে অতিৰিক্ত দাম শুনায়। কিন্তু তাৰ আধা মানহে দিবা। দোকানীজনে ৫০ টকা ক'লে তুমি ২৫ টকাহে দিবা ...... ইত্যাদি"।

ঃ আপুনি বেছি দাম কৈছে, ১০০ টকা লওক।

ঃ ১০০ টকাত এনেকুৱা ছাটি ক'ত পাব। ১০০ টকাত মই নিজেই কিনিব পৰা নাই। আপুনি যদি লয় ১৮০ টকা ধৰিম।

সি ভাবিলে দোকানীজনে ১৮০ টকা ক'লে, গতিকে, সি খুৰাকে কোৱা মতে আধা দামহে দিয়াৰ সিদ্ধান্ত ল'লে - ৯০ টকা হ'ব নেকি ?

ঃ আপুনি কি মানুহহে ? এইমাত্ৰ ১০০ টকা দিছিল আৰু এতিয়া কৈছে ৯০ টকা। আপোনাৰ লোৱাৰ ইচ্ছা আছেতো?

ঃ ছাটি লোৱাৰ ইচ্ছা নহ'লে মই ইয়ালৈ আহোনে?

ঃ আপুনি যদি লয় আৰু ২০ টকা কমাই দিছো। দিয়ক ১৬০ টকা দিলেই হ'ব।

সি ভাবিলে ১৬০ টকাৰ আধা কিমান হয়। কিছু ভাবি হিচাপ উলিয়ালে -

ঃ ৮০ টকা হয় যদি দিয়ক।

তেতিয়া দোকানীজনৰ খং উঠি গ'ল আৰু ক'লে - আপোনাৰ মূৰৰ দোষ আছে নেকি ? যিমানে দৰ দাম কৰি আছে আপুনি দাম বঢ়াই দিয়াৰ সলনি কমাইছেহে। আপুনি ছাটি ল'ব নালাগে যাওঁক। ক'ৰবাত পায় যদি লওকগৈ।

ঃ আপোনালোকে বোলে এনেই দাম বেছি লয়। সেয়ে মই আপোনাক তেনেকুৱা দাম দিছো। আচ্ছা যিয়েই নহ'ওক - খাটাং দামটো কওঁক -

ঃ মইয়ো আপোনাক শেষ দাম দিছো। ৭৫ টকা দিম।

ঃ দোকানীজনে খঙত জ্বলি উঠিল। হঠাতে চিন্তা কৰিবলৈ ধৰিলে - ২০০ টকা কোৱাত গ্ৰাহকজনে ১০০ টকা দিয়ে, ১৮০ টকা কোৱাত ৯০ টকা দিয়ে ......... । অ' মানে এওঁ মই কোৱা দামৰ আধাহে দাম দিয়ে ...... ।

ঃ আপুনি ছাটি ল'বতো খাটাং

ঃ হয়।

ঃ আপোনাক একেবাৰে কম ধৰিম। আপুনিও জনা বুজা মানুহ। গতিকে আপোনাৰ পৰা বেছি লৈ লাভ নাই।

ঃ কিমান ধৰিব।

ঃ আনৰ পৰা বেছি লওঁ। আপোনাৰ পৰা মাত্ৰ ৪০০ টকা ল'ম।

ঃ মই ২০০ টকাহে দিব পাৰিম।

ঃ এহ্ হ'ব দিয়ক, চিনাকি মানুহ যেতিয়া।

## এই জীৱন

ভনিতা ৰায়
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ (কলা)

সপোন ৰচিলো বহুত
কল্পনাৰ সাগৰত ডুব গৈ গৈ
পাহৰি গৈছিলো বাস্তৱক
হঠাৎ এজাক ধুমুহাই আহি
সপোনবোৰ ভাঙি চুৰমাৰ
কৰি থৈ গ'ল।
এতিয়া সপোনো ৰচিব
নোৱাৰি  বাস্তৱকো
ভাবিব নোৱাৰি।
এতিয়া কেনেকৈ জীয়াই
থাকো পোৱা নাই  ভাৰি।
বুকুৰ মাজত অলেখ কাঁইট
সেই কাঁইটে আঁচুৰি আঁচুৰি
কৰিছে একেবাৰে ৰিক্ত
এই ৰিক্ত হৃদয় লৈ জীয়াই
থাকিব লাগিব।
নহ'লে আধৰুৱা হ'ব
মোৰ এই জীৱন।





## প্ৰিয়তম তোমালৈ

ৰিমা কছাৰী

প্ৰিয়তমা তোমালৈ ৰঙা গোলাপ
বহুতো কথা লিখিলো আজি;
এই প্ৰেম পত্ৰ প্ৰথম যৌৱনত
নাই কোনো ভাষাৰ স্পৰ্শ।

এতিয়াহে  জানিলো ৰোমান্টিক
প্ৰেমৰ ৰঙা গোলাপৰ বিষয়ে;
মমৰ পোহৰত লিখা স্মৃতিৰ কথা
এনেই ফাঁৰি চিঙি নিদিবা।

নাজানো তোমাৰ কাৰ প্ৰেম
বাজিছে  আজি পেঁপা হিঁয়াত।
ৰুক্মিনী হৈ লিখিলো মই আজি
তোমালৈ প্ৰথম যৌৱনৰ চিঠি।

তোমাক লগ পোৱাৰ পিচত
ভাবিছিলো যৌৱন জীৱনৰ কথা
ক'ম তোমাক হৃদয়ৰ কথা;
কিন্তু নহ'ল আজিয়ো কোৱা
মনৰ কথা মনতে থাকি ৰ'ল।

## বেদনা

ৰূপম ৰাভা
স্নাতক দ্বিতীয় বৰ্ষ

মন বিষাদেৰে ভৰি পৰে
তাই যেতিয়া ওচৰত নাথাকে।
মনপক্ষী উৰি যায়
তাইৰ ওচৰলৈ,
কিঞ্চিত মৰম পাবলৈ
মৰম দিবলৈ।



দুচকুৰে দুধাৰি তপত চকুলোঁ
নৈ হৈ বাগৰি আহে
মৰম বিচাৰি ফুৰা
হিয়াখনিৰ মাজেৰে।

কিয় এই বিৰহ বেদনা ?
মইতো কৰা নাছিলো
অন্তৰংগ আলাপ,

সময়বোৰ পাৰ কৰা নাই
গছৰ ছাঁত বহি
তথাপি !

তথাপি কিয় জানো
তাইৰ সান্নিধ্য লভিবলৈ
আজি মন মোৰ ব্যাকুল,



কিয় ? কিয় ?
মূৰ্খ হৈ জনম লৈ
বুজিব নোৱাৰো মই,
এইয়া মনৰ চঞ্চলতা
নে অবাধ্য প্ৰেমৰ স্বৰূপ।

## অতীত

শ্যামজিৎ ৰাভা
স্নাতক দ্বিতীয় বৰ্ষ (কলা)

চাওঁতে চাওঁতে তোমাক বেলেগ ধৰণে চাব পৰা হ'লো।
তুমি ভাল লগা হৈ আহিলা,
তোমাৰ অহা যোৱা বাটত ৰৈ থাকো ....
এবাৰ নেদেখিলে অস্থিৰতাত ছটফটাই থাকো,
কেনেকৈ কওঁ, ভাল পাওঁ তোমাক .....
ক'ব নোৱাৰাকৈ পাৰ হয় সময় .....
শিতানত মূৰ থৈ ক্ষণ গ'নো .....
পাৰ হয় উজাগৰী নিশা।
তুমি নজনাকৈয়ে মোৰ উৰ্বৰা বুকুত অংকুৰিত হ'লা,
লহপহকৈ বাঢ়ি আহিলা,
তোমাৰ চকুত চকু থওঁ, অথচ তুমি নিৰ্বিকাৰ।
তোমাৰ খোজবোৰ ফুলি থাকে বুকুত ......
অথচ তুমি নাজানা কিদৰে মই বুৰ গৈছো তোমাৰ সমুদ্ৰত।
হয়তো স্বীকাৰ নকৰিবা, নতুন ঠিকনাৰ আঁৰত যে তুমি,
মই এতিয়াও লৈ ফুৰো তোমাৰ মৰমবোৰ .....
তোমাৰ হৃদয়ৰ সমস্ত অনুভৱবোৰ।
তোমাক আপোন কৰিব বিচৰা অনুভৱবোৰ মিছা নহয়,
মিছা কথা নকয়, প্ৰেমৰ গদ্য বা পদ্যই,
তুমি মোক জানিও নাজানিলা, বুজিও নুবুজিলা,
সানি দিলা গালে মুখে দুষিত বতাহৰ কলপ।

মই জানো দুখৰ বতাহে থেকেচি থাকিব মোৰ জীৱন,
স্মৃতিয়ে কুটি কুটি খাব মোৰ মন .....
সুখৰ নিজৰা শুকাই যাব হ'লেওঁ,
তুমি মোৰ সঁচা প্ৰেমৰ ঠিকনা, প্ৰেৰণা অমল উৎস,
প্ৰেমৰ সেউজীয়া ঘৰ।

ব্যঙ্গ কবিতা

## খ্যাতি - ৰহস্য

বন্তী সিংহ
স্নাতক দ্বিতীয় বৰ্ষ (কলা)

লক্ষীমপুৰৰ ঘিউ ক্ৰীম
ডিব্ৰুগড়ৰ চাহ
খাই উঠি সকলোৱে
কৰে বাহ্, বাহ্।

শিৱসাগৰৰ শিৱদ'লে
অতীত বুৰঞ্জী কয়
নগাওঁ জিলাৰ কলা নদী
আঁকাই পকাই বয়।
কামৰূপৰ কামাখ্যা মন্দিৰ
নীলাচল পাহাৰত আছে,
দৰং জিলাৰ দৰঙী ৰজাই
তাতে সেৱা যাচে।
তেজপুৰ জিলাৰ পুৰণি নাম
শোণিতপুৰ নামে খ্যাত
বাণৰ জীয়ৰী ঊষাৰ নগৰী
অগ্নিগড়ো আছে তাত।
গোৱালপাৰা জিলাৰ মৰাপাটেৰে
তৈয়াৰ কৰে চটি
বৰপেটাৰ কীৰ্ত্তন ঘৰত
নামৰ নহয় খতি
কাছাৰ জিলাৰ মাটিত আকৌ
কৰিছে কফিৰ খেতি
মিকিৰ পাহাৰৰ কমলা টেঙাই
ফলৰ ৰাখিছে খ্যাতি।



## মৃত্যু

যুগল কুমাৰ নাথ
স্নাতক প্ৰথম বৰ্ষ (কলা)

কি আছে মোৰ
কাৰ বাবে কৰিম মই মৃত্যু ভয়;
মোৰ চৌপাশে
মোৰ দেশ, মোৰেই মাটি
মোৰ জাতি-স্বজাতি,
অথচ ইয়াতেই
বিবস্ত্ৰ হৈছে মোৰ বিবেক বাৰম্বাৰ
তেজে তুমুৰলি হৈছে খাটি খোৱা দেহ,
কি এই প্ৰেম
এই উদ্ভট প্ৰীতি
কাৰ বাবে ভ্ৰাতৃত্বৰ অপঘাটক
হৈছে আত্ম ঘাটি সৃজনিত সোচ্চাৰ,
কাৰ বাবে এই মাটি
এই শ্ৰম, এই সৃষ্টি
কোনে তুলি ধৰিছিলে
সম্পাদনা সমিতি ঃ- বাওঁফালৰ পৰা শ্ৰীযুত অশোক ৰঞ্জণ ভট্টাচাৰ্য্য (সদস্য), ড০ ৰজত চন্দ্ৰ ৰাভা (তত্বাবধায়ক), শ্ৰীযুত হেৰম্ব কুমাৰ ৰাভা (সভাপতি), ড০ কল্যাণ বৰুৱা (সদস্য), শ্ৰী সদানন্দ ৰাভা (সম্পাদক)



দুধনৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা (২০০৩-২০০৪ বৰ্ষ) ঃ-
থিয় হৈ বাওঁফালৰ পৰা ঃ- শ্ৰী ৰন্ধীৰ ৰাভা (সম্পাদক, লঘু ক্ৰীড়া বিভাগ), শ্ৰী মুকুট ৰাভা (সম্পাদক, শৰীৰ চৰ্চা বিভাগ), শ্ৰী নিপজ্যোতি ৰাভা (উপ-সভাপতি), শ্ৰী নিৰঞ্জন ৰাভা (সাধাৰণ সম্পাদক), শ্ৰী ৰূপম ৰাভা (সম্পাদক, গুৰু ক্ৰীড়া বিভাগ), শ্ৰী দেৱজিৎ ৰয় (সহঃ সাধাৰণ সম্পাদক), শ্ৰী সদানন্দ ৰাভা (সম্পাদক, আলোচনী)
বহি বাওঁফালৰ পৰা ঃ- শ্ৰী মেঘনাথ ৰাভা (সম্পাদক, ছাত্ৰ জিৰণী কোঠা), শ্ৰী জগদীশ নাথ (সম্পাদক, প্ৰাচীৰ পত্ৰিকা)

## বাঙ্গালোৰস্থিত নাক পীৰ দলৰ দ্বাৰা দুধনৈ মহাবিদ্যালয় পৰিদৰ্শনৰ কেইটিমান বিশেষ মূহুৰ্ত্ত






## বাঙ্গালোৰস্থিত নাক পীৰ দলৰ দ্বাৰা দুধনৈ মহাবিদ্যালয় পৰিদৰ্শনৰ কেইটিমান বিশেষ মূহুৰ্ত্ত







দুধনৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা

## সাধাৰণ সম্পাদকৰ বছৰেকীয়া প্ৰতিবেদন ঃ

প্ৰতিবেদনৰ চমু কলম আৰম্ভ কৰাৰ আগমূহুৰ্তত মই এবাৰ স্মৰণ কৰিব বিচাৰিছো সেই বীৰ শ্বহীদ ব্যক্তিসকলক যি সকলে ব্যক্তিস্বাৰ্থৰ বিপৰীতে সমূহীয়া স্বাৰ্থত একনিষ্ঠভাৱে নিজকে আত্মনিয়োগ কৰি নিজৰ আত্ম বলিদানেৰে স্বদেশ তথা জাতিটোক বৰ্হিজগতৰ মাজত এক সুকীয়া আসন দখল কৰালে, সেই প্ৰয়াত সকললৈ মোৰ আন্তৰিক শত শত নমস্কাৰ ও দুটোপাল অশ্ৰু অঞ্জঁলি নিবেদিছোঁ।

শিক্ষাই জ্ঞান, জ্ঞানেই শক্তি আৰু শক্তিয়েই ভক্তি। শিক্ষাই সৰ্বোত্তম। সাম্প্ৰতিক কালছোৱাত শিক্ষা সকলোৰে বাবে এক অনবদ্য অংগ হৈ পৰিছে। আজিৰ ভাৰতবৰ্ষৰ অন্য ৰাজ্যত যেনেকৈ উচ্চ শিক্ষাৰ প্ৰসাৰতা দিনক দিনে ক্ৰমাৎ বৃদ্ধি পাবলৈ ধৰিছে তদ্ৰুপ অসমৰে একেবাৰে পিছপৰা অঞ্চলত গঢ় লৈ উঠা শিক্ষা প্ৰতিষ্ঠানৰ ভিতৰত গোৱালপাৰা জিলাৰ দুধনৈ মহাবিদ্যালয় অন্যতম। ৰাইজৰ ভীষণ দুখ-কষ্টৰ মাজত দুধনৈ মহাবিদ্যালয় ১৯৭২ চনৰ ০১ জুনত জন্ম লাভ কৰে আৰু তেতিয়াৰ পৰাই ছাত্ৰ-ছাত্ৰীসকলক একনিষ্ঠভাৱে শিক্ষাদান কাৰ্য্য চলাই আহিছে। আজি এই দুধনৈ মহাবিদ্যালয়ৰ দৰে এখন সমস্যাৰে জৰ্জৰিত শিক্ষা প্ৰতিষ্ঠানলৈ সাধাৰণ সম্পাদকৰ দৰে এটা গুৰুত্বপূৰ্ণ পদত অধিষ্ঠিত হৈ ছাত্ৰ-ছাত্ৰী তথা মহাবিদ্যালয়খনলৈ সেৱা আগবঢ়াব পাৰিছো নে নাই তালৈ লক্ষ্য নকৰি মহাবিদ্যালয়ৰ গুৰুত্বপূৰ্ণ সমস্যাসমূহৰ ওপৰত এবাৰ চাবনি পেলাবলৈ সকলোলৈকে অনুৰোধ জনালোঁ।

দুধনৈ মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ কেইদিনমান পাছতেই মহাবিদ্যালয়ৰ নামভৰ্ত্তিৰ প্ৰক্ৰিয়া আৰম্ভ হয়। আপোনাসবৰ নিশ্চয় জ্ঞাত যে এইবেলি চৰকাৰে যিটো হাৰত তথা মহাবিদ্যালয় কৰ্তৃপক্ষই নিজাভাবে যেনেকৈ নামভৰ্ত্তিৰ সন্দৰ্ভত মাচুলৰ পৰিমান বঢ়োৱা হৈছিল সেয়া আমাৰ গ্ৰাম্যাঞ্চলৰ সহজ সৰল মানুহৰ বাবে কেতিয়াও সম্ভৱপৰ নহয়। যাৰ কাৰণে উপায়ন্তৰ হৈ আমি পদত্যাগ কৰিবলগীয়া হৈছিল। অৱশ্যে সময়ত সমস্যাটোৰ সমাধান হয় আৰু পুনৰ কাৰ্য্যভাৰ গ্ৰহণ কৰিবলগীয়া হয়। কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ কিছুদিন পিছতেই পোন প্ৰথমবাৰৰ বাবে চেপ্তেম্বৰ মাহৰ ১২ আৰু ১৩ তাৰিখ ২০০3 ইং ত বেংগ্ৰৰৰ পৰাৰ চাৰিজনীয়া 'নাক' (NAAC) ৰ দল এটি মহাবিদ্যালয়খন মূল্যাঙ্কণ কৰিবলৈ আহে। উক্ত কাৰ্য্যসূচীত আমি ছাত্ৰ-একতা সভাই যথাসাধ্য অনুসৰি প্ৰত্যক্ষ সহায়-সহযোগিতা আগবঢ়োৱা হয়। ফলস্বৰূপে দুধনৈ মহাবিদ্যালয়ে 'বি'- গ্ৰেড পাবলৈ সক্ষম হয়। এয়া দুধনৈ মহাবিদ্যালয়ৰ ৰঙীন ভ ৱিষ্যতৰ এক আশাৰ ৰেঙণি নহয়নে ? আশা কৰো মহাবিদ্যালয়ৰ স্বাৰ্থত আমি সকলোৱে অনাগত দিনবোৰত ইয়াতকৈ আৰু বেছি ভাল পাৰদৰ্শিতা দেখুৱাবলৈ সক্ষম হম।

সময় পৰিবৰ্তনশীল। সময়ৰ গতিশীলতাত মহাবিদ্যালয়ৰ কিছুমান গুৰুত্বপূৰ্ণ সমস্যা আমি কাৰ্য্যকালৰ সময়ত দেখিবলৈ পাওঁ। তাৰে এটা সমস্যা হিচাবে উল্লেখ কৰিব পাৰি বছৰটোৰ প্ৰায় মাজভাগত মহাবিদ্যালয়ৰ বিদ্যুৎ সংযোগ কৰ্তন। উক্ত কাৰ্য্যৰ বিপক্ষে আমি দুধনৈ মহাবিদ্যালয় ছাত্ৰ-একতা সভাই পূৰ্ণদমত মাত মতা হয়। সবিশেষত ভাৰপ্ৰাপ্ত অধ্যক্ষ মহোদয়ক হেঁচা প্ৰয়োগ কৰি মহাবিদ্যালয়ৰ বিদ্যুৎ কৰ্তন মুকলি কৰোৱা হয়। আনহাতে আন এক সমস্যা হিচাবে উল্লেখ কৰিব পাৰি বছৰটোৰ শেষৰ পিনে অনুষ্ঠিত হোৱা ছাত্ৰ-একতা সভাৰ সাধাৰণ নিৰ্বাচন য'ত ১৪ টা পদৰ ৩ টা পদৰ বাহিৰে বাকী ১১ টা পদতেই বিনা প্ৰতিদ্বণ্ডিতাৰে প্ৰাৰ্থীসকলৰ জয় লাভ। কিন্তু ছাত্ৰ একতা সভাৰ দৰে এখন নিৰ্বাচনত তিনিটা পদত প্ৰতিদ্বণ্ডিতা কৰোৱাৰ কি যুক্তি-যুক্ততা থাকিব ? আমি জানো যে উক্ত নিৰ্বাচনত ভালে সংখ্যক প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰে । উক্ত নিৰ্বাচনৰ কেইটামান আসোঁৱাহ দাঙি ধৰিলো -

দুধনৈ মহাবিদ্যালয় ছাত্র একতা সভা

(ক) মুখ্য নির্বাচনী বিষয়াই বিনা দৰ্খাস্তত মনোনয়ন পত্ৰ মুকলিমুৰীয়াকৈ প্ৰদৰ্শন।

(খ) নাম ভৰ্ত্তিৰ প্ৰ-পত্ৰত থকা কিছুমান পদৰ নামাকৰণ আৰু নিৰ্বাচক মণ্ডলীয়ে প্ৰস্তুত কৰা পদসমূহৰ নামাকৰণৰ মাজত বিভিন্নতা।

- এনে ধৰণৰ কিছুমান গুৰুত্বপূৰ্ণ আসোঁৱাহ থকা হেতুকে আমি ছাত্ৰ একতা সভাই উক্ত নিৰ্বাচনৰ বিপক্ষত মাত মাতিবলৈ আগবাঢ়ি আহিছিলো। কিন্তু তাৰ পৰিৱৰ্তে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বিভাজনহে হোৱা দেখিবলৈ পোৱা যায় আৰু দুৰ্ভাগ্যবশতঃ উক্ত নিৰ্বাচনৰ কোনো ফলাফল নহ'ল। এষাৰ উক্তি আছে "ৰজাই প্ৰজা, আৰু প্ৰজাই ৰজা"। অৰ্থাৎ কোনো এটা ছাত্ৰ সংগঠন ছাত্ৰ অবিহনে অসম্পূৰ্ণ আৰু একো একোজন ছাত্ৰ, ছাত্ৰ সংগঠন অবিহনে নিৰৰ্থক। কোনো ছাত্ৰ-একতা সভাই কোনো কাৰ্য্যতেই কাৰ্য্যসিদ্ধি লাভ কৰিব নোৱাৰে য'ত ছাত্ৰ বন্ধুসকলৰ সহযোগিতা নাই। এইখিনিতে ছাত্ৰ বন্ধু সকললৈ এষাৰ ক'বলৈ ওলাইছো যে যদি আমি দুধনৈ মহাবিদ্যালয় ছাত্ৰ একতা সভাই এনেকুৱা জনবিৰোধী স্বাৰ্থ থকা কাৰ্য্যসূচীত মাত মতাটো পাচাকৈয়ে ভুল হৈছিল তেন্তে মই দুধনৈ মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়াসকলৰ ফালৰ পৰা আপোনালোকৰ ওচৰত ক্ষমা মাগিছো। আনহাতে আমি গ্ৰহণ কৰা পদক্ষেপ যদি সঁচা, ন্যায়সন্মত বুলি ভাৱে তেন্তে অনাগত দিনত এনেকুৱা বহুতো গুৰুত্বপূৰ্ণ সমস্যা ওলাব য'ত আপোনালোকে নিস্বাৰ্থভাৱে তাৰ বিপক্ষত যুঁজ দিবলৈ কুণ্ঠাবোধ নকৰিব।

দুধনৈ মহাবিদ্যালয় হৈছে নামনি অসমৰ এখন পিছপৰা অঞ্চলৰ উচ্চ শিক্ষানুষ্ঠান। য'ত কৰো বুলিলে বহুত, কিন্তু কৰোঁতাৰ অভাৱ, প্ৰয়োজনীয় পুঁজিৰ অভাৱ। সেয়ে অন্য মহাবিদ্যালয়ৰ লগত সহজতে ফেৰ মাৰিব নোৱাৰে। আমি দুধনৈ মহাবিদ্যালয়ৰ প্ৰত্যেকজন শুভাকাংক্ষীয়ে চিন্তা-চৰ্চা কৰা উচিত যে আজি দুধনৈ মহাবিদ্যালয় উন্নতিৰ শীৰ্ষবিন্দুৰ পিনে অগ্ৰসৰ হ'ব পৰা নাই কিয় ? অগ্ৰসৰ হ'ব পাৰিছে যদিও ইমান মন্থৰ গতিত কিয় ? নিশ্চয় ইয়াৰ কিছুমান কেৰোন আছে যাৰ কাৰণে উন্নয়ণৰ ক্ষেত্ৰত বাধাস্বৰূপ হিচাবে আগচি ধৰে। দুধনৈ মহাবিদ্যালয়ৰ কৰ্তৃপক্ষই আজি যিবোৰ বিষয় বা সমস্যাৰ ওপৰত গা-কৰি উঠিব লাগিছিল সেই বিলাক ক্ষেত্ৰত তেওঁলোকে বেছ মনে মনেহে চাই থকা দেখা যায়। তেনে সমস্যাসমূহৰ ভিতৰত উল্লেখ কৰিব পাৰি যেনে মহাবিদ্যালয়খনত এন.চি. চি. ৰ অভাৱ, গ্ৰন্থাগাৰত প্ৰয়োজনীয় কিতাপ-পত্ৰৰ নাটনি, এখন সু-প্ৰেক্ষাগৃহৰ অভাৱ, শিক্ষকৰ অভাৱ, বিজ্ঞানাগাৰত প্ৰয়োজনীয় সা-সজুঁলিৰ উপৰিও তেনেকুৱা ভালেমান সমস্যাৰে ভৰপুৰ যাৰ কাৰণে দুধনৈ মহাবিদ্যালয়খনক সমস্যাৰ ভঁৰাল বুলি স্বীকৃতি দিলেও একো ভুল কৰা নহ'ব। কিন্তু কিয় ? কিয় আজিলৈকে এই সমস্যাসমূহ সমাধান নহ'ল ? আনহাতে মহাবিদ্যালয়ৰ একমাত্ৰ ছাত্ৰ নিবাসটো মহাবিদ্যালয় কৰ্তৃপক্ষৰ হেমাহিৰ কাৰণে যোৱা কেইবছৰমানৰ পৰা মৰো-জীও অৱস্থালৈ ৰূপান্তৰ হৈছে। ইয়াৰ কাৰণে দায়ী স্বয়ং মহাবিদ্যালয় কৰ্তৃপক্ষ। কিন্তু দুখ কৰিবলগা বিষয় এইটোৱে যে দুধনৈ মহাবিদ্যালয় ১৯৭২ চনতে প্ৰতিষ্ঠা হোৱাৰ পিছতো মহাবিদ্যালয়ত কৰ্তৃপক্ষই এই অভাৱসমূহ দুৰ কৰাৰ ক্ষেত্ৰত কিয় পদক্ষেপ গ্ৰহণ কৰা নাই। আমি জানো প্ৰায়ভাগ ছাত্ৰ একতা সভাই এই ক্ষেত্ৰত আগৰ পৰাই মহাবিদ্যালয় কৰ্তৃপক্ষক অৱগত কৰি আহিছে কিন্তু সেয়া কেৱল ফুটুকাৰ ফেনত পৰিণত হৈছে। আশা কৰো উক্ত দিশ সমূহৰ ওপৰত মহাবিদ্যালয় কতৃপক্ষই গুৰুত্ব আৰোপ কৰিব।

দুধনৈ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী বন্ধুসকলে মোক ছাত্ৰ-একতা সভাৰ যি দায়িত্ব গধুৰ পদত নিৰ্বাচিত কৰিলে তাৰ বাবে সকলোলৈকে ধন্যবাদ জ্ঞাপন কৰিছোঁ, কিন্তু দুখৰ বিষয় মোৰ কাৰ্য্যকালৰ সময়ত আপোনালোকক প্ৰয়োজনীয় সা-সুবিধাসমূহ আগবঢ়াব নোৱাৰা বাবে মই দুখিতঃ। কোনো এজন ব্যক্তি বা সাধাৰণ সম্পাদকে কৰো বুলিলে এটা বছৰত একো কৰিব নোৱাৰে। যি কি নহওক দুধনৈ মহাবিদ্যালয়ৰ দায়িত্বপূৰ্ণ পদত নিয়োজিত হৈ আমাৰ বাৰ্ষিক পৰম্পৰাগতভাৱে চলি অহা কাৰ্য্যসূচী সৰস্বতী পূজা, নৱাগত আদৰণি সভা, মহাবিদ্যালয় সপ্তাহ আদি উৎসৱ উলহ-মালহেৰে পালন কৰা হয়। তাৰোপৰি মহাবিদ্যালয়ৰ আইন-শৃংখলা তথা নিয়মানুবৰ্তীতাৰ প্ৰতি লক্ষ্য ৰাখি মোৰ কাৰ্য্যকালৰ সময়ত মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীসকলৰ ইউনিফৰ্ম ব্যৱহাৰ বাধ্যতামূলক কৰা হয়। এই ইউনিফৰ্ম ২৩ চেপ্তেম্বৰ ২০০৩ ইং তাৰিখৰ পৰা ছাত্ৰ-ছাত্ৰীসকলে পিন্ধি অহাৰ বাবে প্ৰস্তাৱ লোৱা হয় আৰু এই ক্ষেত্ৰত সফলতা লাভ কৰা দেখা যায়।

দু
ধ
নৈ
ম
হা
বি
দ্যা
ল
য়
ছা
ত্র
এ
ক
তা
স
ভা

অৱশেষত প্ৰতিবেদনৰ অন্তিম কলম শেষ কৰাৰ আগমুহূৰ্ত্তত শলাগ ল'ব বিচাৰিছো সেই সকলো ছাত্ৰ-বন্ধু-বান্ধৱীসকললৈ যি সকলে অশেষ ত্যাগ স্বীকাৰ কৰি মোৰ প্ৰতিটো মুহূৰ্তত, প্ৰতিটো ক্ষণত সহায়ৰ হাত আগবঢ়াইছে। শলাগ ল'ব বিচাৰিছো বিশেষকৈ প্ৰাক্তন তথা বৰ্তমানৰ অধ্যক্ষদ্বয় ক্ৰমে শ্ৰীযুত ক্ষীৰোদ খাখলাৰী দেৱ আৰু শ্ৰীযুত হেৰাম্ব ৰাভা দেৱক আৰু ছাত্ৰ একতা সভাৰ সমূহ তত্বাবধায়ক সকলক যি মোৰ প্ৰতিটো সময়ত তেওঁলোকৰ বহুমূলীয়া পৰামৰ্শৰে কাৰ্য্য পৰিচালনাত সহযোগিতা আগবঢ়ালে। তদুপৰি মহাবিদ্যালয়খন 'নাক'ৰ দ্বাৰা মূলাঙ্কণ কৰাৰ সময়ত মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ, মহাবিদ্যালয় শিক্ষক সন্থা, মহাবিদ্যালয়ৰ সমূহ প্ৰাক্তন ছাত্ৰ, মহাবিদ্যালয়ৰ সমূহ অভিভাৱকবৃন্দ তথা সমূহ ছাত্ৰ-ছাত্ৰীয়ে যি আন্তৰিকতাৰে অশেষ কষ্ট স্বীকাৰ কৰি মহাবিদ্যালয়খনক এক সন্মানজনক স্থান দিবলৈ সক্ষম কৰালে তাৰ বাবে সকলোলৈকে কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। তাৰোপৰি সাংসদ উৰ্খাও জি. ব্ৰহ্মাই তেওঁৰ পুঁজিৰে মহাবিদ্যালয়ৰ সীমা পকীবেৰ গাঁঠনিৰ বাবে যি কিছু অংশ আমালৈ আগবঢ়ালে আৰু প্ৰাক্তন সাংসদ বাইদেউ বিজয়া চক্ৰৱৰ্ত্তীয়ে দুধনৈ মহাবিদ্যালয়ৰ সন্মুখত প্ৰায় অচলাবস্থা হ'বলৈ ধৰা দলংখন পুনৰ নিৰ্মাণ তথা মহাবিদ্যালয়লৈ কেইটামান কম্পিউটাৰ আগবঢ়াই আমাৰ যি এক গুৰুত্বপূৰ্ণ অভাৱ দূৰ কৰালে তাৰ বাবে আপোনালোকৰ ওচৰত আমি চিৰকৃতজ্ঞ। আনহাতে দুধনৈ মহাবিদ্যালয় শিক্ষক সন্থাই যি কষ্ট স্বীকাৰ কৰি মহাবিদ্যালয়ৰ কাৰণে এখন কেন্টিন ঘৰ নিৰ্মাণ কৰি দিলে তাৰ বাবে মই আপোনালোকলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

সদৌ শেষত মোৰ কাৰ্য্যকালৰ সময়ত অজানিতে হোৱা ভুল-ত্ৰুটিৰ বাবে আপোনালোকৰ ওচৰত ক্ষমা-ভিক্ষা মাগিছো। লগতে দুধনৈ মহাবিদ্যালয়ৰ চিৰ উজ্জ্বল ভৱিষ্যত কামনা কৰি মোৰ এই চমু অসাৰুৱা প্ৰতিবেদন ইমানতে সামৰিলো।

"দুধনৈ মহাবিদ্যালয় দীৰ্ঘজীৱী হওক"

"জয় আই অসম"

**শ্ৰী নিৰঞ্জন কুমাৰ ৰাভা**

**সাধাৰণ সম্পাদক**



দুধনৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা

## উপ-সভাপতিৰ বছৰেকীয়া প্ৰতিবেদন ঃ

অভিনন্দন গ্ৰহণ কৰিব। আৰম্ভণিতে যি সকল বীৰ শ্বহীদে নিজৰ প্ৰাণতকৈ মৰমৰ স্বদেশ -স্বজাতিৰ বাবে প্ৰাণ বিসৰ্জন দিবলগীয়া হ'ল সেই সকল বীৰ শ্বহীদলৈ মোৰ আন্তৰিক শ্ৰদ্ধা নিবেদিছো। ২০০৩-২০০৪ বৰ্ষৰ দুধনৈ মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ উপ সভাপতিৰ দৰে গুৰুত্বপূৰ্ণ পদত মই বিনা প্ৰতিদ্বণ্ডিতাৰে নিৰ্বাচিত হওঁ। ইয়াৰ উপৰিও মই তৰ্ক আৰু সাহিত্য বিভাগৰ সম্পাদকৰ দায়িত্ব পালন কৰিবলগীয়া হয়।

দুধনৈ মহাবিদ্যালয়ৰ উপ-সভাপতিৰ কাৰ্য্যভাৰ গ্ৰহণ কৰি মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ তথা ছাত্ৰ একতা সভালৈ কিমানখিনি সেৱা আগবঢ়াব পাৰিছো সেয়া তেওঁলোকৰ বিচাৰ্য্য। উপ-সভাপতিৰ দৰে গুৰুত্বপূৰ্ণ পদত নিৰ্বাচিত হৈয়ে মহাবিদ্যালয় খনৰ বহুতো উন্নতিৰ কথা চিন্তা কৰিছিলো যদিও সেইবোৰ বাস্তৱত সফল কৰিব নোৱাৰিলো। দুধনৈ মহাবিদ্যালয় বিভিন্ন সমস্যাৰে জৰ্জৰিত। দুধনৈ মহাবিদ্যালয়ৰ সমস্যাবোৰ সমাধান কৰিবলৈ হ'লে দূধনৈ মহাবিদ্যালয়ৰ প্ৰত্যেকজন ছাত্ৰ-ছাত্ৰী তথা ছাত্ৰ একতা সভাৰ সমূহ সদস্য-সদস্যা লগতে মহাবিদ্যালয় কৰ্তৃপক্ষৰ মাজত সহায় সহযোগ থকাটো বাঞ্চনীয়।

ছাত্ৰ একতা সভাৰ দায়িত্ব গ্ৰহণ কৰাৰ পিছৰেপৰা ছাত্ৰ-ছাত্ৰীৰ ওপৰত মহাবিদ্যালয় কতৃপক্ষই নিজাববীয়াকৈ অন্যায়ভাৱে মাচুল বৃদ্ধি কৰাৰ প্ৰতিবাদ কৰিবলগীয়া হয়। ইয়াৰ উপৰিও বিগত বছৰত মহাবিদ্যালয়ত ঘটা দুৰ্নীতিবোৰৰ প্ৰতিবাদ কৰাৰ ফলত ছাত্ৰ একতা সভা আৰু শিক্ষকসকলৰ মাজত মতভেদৰ সৃষ্টি হয়। ইয়াৰ বাবে আমি দুঃখিত। আমাৰ কাৰ্য্যকালৰ সময়তে বিগত বছৰৰ চেপ্তেম্বৰৰ ১২, ১৩ তাৰিখে ভাৰত চৰকাৰৰ প্ৰতিনিধি ৰাষ্ট্ৰীয় মূল্যায়ণ আৰু প্ৰত্যায়ন পৰিষদ চমুকৈ (নাক) ৰ দ্বাৰা মহাবিদ্যালয়ৰ পৰিদৰ্শণৰ কাম হৈ যায়। ইয়াৰ ফলত দুধনৈ মহাবিদ্যালয়ে 'বি' গ্ৰেড লাভ কৰিবলৈ সক্ষম হয়। আন এটা গৌৰৱৰ কথা যে আমাৰ কাৰ্য্যকালতে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত ইউনিফৰ্মৰ ব্যৱস্থা কৰিবলৈ সক্ষম হওঁ। আমাৰ কাৰ্য্যকালতে আমি মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা মহাবিদ্যালয় সপ্তাহত নতুন কিছুমান প্ৰতিযোগিতা পাতিবলৈ সক্ষম হওঁ। তাৰ ভিতৰতে দৰা-কইনা, ফেশ্বন শ্ব', কাবাদি আদি প্ৰতিযোগিতা অনুষ্ঠিত কৰো। দুধনৈ মহাবিদ্যালয়ত "মহাবিদ্যালয় সপ্তাহটো পলমকৈ অনুষ্ঠিত হোৱাৰ বাবে ছাত্ৰ-ছাত্ৰীৰ উপস্থিতি সেৰেঙা হোৱা দেখা যায়।

আমাৰ কাৰ্য্য পৰিচালনাত সততে দিহা পৰামৰ্শ দি সহায় সহযোগিতা আগবঢ়োৱা শ্ৰদ্ধাৰ শিক্ষাগুৰু তথা অধ্যাপক শ্ৰীযুত ৰূপজ্যোতি মজুমদাৰ, শ্ৰীযুত প্ৰদীপ দাস, শ্ৰীযুত মানস লোচন দাস, শ্ৰীযুত মনোজ গগৈ ছাৰৰ ওচৰত মই চিৰ কৃতজ্ঞ। ইয়াৰ উপৰিও মহাবিদ্যালয় সপ্তাহত মোৰ বিভাগৰ প্ৰতিযোগিতাসমূহ সফলভাৱে পৰিচালনা কৰাত সহায় আগবঢ়োৱা শ্ৰদ্ধাৰ শ্ৰীকৰবী কলিতা, শ্ৰী জোনালী নাথ বাইদেউ আৰু লগতে মুন আহমেদ দালৈ মোৰ তৰফৰ পৰা সশ্ৰদ্ধ কৃতজ্ঞতা জ্ঞাপন কৰিছো। আনহাতেদি মোক পূৰ্ণভাৱে সহায় সহযোগিতা আগবঢ়োৱা বন্ধুসকলৰ নাম উল্লেখ নকৰাকৈ থাকিব নোৱাৰো। বন্ধুসকল হ'ল- মুকুত, ৰূপম, অন্নদাচৰণ, গোলক, নিৰঞ্জন, অজয়, নৱজ্যোতি, ৰঞ্জিৰ।

সদৌ শেষত মোৰ কাৰ্য্যকালত অজানিতে হোৱা ভুল ত্ৰুটিৰ বাবে ক্ষমা বিচাৰি দুধনৈ মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যতৰ উন্নতি কামনা কৰি মোৰ উপ-সভাপতিৰ প্ৰতিবেদন ইমানতে সামৰিছোঁ।

ধন্যবাদ
"জয়তু দুধনৈ মহাবিদ্যালয়"
"জয় আই অসম"

ভবদীয়
শ্ৰী নিপজ্যোতি ৰাভা
উপ-সভাপতি



দুধনৈ মহাবিদ্যালয় ছাত্র একতা সভা

# সহঃ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন ঃ

প্ৰতিবেদনৰ প্ৰাৰম্ভতে দুধনৈ মহাবিদ্যালয়ৰ সন্মানীয় অধ্যাপক-অধ্যাপিকালৈ মোৰ শত-সহস্ৰ শ্ৰদ্ধা লগতে দুধনৈ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱীসকললৈ মোৰ আন্তৰিক শুভেচ্ছা ও অভিনন্দন জ্ঞাপন কৰিলোঁ।

২০০৩-২০০৪ বৰ্ষৰ 'দুধনৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা'ৰ সহঃ সাধাৰণ সম্পাদক হিচাপে নিৰ্বাচিত হৈ মহাবিদ্যালয়ৰ সেৱা আগবঢ়োৱাৰ সুবিধা লাভ কৰিছিলো। সহঃ সাধাৰণ সম্পাদকৰ কাৰ্য্যভাৰ বহন কৰাৰে পৰা মই পাৰ্য্যমানে মহাবিদ্যালয়খনৰ উন্নতি আৰু উৎকৰ্ষৰ হ'কে কাম কৰিবলৈ অপ্ৰাণ চেষ্টা কৰিছিলো। মোৰ কাৰ্য্যকালত মই ওতঃ প্ৰোত ভাৱে সাধাৰণ সম্পাদকৰ লগত প্ৰতিটো কামতে তথা ছাত্ৰ একতা সভাৰ অন্যান্য বিভাগৰ সম্পাদক সকলৰ লগতো সক্ৰিয় ভাৱে জড়িত আছিলো আৰু সাধাৰণ সম্পাদকৰ অনুপস্থিতিতো ভুল-ক্ৰুটিৰ মাজেৰে হ'লেও মহাবিদ্যালয়ৰ কৰিবলগীয়া কামবোৰ সামৰ্থ অনুসৰি কৰি গৈছিলো। অৱশ্যে, কিমানদূৰ সফলতা লাভ কৰিবলৈ সক্ষম হৈছো এয়া আপোনালোকৰ বিচাৰ্য্য।

সদৌ শেষত দুধনৈ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীৰ মাজত ভাতৃত্ব-ভাৱৰ এনাজৰীডাল আৰু টনকীয়াল হৈ পৰক তথা দুধনৈ মহাবিদ্যালয়ৰ সৰ্বাঙ্গীণ উন্নতি কামনা কৰিলো আৰু লগতে মোৰ কাৰ্য্যকালত হোৱা অনাকাংক্ষিত ভুল-ক্ৰুটিৰ বাবে ক্ষমা মাৰ্জনা বিচাৰি মই মোৰ চমু প্ৰতিবেদন ইমানতে সামৰণি মাৰিলোঁ।

"জয় আই অসম"

"জয়তু দুধনৈ মহাবিদ্যালয়"

অশেষ ধন্যবাদেৰে -

**শ্ৰী দেৱজীৎ ৰয়**
সহঃ সাধাৰণ সম্পাদক



দুধনৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা

## ছাত্ৰ জিৰণী কোঠা বিভাগৰ প্ৰতিবেদন ঃ

সম্পাদকীয় প্ৰতিবেদনৰ আৰম্ভণিতে যি সকল মহৎ ব্যক্তিৰ অপ্ৰাণ চেষ্টা আৰু ত্যাগৰ বিনিময়ত দুধনৈৰ বুকুত উজ্জ্বল ভোটা তৰাৰ লেখীয়া দুধনৈ মহাবিদ্যালয় স্থাপিত কৰিছে। গোৱালপাৰা জিলাৰ ভিতৰত প্ৰথম 'নাক' ৰ পৰা 'বি' গ্ৰেড লাভ কৰা মহাবিদ্যালয় হিচাপে পৰিগণিত কৰিলে তেখেত সকললৈ মোৰ শত প্ৰনাম, শ্ৰদ্ধা লগতে দুধনৈ মহাবিদ্যালয়ৰ সমূহ অধ্যাপক-অধ্যাপিকা লগতে সহকৰ্মী আৰু যিসকল ছাত্ৰ-ছাত্ৰীয়ে মোৰ মহাবিদ্যালয়ৰ ছাত্ৰ জিৰণী কোঠাৰ কাৰ্য্য পৰিচালনাৰ উদ্দেশ্যে মোক নিৰ্বাচিত কৰিলে সকলোলৈ মোৰ আন্তৰিক শুভেচ্ছা তথা ধন্যবাদ জ্ঞাপন কৰিলো।

দুধনৈ মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সদস্য হিচাপে ছাত্ৰ জিৰণী কোঠাৰ কাৰ্য্য পৰিচালনা কৰিবলৈ লগতে মহাবিদ্যালয়খনলৈ সেৱা আগবঢ়োৱাৰ সুবিধাকণ পাই সঁচাকৈ মই অতিকৈ আনন্দিত।

এইবেলি ছাত্ৰ একতা সভাৰ কাৰ্য্য পৰিচালনা কৰাত অকনো আসোঁৱাহ নাই বুলি স্বীকাৰ কৰো। ছাত্ৰ জিৰণি কোঠাৰ উল্লেখিত প্ৰতিযোগীতাৰ উপৰিও নতুন ভাৱধাৰাৰ ওপৰত নজৰ দি দেশীয় সংস্কৃতিৰ প্ৰতি লক্ষ্য ৰাখি দৰা-কইনা সজা প্ৰতিযোগীতা অনুষ্ঠিত কৰো। এই প্ৰতিযোগীতা ছাত্ৰ-ছাত্ৰীৰ প্ৰতি বিশেষ আকৰ্ষণীয় প্ৰতিফলিত হয়। তদুপৰি তত্বাবধায়ক মহোদয়ৰ পৰা একো সহাৰি নোপোৱাৰ ফলত বহুত অসুবিধাৰ সন্মুখীন হৈ অশেষ কষ্ট ভোগ কৰিবলগীয়া হয়।

মোৰ বিভাগীয় কাৰ্য্য পৰিচালনা কৰাত সহায় কৰা দাদা, বন্ধু-বান্ধৱী শ্যামজিৎ, অনুপ, হৰেকৃষ্ণ, বাবুল, অনতু, অভিজিৎ, চনজু, নন্দিতা (হাজং), জ্যোতি সকলোলৈ মই মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিলো লগতে অশেষ ধন্যবাদ।

সদৌ শেষত মোৰ বিভাগৰ বিভিন্ন প্ৰতিযোগীতা সমূহত যোগদান কৰা সমূহ প্ৰতিযোগীলৈ ধন্যবাদ লগতে উজ্জ্বল ভৱিষ্যৎ কামনা কৰিলো। দুধনৈ মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতি প্ৰগতি কামনাৰে মোৰ প্ৰতিবেদন সামৰিলোঁ।

"জয়তু দুধনৈ মহাবিদ্যালয়"

ধন্যবাদেৰে -

শ্ৰী মেঘ নাথ ৰাভা
সম্পাদক, ছাত্ৰ জিৰণী কোঠা



দুধনৈ মহাবিদ্যালয় ছাত্র একতা সভা

# ছাত্ৰী জিৰণী কোঠা বিভাগৰ প্ৰতিবেদন ঃ

প্ৰতিবেদনৰ পাতনিতে দুধনৈ মহাবিদ্যালয়ৰ সমূহ অধ্যাপক-অধ্যাপিকা তথা ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীলৈ মোৰ আন্তৰিক শ্ৰদ্ধা অভিনন্দন জ্ঞাপন কৰিছোঁ আৰু লগতে ২০০৩-২০০৪ চনৰ 'ছাত্ৰী জিৰণী কোঠা'ৰ সম্পাদিকাৰ পদত নিৰ্বাচিত কৰি মহাবিদ্যালয়ৰ সেৱা কৰাৰ সুযোগ দিয়াৰ বাবে মই মোৰ আন্তৰিক অভিনন্দন জনাইছো।

মোৰ কাৰ্যকালত মই কি কৰিলোঁ সেয়া আপোনালোকৰ বিচাৰ্য বিষয়। মই মোৰ কৰ্তব্য কৰিবলৈ যৎপৰনাস্তি চেষ্টা কৰিছিলো যদিও অজানিতে হৈ যোৱা ভুলৰ বাবে মই ক্ষমাপ্ৰাৰ্থী।

অইন অইন বছৰৰ দৰে এইবেলিও মহাবিদ্যালয়ৰ 'মহাবিদ্যালয় সপ্তাহ' পাঁচ ৰ পৰা দহ জানুৱাৰীলৈ বিভিন্ন কাৰ্যসূচীৰে উলহ-মালহেৰে উদ্‌যাপন কৰা হয়। মোৰ বিভাগৰ বিভিন্ন খেল সমূহৰ লগতে এইবেলি নতুনকৈ 'কইনা সজা' আৰু 'পুস্প সজ্জা' প্ৰতিযোগীতা অনুষ্ঠিত কৰা হয় আৰু এইটো বৰ আনন্দৰ বিষয় যে প্ৰতিটো প্ৰতিযোগিতাতে যথেষ্ট সংখ্যক প্ৰতিযোগীয়ে (ছাত্ৰীয়ে) অংশ গ্ৰহণ কৰিছিল।

অতি সৌভাগ্যৰ কথা এয়ে যে আমাৰ কাৰ্য্যকালতে দুধনৈ মহাবিদ্যালয়খন 'ৰাষ্ট্ৰীয় মূল্যায়ণ আৰু প্ৰত্যায়ণ পৰিষদে' (নাক) পৰ্যবেক্ষণ কৰে আৰু আমাৰ মহাবিদ্যালয়খনে 'বি' গ্ৰেড লাভ কৰে।

সততে দিহা পৰামৰ্শ দি মোক সহায় কৰা বাবে 'ছাত্ৰী জিৰণী কোঠা'ৰ ভাৰপ্ৰাপ্ত তত্বাবধায়িকা শ্ৰীযুতা ৰীণা দাস ব্ৰহ্ম মহাশয়াৰ ওচৰত মই কৃতজ্ঞ। বিভিন্ন সময়ত নানা কামত সহায় কৰা মোৰ বন্ধু-বান্ধৱী পপী হাজোৱাৰী, দেৱীকা, পংকজ, বাৰু খ, মুকুত, বন্তীলৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

সদৌ শেষত মোৰ অনিচ্ছাকৃত ভুল-ভ্ৰান্তিৰ বাবে ক্ষমা বিচাৰি আৰু মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতি কামনা কৰি মোৰ এই প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

"জয়তু দুধনৈ মহাবিদ্যালয়"

"জয় আই অসম"

মিচ্ পদুমী ৰাভা
সম্পাদিকা, ছাত্ৰী জিৰণী কোঠা



দুধনৈ মহাবিদ্যালয় ছাত্র একতা সভা

## প্ৰাচীৰ পত্ৰিকা বিভাগৰ প্ৰতিবেদন ঃ

মোৰ প্ৰতিবেদনৰ পাতনিতে অসমৰ মাটিত সোণগুটি গজাবলৈ কেঁচা তেজ ঢালি আইৰ বুকু সিক্ত কৰা বীৰ শ্বহীদ সকললৈ মোৰ সহস্ৰ প্ৰণাম।

শ্ৰদ্ধা জনালে শিক্ষক-শিক্ষয়িত্ৰী তথা বিভাগীয় কৰ্মচাৰী বৃন্দলৈও। ২০০৩-২০০৪ ইং বৰ্ষৰ 'দুধনৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ' প্ৰাচীৰ পত্ৰিকা বিভাগৰ সম্পাদক হিচাপে নিৰ্বাচিত হৈ মহাবিদ্যালয়খনলৈ সেৱা আগবঢ়োৱাৰ সুবিধাকণ লাভ কৰিছিলো। ৰং তুলিকাৰে শিল্পী সুলভ মনটোৰে জীৱনৰ প্ৰতিটো যাতনাক জীৱনৰ প্ৰতিটো আশাক প্ৰতিটো কল্পনাক আমি প্ৰত্যেকেই বাস্তৱ জীৱনত এক নতুন ৰূপত অনুভৱ কৰিব বিচাৰো, প্ৰকাশ কৰিব বিচাৰে। প্ৰত্যেকে প্ৰত্যেকৰ মাজত। যাৰ ফলস্বৰূপে সৃষ্টি হয় কবি আৰু কবিতাৰ, চিত্ৰকাৰ আৰু চিত্ৰৰ গল্পকাৰ আৰু গল্পৰ। আমাৰ প্ৰত্যেকৰে মাজত লুকাই থাকে এটি শিল্পী সুলভ মন আৰু অজস্ৰ প্ৰতিভা। যাক কেৱল জগাই তোলাৰ প্ৰয়োজন কাৰণ আমি প্ৰত্যেকজনেই শিল্পীৰেই সৃষ্টি।

'জেউতি'খন বছৰটোৰ দুটা সংখ্যাত প্ৰকাশ পায় 'নৱাগত আদৰণি সভা'ত আৰু 'মহাবিদ্যালয় সপ্তাহ'ত। নবাগত আদৰণি সভাত বেছ সুন্দৰকৈ প্ৰকাশ কৰিব পাৰিছো বুলি মোৰ ধাৰণা হয়। কিন্তু মহাবিদ্যালয় সপ্তাহৰ বেলিকাত কি হ'ল বুজি নাপালো। ভাল লিখনিৰ খুব অভাৱ অনুভৱ কৰিলো। কেইটামান প্ৰেমৰ কবিতা সংগ্ৰহ, মহৎ লোকৰ বাণী; কৌতুক আদিৰে নিশ্চয় প্ৰাচীৰ পত্ৰিকা এখনিৰ তাৎপৰ্য্য বজাই ৰাখিব নোৱাৰি। তথাপিতো যিখিনি লিখনি হাতত পৰিছিল তাৰেই 'জেউতি'ক জীয়াই ৰাখিব লাগিব আমাৰ নৱ সৃষ্টি নৱ প্ৰতিভাৰে।

সদৌ শেষত মোৰ কাৰ্য্যকালছোৱাত সহায়-সহযোগিতা ও উপদেশেৰে কৃতাৰ্থ কৰাৰ বাবে উক্ত বিভাগৰ তত্বাবধায়িকা বাইদেউ দিপালী ডেকা মহাশয়ালৈ মোৰ হিয়াভৰা কৃতজ্ঞতা জ্ঞাপন কৰিলো। বিভিন্ন কাম-কাজৰ লগতে মোক মানসিক ভাবে সহায় আগবঢ়োৱা বন্ধু জয়দ্বীপ; দ্বীপ; ৰাজেশ আৰু হিৰুদালৈ মোৰ চেনেহ ভৰা মৰম যাঁচিলো।

শেষত মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যত কামনাৰে মোৰ প্ৰতিবেদন ইমানতে সামৰিলোঁ।

"জয় আই অসম"
"জয়তু দুধনৈ মহাবিদ্যালয়"

শ্ৰী জগদীশ নাথ
সম্পাদক, প্ৰাচীৰ পত্ৰিকা



দুধনৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা

## সাংস্কৃতিক বিভাগৰ প্ৰতিবেদন ঃ

যিসকল শ্বহীদ বীৰে নিজৰ কলিজাৰ তপত তেজেৰে মাতৃভূমিৰ ৰক্ষাৰ্থে যি বীৰত্বৰ বাণী লিখি থৈ গৈছে, সেই শ্বহীদ বীৰ সকললৈ পোন প্ৰথমেই মই আন্তৰিক শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰিলো। দ্বিতীয়তে এই মহাবিদ্যালয়খনত সেৱা আগবঢ়াবলৈ যিসকল ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱীয়ে এই সুবিধাকণ দিলে সেই সকলোলৈ মই অশেষ ধন্যবাদ জ্ঞাপন কৰিছো।

আচলতে মহাবিদ্যালয়খনত অন্যবছৰৰ তুলনাত এই বছৰ বহুতো সমস্যাৰ সৃষ্টি হৈছিল; যাৰ ফলত ছাত্ৰ আৰু শিক্ষকৰ মাজত মিলাপ্ৰীতিৰ ভাব নাইকীয়া হৈ গৈছিল। বৰ দুঃখেৰে জনাওঁ যে এই বেলি মহাবিদ্যালয়ৰ সপ্তাহত মোক অৰ্থাৎ সাংস্কৃতিক বিভাগৰ লগতে আন আন বিভাগৰ তত্বাবধায়ক সকলেও কোনো সহায় সহযোগিতা আগনবঢ়ালে যাৰ ফলত আমি বহুতো অসুবিধাত পৰিছিলো। আৰু বিচাৰক সকলক বাহিৰৰ পৰা আমন্ত্ৰণ কৰিব লগা হৈছিল যাৰ ফলত খৰচৰ পৰিমান দুগুণ বাঢ়ি গৈছিল। যিয়ে নহওঁক অইন অইন বছৰৰ দৰে এইবেলিও মহাবিদ্যালয় সপ্তাহ অনুষ্ঠিত কৰা হয় পাঁচ জানুৱাৰীৰ পৰা দহ জানুৱাৰীলৈ। এই মহাবিদ্যালয় সপ্তাহটো আমাৰ অৰ্থাৎ ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতিভা বিকাশৰ ঘাই অনুষ্ঠান কিন্তু দুঃখৰ বিষয় যে প্ৰায় এক হেজাৰ ছাত্ৰ-ছাত্ৰীৰ ভিতৰতো পাঁচটা প্ৰতিযোগীদল বা পাঁচজন প্ৰতিযোগীৰ অভাৱ; যাক মাতি মাতি বাধ্য কৰি আনিব লাগে; এয়া আমাৰ বাবে বৰ লাজৰ বিষয়। আশা ৰাখিছো ভৱিষ্যতে যেন এনে নহয় আৰু সকলো ছাত্ৰ-ছাত্ৰীয়ে অংশ গ্ৰহণ কৰে আৰু নিজৰ নিজৰ প্ৰতিভা বিকাশ কৰে। সদৌ শেষত মোক সহায় কৰা বন্ধু-বান্ধৱী সকল হ'ল কুলদ্বীপ, নিপজ্যোতি, গোলক, জয়দেৱ, দেৱজিৎ, তুতুল, নয়ন, নৱজ্যোতি, বান্ধৱী পদুমী, বন্তি আৰু অনুপ, তপন, ৰমেন শ্যামজিৎ দা লৈও মোৰ অশেষ ধন্যবাদ জ্ঞাপন কৰিলো।

ধন্যবাদ

"জয় আই অসম"

শ্ৰী অন্নদা চৰণ ৰাভা
সাংস্কৃতিক সম্পাদক



দুধনৈ মহাবিদ্যালয় ছাত্র একতা সভা

## সংগীত বিভাগৰ প্ৰতিবেদন ঃ

অসমী আইৰ অস্তিত্ব ৰক্ষাৰ বাবে যিসকল বীৰ বীৰাংগনাই হেলাৰঙে প্ৰাণ আহুতি দিলে সেই সকললৈ শত সহস্ৰ প্ৰণাম নিবেদি এয়া প্ৰতিবেদনৰ পাতনি মেলিছো।

প্ৰতিবেদনৰ আৰম্ভনিতে দুধনৈ মহাবিদ্যালয়ৰ পৰম শ্ৰদ্ধাভাজন অধ্যাপক-অধ্যাপিকা সকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা নিবেদন কৰিছো। লগতে যোৱা ২০০৩-২০০৪ চনৰ সংগীত বিভাগৰ সম্পাদকৰ পদত মোক নিৰ্বাচিত কৰি মহাবিদ্যালয়ৰ সেৱা কৰাৰ সুযোগ দিয়াৰ বাবে মহাবিদ্যালয়ৰ সকলো ছাত্ৰ-ছাত্ৰীক মই মোৰ হিয়াভৰা আন্তৰিক অভিনন্দন জনাইছোঁ।

সংগীত বিভাগৰ সম্পাদক হিচাপে মই আমাৰ মহাবিদ্যালয়ত সংগীত চৰ্চাৰ কোনো পৰিৱেশ দেখা নাই। তথাপি মই এই গুৰু দায়িত্ব উপযুক্তভাৱে পালন কৰাৰ চেষ্টাৰ ত্ৰুটি কৰা নাছিলো। কিন্তু কিছুমান অসুবিধা যেনে - বাদ্যযন্ত্ৰৰ অভাৱ, প্ৰেক্ষাগৃহৰ অভাৱ আদি অভাৱৰ বাবে সম্পাদকৰ সফলতাত যথেষ্ট বাধা আহি পৰে। সেয়েহে মই আমাৰ মহাবিদ্যালয়ৰ বিভাগীয় কৰ্তৃপক্ষলৈ অনুৰোধ জনাওঁ যে, তেওঁলোকে যেন সংগীত চৰ্চাৰ বাবে উপযুক্ত সুবিধা যোগান ধৰি আমাৰ মহাবিদ্যালয়ৰ সংগীত দিশটোৰ উন্নতি সাধে।

সংগীত সম্পাদকৰ গুৰু দায়িত্ব ভাৰ গ্ৰহণ কৰাৰ পিছতেই মনত বহু কিবা-কিবি কৰাৰ সপোন দেখিছিলো আৰু কিছু লগতে নতুনত্বও আনিব বিচাৰিছিলো। কিন্তু সম্পূৰ্ণভাৱে সফল নহ'লো। তথাপি বিগত কালছোৱাত মই মোৰ দায়িত্ব আৰু কৰ্তব্যৰ উপৰিও মহাবিদ্যালয়ৰ প্ৰতি কেনেদৰে সেৱা আগবঢ়ালো সেয়া ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী তথা মহাবিদ্যালয় কৰ্তৃপক্ষৰ বিচাৰ্য্য।

আন আন বছৰৰ দৰে এইবেলিও মহাবিদ্যালয় সপ্তাহ অতি আনন্দৰে পালন কৰা হয়। এই সপ্তাহত সংগীত বিভাগৰ বিভিন্ন প্ৰতিযোগিতাসমূহ অনুষ্ঠিত কৰা হয়। মহাবিদ্যালয় সপ্তাহত যিসকলে মোৰ বিভাগত অংশ গ্ৰহণ কৰিছিল আৰু কঠোৰ পৰিশ্ৰম কৰি মোক সেৱা কৰাৰ সুযোগ আগবঢ়াইছিল তেওঁলোকলৈ মই মোৰ প্ৰীতিভৰা মৰম নিবেদন কৰিছো। কিন্তু ছাত্ৰ-ছাত্ৰীৰ বৰ্দ্ধিত সংখ্যা অনুপাতে প্ৰতিযোগীৰ অভাৱ কিয় ? নে প্ৰকৃত অনুশীলনৰ অভাৱ ? ছাত্ৰ-ছাত্ৰী সকলে এই বিষয়ে গভীৰভাৱে চিন্তা চৰ্চা কৰা উচিত। কাৰণ আজিৰ যুগত অকল পুথিগত জ্ঞানেই জীৱনৰ পূৰ্ণতা আনিব নোৱাৰে।

মোৰ বিগত কাৰ্য্যকালত প্ৰতিটো কামতে গঠনমূলক হিচাপে সহায় কৰা শ্ৰদ্ধাৰ তত্বাবধায়ক মাননীয় শ্ৰীযুত হৰগোবিন্দ ডেকা চাৰলৈ মই মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো। লগতে মোক বিভিন্ন দিশত সহায় সহযোগিতা আগবঢ়োৱা সকল দেৱজিৎ, জয়দ্বীপ, কুলদ্বীপ, নয়ন, টুলটুল, ৰুণা আৰু অজ্ঞাতে ৰৈ যোৱা সকলোলৈ ধন্যবাদ জ্ঞাপন কৰিছো।

বিগত কাৰ্য্যকালত অজানিতে হৈ যোৱা ভুল ভ্ৰান্তিৰ বাবে মই সকলো শিক্ষাগুৰু আৰু ছাত্ৰ-ছাত্ৰী সতীৰ্থ সকলৰ ওচৰত ক্ষমা বিচাৰিছো।

সদৌ শেষত দুধনৈ মহাবিদ্যালয়ৰ উত্তৰোত্তৰ কামনা কৰি সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা দেৱৰ ভাষাৰে প্ৰতিবেদনৰ সামৰণি মাৰিছো -

"বাজক ডবা বাজক শংখ বাজক মৃদং খোল;
অসম আকৌ উন্নতিৰ পথত জয় আই অসম বোল।"

ধন্যবাদেৰে -

শ্ৰী নৱজ্যোতি হাকাচাম
সম্পাদক, সংগীত বিভাগ



দুধনৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা

# লঘু ক্ৰীড়া বিভাগৰ প্ৰতিবেদন ঃ

প্ৰতিবেদনৰ পাতনিতে যিসকল বীৰ শ্বহীদে স্বদেশ তথা জাতিৰ সৰ্বতো প্ৰকাৰৰ মঙ্গল কামনাৰ্থে আত্মবলিদান দিলে সেইসকল শ্বহীদৰ পবিত্ৰ আত্মালৈ মই কৌটি কৌটি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছোঁ।

গোৱালপাৰা জিলাৰ এক অন্যতম শিক্ষানুষ্ঠানৰূপে পৰিচিত দুধনৈ মহাবিদ্যালয়ৰ ছাত্ৰ-একতা সভাৰ লঘু-ক্ৰীড়া বিভাগৰ সম্পাদক হিচাপে যিসকল ছাত্ৰ-ছাত্ৰীয়ে মোক নিৰ্বাচিত কৰি সেৱা আগবঢ়োৱাৰ সুবিধাকণ দিলে তেওঁলোকলৈ মই অশেষ ধন্যবাদ তথা কৃতজ্ঞতা যাচিছোঁ।

সম্পাদক হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছত কাৰ্যক্ষেত্ৰত কিমান দূৰ কৃতকাৰ্য হৈছো সেয়া আপোনাসৱৰ বিচাৰ্য। মহাবিদ্যালয় খেল সপ্তাহ উপলক্ষে আয়োজিত মোৰ বিভাগৰ বিভিন্ন খেলসমূহ যেনে- ভলীবল, বেডমিন্টন, ল'ৰা-ছোৱালীৰ কাবাদি খেল আৰু ছোৱালীৰ টেনী কুইট প্ৰতিযোগিতাসমূহ নিয়াৰীকৈ পৰিচালনা কৰিবলৈ যৎপৰোনাস্তি চেষ্টা কৰিছিলো। মোৰ বিভাগৰ প্ৰতিটো প্ৰতিযোগিতাতে আশানুৰূপ সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে অংশ গ্ৰহণ কৰিছিল।

আমি জানো যে ক্ৰীড়া বৰ্তমান যুগৰ এক অভিন্ন অংগ। শাৰীৰিক তথা মানসিক বুদ্ধি বিকাশৰ উৎকৃষ্ট মাধ্যম। আশাকৰো আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলেও ক্ৰীড়া ক্ষেত্ৰত দুধনৈ মহাবিদ্যালয়ৰ নাম উজ্জলাই ৰাখিবলৈ চেষ্টা কৰিব।

মোৰ বিগত কাৰ্যকালত সহায়ৰ হাত আগবঢ়োৱা মোৰ সহপাঠী দুধনৈ মহাবিদ্যালয়ৰ সাধাৰণ সম্পাদক শ্ৰী নিৰঞ্জন ৰাভালৈ মই অশেষ ধন্যবাদ জ্ঞাপন কৰিছোঁ। তদুপৰি মোৰ কাৰ্য পৰিচালনাত অশেষ ত্যাগ স্বীকাৰ কৰা মোৰ ভাইটি-বন্ধু তপ্তন নাথ, অম্লান হাজোৱাৰী কথা উল্লেখ নকৰিলে মোৰ এই প্ৰতিবেদন আধৰুৱা হৈ ৰ'ব। এইখিনিতে মোক বিভিন্ন ক্ষেত্ৰত বিভিন্ন ধৰণে সহায় কৰা বন্ধু-বান্ধৱী জিনু, উৎপল, শংকৰ, জ্যোতিৰ্ময়, ভাইটি, ৰত্নেশ্বৰ, আলম, নন্দিতা, মানষী, তুলতুলী আদিলৈ ধন্যবাদ তথা কৃতজ্ঞতা যাচিছোঁ।

সদৌ শেষত মোৰ কাৰ্যকালত অজানিতে হৈ যোৱা ভুল ভ্ৰান্তিৰ বাবে ক্ষমা মাৰ্জনা বিচাৰি তথা দুধনৈ মহাবিদ্যালয়ৰ উন্নতি কামনা কৰি মোৰ প্ৰতিবেদন পাঠক এইখিনিতে সামৰণি মাৰিছোঁ।

"জয়তু জননী আই অসমী"
"জয়তু দুধনৈ মহাবিদ্যালয়"

ভৱদীয়

**ৰঞ্জীৱ ৰাভা (কুকি)**
সম্পাদক, লঘু-ক্ৰীড়া বিভাগ

## সমাজ সেৱা বিভাগৰ প্ৰতিবেদন ঃ

মোৰ চমু প্ৰতিবেদনৰ পাতনিতে দুধনৈ মহাবিদ্যালয়ৰ সমূহ শিক্ষক-শিক্ষয়িত্ৰীবৃন্দলৈ মোৰ শ্ৰদ্ধা জ্ঞাপন কৰিছো। যোৱা ২০০৩-২০০৪ বৰ্ষৰ সমাজ সেৱা বিভাগৰ সম্পাদকৰ পদত মোক বিনা প্ৰতিদণ্ডিতাৰে মহাবিদ্যালয়ৰ সেৱা কৰাৰ সুযোগ দিয়া সমূহ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীলৈ মই মোৰ আন্তৰিক শুভেচ্ছা আৰু কৃতজ্ঞতা জনালোঁ।

মোৰ কাৰ্যকালচোৱাত মই তিনিবাৰকৈ মহাবিদ্যালয়ৰ প্ৰাঙ্গণৰ কাৰ্য্যসূচী কৰিছো, প্ৰথমবাৰ কৰোঁ আদৰণি সভা উপলক্ষে আৰু দ্বিতীয় বাৰ কৰোঁ চেপ্তেম্বৰ মাহত দুধনৈ মহাবিদ্যালয়ত 'নাক'ৰ কাৰ্য্যসূচী উপলক্ষে আৰু তৃতীয় বাৰ কৰোঁ মহাবিদ্যালয় সপ্তাহ উপলক্ষে। সমাজ সেৱাত অংশ গ্ৰহণ কৰা সমূহ ছাত্ৰ-ছাত্ৰীকে মই আন্তৰিক অভিনন্দন যাচিছোঁ। সদৌ শেষত যিসকল ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীয়ে বিভিন্ন সময়ত বিভিন্ন কামত সহায়-সহযোগিতাৰ লগতে উৎসাহ -উদ্দীপনা, প্ৰেৰণা যোগাইছে, তেওঁলোকৰ ওচৰত মই আন্তৰিকভাৱে আজীৱন ঋণী।

তদুপৰি সমাজ সেৱা বিভাগৰ তত্বাৱধায়ক অধ্যাপক মহোদয় আৰু মোৰ পূজনীয় শিক্ষা গুৰু মাননীয় শ্ৰী ফুলেন শৰ্মা মহাশয়ৰ সহায়-সহযোগিতাৰ থকা মোৰ বাবে স্মৰণীয় হৈ ৰ'ব। কাৰণ মই যেতিয়াই কোনো অসুবিধাত পৰিছিলো তেতিয়াই তেওঁ মূল্যৱান উপদেশ বা দিহা পৰামৰ্শ দি মোক সহায় কৰে।

অৱশেষত মোৰ কালছোৱাত মোৰ অজ্ঞানিতে হৈ যোৱা ভুল-ভ্ৰান্তিৰ বাবে মই ক্ষমা-ভিক্ষা মাগিছো। লগতে দুধনৈ মহাবিদ্যালয়ৰ দীৰ্ঘায়ু কামনা কৰি মোৰ এই প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

"জয় আই অসম"
"জয়তু দুধনৈ মহাবিদ্যালয়"

শ্ৰী গোলক দৈমাৰী
সম্পাদক, সমাজ সেৱা

দুধনৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা

দু
ধ
নৈ

ম
হা
বি
দ্যা
ল
য়

ছা
ত্র

এ
ক
তা

স
ভা

# শৰীৰ চৰ্চা আৰু সাতোঁৰ বিভাগৰ প্ৰতিবেদন ঃ

প্ৰতিবেদনৰ পাতনিতে মই শ্ৰদ্ধাৰ শিক্ষাগুৰু, অভিভাৱক মোৰ সহপাঠী বৃন্দ আৰু সমূহ বন্ধু বৰ্গলৈ মই মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছো।

দুধনৈ মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ ২০০৩-২০০৪ বৰ্ষৰ কাৰ্যকালত মই এগৰাকী শৰীৰ চৰ্চা আৰু সাতোঁৰ বিভাগৰ সম্পাদক হিচাপে কাৰ্যনিৰ্বাহ কৰিবলৈ লওঁ। এই বেলি পোন প্ৰথম বাৰৰ বাবে দুধনৈ মহাবিদ্যালয়ৰ "মহাবিদ্যালয় সপ্তাহ"ত উত্তৰ-পূৰ্বাঞ্চলৰ থলুৱা জন-গোষ্ঠীৰ সাজ-পোছাকৰ ওপৰত ভিত্তি কৰি অনুষ্ঠিত কৰা হয় আৰু ল'ৰা-ছোৱালীৰ "ফেশ্বন-শ্ব" প্ৰতিযোগিতা আৰু ল'ৰাৰ টাইকোৱানডো প্ৰতিযোগিতা যথেষ্ট আকৰ্ষণীয় আৰু প্ৰতিযোগীৰ সংখ্যাও যথেষ্ট উৎসাহজনক আছিল। 'ফেশ্বন শ্ব' ত প্ৰথম স্থান পোৱা ল'ৰাৰ শ্ৰী নয়ন নাথক Mr. Model আৰু ছোৱালীৰ মিচ্ ৰণু মেধিক Miss Model of Dudhnoi College উপাধিৰে সন্মানিত কৰা হয়। একেদৰে টাইকোৱানডো প্ৰতিযোগিতাত শ্ৰী ৰাকেশ ৰয়ক Best Fighter আখ্যা দিয়া হয়। কিন্তু এইবেলি শৰীৰ চৰ্চা বিভাগৰ অন্যতম আকৰ্ষণীয় প্ৰতিযোগিতাত ল'ৰাৰ দেহশ্ৰী প্ৰতিযোগিতা প্ৰতিযোগীৰ অভাৱৰ হেতু পাতিব নোৱাৰিলো যদিও আমন্ত্ৰিত বডি-বিল্ডাৰ্চৰ দ্বাৰা দেহশ্ৰী প্ৰদৰ্শন অনুষ্ঠিত কৰা হয়। আমন্ত্ৰিত বডি বিল্ডাৰ্চ সকল হ'ল ক্ৰমে - শ্ৰী ৰাজু ৰয়, মাখন সিং, প্ৰনৱ ৰাভা, প্ৰফুল্ল বৰ্মন আৰু পৰিমল সৰকাৰ এওঁলোকলৈ মই দুধনৈ মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ তৰফৰ পৰা ধন্যবাদ জ্ঞাপন কৰিছো। আশা কৰো পৰৱৰ্তী পৰ্যায়ত বিভাগীয় সম্পাদকদ্বয়ে এইক্ষেত্ৰত গুৰুত্ব দিব আৰু বিদ্যাৰ্থী সকলৰ প্ৰতিভা বিকাশৰ অৰ্থে এনেধৰণৰ আৰু আকৰ্ষণীয় প্ৰতিযোগিতা সমূহ অনুষ্ঠিত কৰি যাব।

সদৌ শেষত দুধনৈ মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন দিশত উন্নতি আৰু ভৱিষ্যত উজ্জ্বল কামনা কৰিছো। শেষত মহাবিদ্যালয় সপ্তাহত মোক বিভিন্ন দিশত সহায় আগবঢ়োৱা শ্ৰী উৎপল শইকীয়া, জয়দেৱ ৰাভা, পংকজ ৰাভা আৰু মিচ্ পদুমী ৰাভালৈ আন্তৰিক কৃতজ্ঞতা যাছিলোঁ।

**শ্ৰী মুকুট ৰাভা**
সম্পাদক, শৰীৰ চৰ্চা আৰু সাতোঁৰ বিভাগ

## গুৰু ক্ৰীড়া বিভাগৰ প্ৰতিবেদন ঃ

অভিনন্দন গ্ৰহণ কৰিব। আৰম্ভনিতে মই আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিলো সেইসকল বীৰ শ্বহীদলৈ যিসকলে দেশ মাতৃৰ হ'কৈ প্ৰাণ বিসৰ্জন দিলে। কৃতজ্ঞতা জ্ঞাপন কৰিব খুজিছো দুধনৈ মহাবিদ্যালয়ৰ সমূহ বিদ্যাৰ্থীসকললৈ, যিসকলে মোক ২০০৩-২০০৪ বৰ্ষৰ গুৰু ক্ৰীড়া সম্পাদকৰ পদত নিৰ্বাচিত কৰি সেৱা আগবঢ়োৱা সুবিধাকণ দিলে।

মোৰ কাৰ্য্যকালত মই যি সেৱা আগবঢ়ালো তাৰ খতিয়ান আপোনালোকৰ হাতত। মই গুৰু ক্ৰীড়া সম্পাদকৰ পদ গ্ৰহণ কৰি সেৱা আগবঢ়োৱাৰ সময় ছোৱাত যি অভিজ্ঞতা লাভ কৰিলো তাৰ ভিত্তিত কিছু লিখিবলৈ ওলাইছো। দুধনৈ মহাবিদ্যালয়ত ক্ৰীড়াৰ ক্ষেত্ৰত প্ৰতিভা থকা ছাত্ৰ-ছাত্ৰীৰ অভাৱ নাই কিন্তু অতি পৰিতাপৰ কথাটো হ'ল মহাবিদ্যালয় সপ্তাহৰ সময়ছোৱাত ছাত্ৰ-ছাত্ৰীসকলে খেলসমূহত অংশ গ্ৰহণ কৰিবলৈ স্ব-ইচ্ছাই আগবাঢ়ি নাহে। আকৌ ল'ৰাতকৈ ছোৱালী প্ৰতিযোগীতাৰ সংখ্যা নিচেই তাকৰ হোৱা দেখা যায়। মই দুধনৈ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ আহ্বান জনাইছো যেন তেওঁলোকে অনাগত বৰ্ষকেইটিত দলে-বলে খেলাত অংশ গ্ৰহণ কৰেহি। খেলাও হৈছে শিক্ষাৰে এটা অনবদ্য অংগ। খেলাৰ জৰিয়তে ব্যক্তিৰ শাৰীৰিক, মানসিক আৰু আধ্যাত্মিক বিকাশ সাধন সম্ভৱ হৈ উঠে।

মোৰ কাৰ্য্য পৰিচালনাত সততে দিহা পৰামৰ্শ দি সহায় সহযোগিতা আগবঢ়োৱা শ্ৰদ্ধাৰ শিক্ষাগুৰু শ্ৰীযুত সূৰ্য্য স্বৰ্গীয়াৰী চাৰ; দুধনৈ এথেলেটিক ক্লাবৰ সমূহ সদস্য, দুধনৈ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী তথা ছাত্ৰ একতা সভাৰ সমূহ সদস্য সকলৰ ওচৰত মই চিৰ কৃতজ্ঞ। বিশেষকৈ দেৱজিৎ, নিপজ্যোতি, নিৰঞ্জন, মন্টু, বাপন দা, ৰিপন দা, আদিৰ ওচৰত মই চিৰকৃতজ্ঞ।

সদৌ শেষত মোৰ অজানিতে হোৱা ভুল-ত্ৰুটিৰ বাবে সকলোৰে ওচৰত ক্ষমা-ভিক্ষা মাগি আৰু দুধনৈ মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যত তথা উন্নতি কামনা কৰি মোৰ এই চমু প্ৰতিবেদন সামৰিছো।

ধন্যবাদ

"জয়তু দুধনৈ মহাবিদ্যালয়"
"জয় আই অসম"

ভৱদীয়
**শ্ৰী ৰূপম ৰাভা**
গুৰু-ক্ৰীড়া সম্পাদক,

দুধনৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা

দু
ধ
নৈ

ম
হা
বি
দ্যা
ল
য়

ছা
ত্র

এ
ক
তা

স
ভা

## ফুটবল আৰু ক্ৰিকেট বিভাগৰ প্ৰতিবেদন ঃ

জয় জয়তে যিসকলে স্বদেশ-স্বজাতি তথা অসমৰ অস্তিত্ব ৰক্ষাৰ কাৰণে প্ৰাণ আহুতি দিলে সেইসকল শ্বহীদৰ পবিত্ৰ আত্মালৈ মোৰ কৌটি-কৌটি শ্ৰদ্ধা জ্ঞাপন কৰিছো।

২০০২-২০০৩ বৰ্ষৰ ছাত্ৰ একতা সভাৰ ক্ৰিকেট আৰু ফুটবলৰ সম্পাদক হিচাপে যিসকল ছাত্ৰ - ছাত্ৰীয়ে অশেষ কষ্ট স্বীকাৰ কৰি মোক নিৰ্বাচিত কৰিলে তেওঁলোকলৈ মই ধন্যবাদ জ্ঞাপন কৰিছো।

মোৰ কাৰ্যকালত কিমান কৃতকাৰ্য হ'ব পাৰিলো তাৰ বিচাৰ-বিবেচনা কৰাৰ ভাৰ আপোনালোকৰ হাতত অৰ্পিলো।

আমাৰ মহাবিদ্যালয়ত বহুত দক্ষ খেলুৱৈ আছে, কিন্তু উপযুক্ত নানান সুবিধা নোপোৱাৰ বাবে এতিয়ালৈকে সুনাম অৰ্জন কৰিব পৰা নাই। মই আশা কৰো তেওঁলোকে উপযুক্ত সা-সুবিধা পালে ভৱিষ্যতে মহাবিদ্যালয়ৰ সন্মান কঢ়িয়াই আনিব পাৰিব।

প্ৰতিবেদনৰ সামৰণিত মই বিভাগীয় তত্বাবধায়কদ্বয় শ্ৰী প্ৰদীপ কুমাৰ দাসলৈ কৃতজ্ঞতা জনালো। নানা দিশত সহায় ক ৰাৰ বাবে শ্ৰী মন্টু হাজোৱাৰী, চন্দন, অম্লান, লুইচ, অভিজিত, পুৰন্দৰ, সীতা, মুকঠাং, পিনাকী লৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিলো।

সদৌ শেষত মোৰ কাৰ্য্যকালত অজানিতে হে যোৱা ভুল ভ্ৰান্তিৰ বাবে ক্ষমা মাৰ্জনা বিচাৰি তথা দুধনৈ মহাবিদ্যালয়ৰ উন্নতি কামনা কৰি মোৰ প্ৰতিবেদন পাঠৰ সামৰণি মাৰিছো।

"জয়তু দুধনৈ মহাবিদ্যালয়"
"জয়তু দুধনৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা"

শ্ৰদ্ধাৰে -

শ্ৰী মন্টু ৰাভা
সম্পাদক, ক্ৰিকেট আৰু ফুটবল বিভাগ

# RESULTS OF ANNUAL COLLEGE WEEK 2003-2004

## Boy's Section

*100m Race*

1st Mantu Rabha (H.S.2nd Yr.)
2nd Biraj Rabha (H.S.1st Yr.)
3rd Tupiram Rabha (H.S. 2nd Yr.)

*200m Race*

1st Biraj Rabha (H.S.1st Yr.)
2nd Tupiram Rabha (H.S.2nd Yr.)
3rd Daliram Basumatary (H.S.1st Yr.)

*400m Race*

1st Tupiram Rabha (H.S.2nd Yr.)
2nd Biraj Rabha (H.S.1st Yr.)
3rd Jogesh Rabha (H.S.1st Yr.)

*1500m Race*

1st Ananta Basumatary (H.S.2nd Yr.)
2nd Prafulla Rabha (H.S.2nd Yr.)
3rd Rabindra Rabha (H.S.1st Yr.)

*4 x 100m Relay*

1st Rabindra Rabha (H.S.1st Yr.)
Tupiram Rabha (H.S.2nd Yr.)
Prafulla Rabha (H.S.2nd Yr.)
Bhabananda Rabha (H.S.2nd Yr.)

2nd Dilaram Basumatary (H.S. 1st Yr.)
Binod Khatriya (T.D.C. 1st Yr.)
Afuranta Rabha (H.S. 1st Yr.)
Jagjiuram Rabha (H.S. 2nd Yr.)

3rd Mantu Rabha (H.S. 2nd Yr.)
Amlan Hazowary (H.S. 2nd Yr.)
Mintu Hazowary (H.S. 1st Yr.)
Mukthang Khakhlary (H.S. 2nd Yr.)

*Javelin Throw*

1st Mantu Rabha (H.S. 2nd Yr.)
2nd Dhrubajyoti Roy (H.S. 1st Yr.)
3rd Heramba Ramchiary (H.S. 1st Yr.)

*Discuss Throw*

1st Diganta Kachari (H.S. 1st Yr.)
2nd Debajit Rabha (H.S. 1st Yr.)
3rd Nabadeep Nath (H.S. 2nd Yr.)

*Shot-Put Throw*

1st Nabadeep Nath (H.S. 2nd Yr.)
2nd Mantu Rabha (H.S. 2nd Yr.)
3rd Dharmendra Patgiri (H.S. 2nd Yr.)

*High Jump*

1st Debajit Rabha (H.S. 1st Yr.)
2nd Kamal Boro (H.S. 1st Yr.)
3rd Birak Rabha (H.S. 1st Yr.)

*Long Jump*

1st Nabadeep Nath (H.S.2nd Yr.)
2nd Debajit Rabha (H.S.1st Yr.)
3rd Prafulla Rabha (H.S.2nd Yr.)

*Marathan Race*

1st Rabindra Rabha (H.S.1st Yr.)

*Best Athelete*

**Rabindra Rabha (H.S.1st Yr.)**

## Boy's Common Room Section

*Carrom Single*

Winner : Santanu Kalita (T.D.C. 2nd Yr.)
Runners Up : Subrata Rabha (T.D.C. 2nd Yr.)

*Carrom Double*

Winner : Afuranta Rabha (H.S.1st Yr.)
Tulen Barman (H.S.1st Yr.)
Runners Up : Naba Kalita (H.S. 2nd Yr.)
Sanjit Natj (H.S. 2nd Yr.)

*Carrom Mixed Double*

Winner : Pranal Brahma (H.S.1st Yr.)
Mamoni Choudhury (H.S.1st Yr.)
Runners Up : Afuranta Rabha (H.S.1st Yr.)
Dipti Rabha (H.S.1st Yr.)

*Table Tennis(Single)*

Winner : Santanu Kalita (T.D.C. 2nd Yr.)
Runners Up : Kishore Mahanta (B.Sc. 3rd Yr.)

*Table Tennis(Double)*

Winner : Santanu Kalita (T.D.C. 2nd Yr.)
Kishore Mahanta (B.Sc. 3rd Yr.)

Runner Up : Ajoy Rabha (T.D.C. 1st Yr.)
Hare Krishna Barman (B.Sc. 2nd Yr.)

*Chess*

Winner : Subrata Rabha (T.D.C. 3rd Yr.)

Runner Up : Joy Prakash Prasad (T.D.C.1st Yr.)

*Couple Competition*

Winner : Rabindra Rabha (H.S.1st Yr.)
Banti Singha (T.D.C. 2nd Yr.)

Runners Up : Rumi Basumatary (H.S.2nd Yr.)
Runa Dihingia (T.D.C. 2nd Yr.)
&
Jitu Sarmah (H.S.1st Yr.)
Jonmoni Shil (T.D.C. 1st Yr.)

**Girls' Section**

*100m Race*

1st Lakshmi Rabha (H.S.1st Yr.)
2nd Rekha Basumatary (H.S.1st Yr.)
3rd Hiramoni Kalita (H.S.1st Yr.)

*200m Race*

1st Lakshmi Rabha (H.S.1st Yr.)
2nd Sishitra Swargiary (H.S.1st Yr.)
3rd Pabmavati Rabha (H.S. 2nd Yr.)

*400m Race*

1st Sujita Rabha (H.S. 1st Yr.)
2nd Sushitra Swargiary (H.S. 1st Yr.)
3rd Minati Rabha (H.S. 1st Yr.)

*Javelin Throw*

1st Lovita Boro (H.S. 1st Yr.)
2nd Champa Muchahary (H.S. 1st Yr.)
3rd Lakshmi Rabha (H.S. 1st Yr.)

*Discuss Throw*

1st Lakshmi Rabha (H.S. 1st Yr.)
2nd Barnali Roy (H.S. 2nd Yr.)
3rd Lavita Boro (H.S. 1st Yr.)

*Shot-Put Throw*

1st Lakshmi Rabha (H.S. 1st Yr.)
2nd Rekha Basumatary (H.S. 1st Yr.)
3rd Rashmi Daimary (H.S. 1st Yr.)

*High Jump*

1st Janaki Rabha (H.S. 2nd Yr.)
2nd Sinita Rabha (H.S. 1st Yr.)
3rd Sishmita Swargiary (H.S. 1st Yr.)

*Long Jump*

1st Lakshmi Rabha (H.S. 1st Yr.)
2nd Rashmi Daimary (H.S. 1st Yr.)
3rd Rekha Basumatary (H.S. 1st Yr.)

**Girls Common Room Section**

*Chess*

Winner : Runmoni Kalita (T.D.C 3rd Yr.)

Runners Up : Jyotirekha Rabha (H.S.1st Yr.)

*Chinese Checker*

Winner : Priyanka Todi (T.D.C.1st Yr.)

Runners Up : Heera Machary (T.D.C. 3rd Yr.)

*Carrom(Single)*

Winner : Runa Dihingia (T.D.C. 2nd Yr.)

Runners Up : Mamoni Dutta (H.S.2nd Yr.)

*Carrom(Double)*

Winner : Jutika Basumatary (H.S.2nd Yr.)
Mamoni Choudhury (H.S.1st Yr.)

Runners Up : Lipika Thakuria(H.S.1st Yr.)
Bhumika Nath (H.S.1st Yr.)

*Flower Decoration*

1st Kanika Rabha (H.S. 2nd Yr.)
2nd Tanushree Roy (H.S.1st Yr.)
3rd Darshna Nath (H.S.2nd Yr.)

*Bride Competition*

1st Runu Medhi (T.D.C.1st Yr.)
2nd Rekha Devi (H.S.1st Yr.)
3rd Konika Rabha (H.S.2nd Yr.)

*Kabadi (Boy's)*

Winner Team : Amlan Hazowary
Mugthang Khakhlary
Diganta Kachary
Mintu Hazowary
Bani Kanta Nath
Nitya Nanda Khakhlary
Roushan Daimary

Runners Up Team Mantu Rabha
Abhijeet Rabha
Meghnath Rabha
Utpal Saikia
Chandeswar Boro
Barukh Rabha

Best Player : Amlan Hazowary

*Kabadi Girls'*

Winner Team : Laxmi Rabha
Rashmi Daimary
Champa Muchahary
Padma Roy
Kunjalata Rabha
Suchitra Swargiary
Minati Rabha

Runners Up : Nabanita Kachary
Mitali Kachary
Nirmali Rabha
Sandhya Hazowary
Ranubha Rabha
Tilottama Rabha
Janaki Rabha
Sangeeta Rabha

Best Player : Laxmi Rabha

*Volley-Ball*

Winner Team : Paban Kr. Boro
Dhrubajeet Swargiary
Padmaloshan Basumatary
Sukleswar Basumatary
Rikshi Khakhlary
Jeetu Daimary
Kameswar Khakhlary
Willin Basumatary
Rushtam Daimary

Runners Up Team : Amlan Hazowary
Nilkamal Hazowary
Ajay Hazowary
Jagou Ram Rabha
Rajib Hazowary
Ditel Swargiary
Anil Basumatary

**Boy's**

*Badminton (Single)*

Winner : Tapan Nath (H.S. 2nd Yr.)
Runners Up : Lenin Brahma (T.D.C. 2nd Yr.)

*Badminton (Double)*

Winner : Tapan Nath (H.S.2nd Yr.)
Mahesh Rabha (T.D.C 2nd Yr.)
Runners Up : Mantu Rabha (H.S.2nd Yr.)
Mintu Hazowary (H.S.1st Yr.)

**Girl's**

*Badminton (Single)*

Winner : Jutika Basumatary (H.S. 2nd Yr.)
Runners Up : Runa Dihingia (T.D.C. 2nd Yr.)

*Badminton (Double)*

Winner : Jutika Basumatary (H.S. 2nd Yr.)
Chandana Rabha (T.D.C. 3rd Yr.)
Runners Up : Joyshree Boro (H.S.1st Yr.)
Pinki Khakhlary (H.S. 2nd Yr.)

*Teni Quit*

Winner : Runa Dihingia (T.D.C. 2nd Yr.)
Hira Muchahary (T.D.C. 2nd Yr.)

**Gymnasium Section**

*Fashion Show (Girls')*

1st Runu Medhi (T.D.C. 1st Yr.)
2nd Rubi Rabha (T.D.C. 2nd Yr.)
3rd Bhanita Roy (H.S. 2nd Yr.)

*Fashion Show (Boy's)*

1st Nayan Nath (H.S. 2nd Yr.)
2nd Ajay Rabha (T.D.C. 1st Yr.)
3rd Anupam Roy (T.D.C. 3rd Yr.)

*Tai-kwan-do(56+)*

1st Rakesh Roy (T.D.C. 2nd Yr.)
2nd Jyotirmoy Sarma (H.S.1st Yr.)
3rd Pradip Mandal (H.S.1st Yr.)

*Tai-kwan-do (55)*

1st Birbal Kachari (H.S.1st Yr.)
2nd Tulan Barman (H.S.1st Yr.)
3rd Jayanta Sarma (H.S.1st Yr.)

*Arms Wrestling(Light)*

1st Bipul Roy (H.S.1st Yr.)
2nd Afuranta Rabha (H.S.1st Yr.)
3rd Banikanta Nath (H.S.1st Yr.)

*Arms Wrestling(Heavy) of Boy's*

1st Mukthang Khakhlary (H.S.2nd Yr.)
2nd Lankeswar Khakhlary (T.D.C. 2nd Yr.)
3rd Utpal Saikia (T.D.C. 2nd Yr.)

*Arms Wrestling of Girls'*

1st Padma Roy (H.S.1st Yr.)
2nd Niroda Roy (T.D.C. 2nd Yr.)
3rd Kumarika Basumatary (T.D.C.1st Yr.)

*Half Weight Lifting of (Girls')*
1st Kunjalata Rabha (H.S.1st Yr.) (Lift 65 kg)
2nd Minati Rabha (H.S.1st Yr.) (Lift -60 kg)

*Weight Lifting of Boy's (Lift weight 50 +60)*
1st Barukh Rabha Lift 50 +30 pound (TDC 1st Yr.)
2nd Enjoy Daimary Lift 40 +10 Kg (H.S.1st Yr.

*Weight Lifting of Boy's (Heavy weight) 60 +*
1st Lankeswar Khakhlary Lift 60kg(T.D.C 2nd Yr.)
2nd Utpal Saikia Lift 58 kg(T.D.C. 2nd Yr.)

*Weight Lifting of Boy's (Heavy weight)*
1st Mukthang Khakhlary (H.S.2nd Yr.)
2nd Lankeswar Khakhlary (T.D.C. 2nd Yr.)
Utpal Saikia (T.D.C. 2nd Yr.)

*Cricket Tournament*
Winner : H.S. 2nd Year (Arts)
Runners Up : T.D.C. 1st Year (Arts)
Man of the Series : Chandan Choudhury

*Football Tournament*
Winner : H.S. 2nd Year (Arts)
Runners Up : H.S. 1st Year (Arts)

**Music Section**

*Modern Song*
1st Junmoni Shil
2nd Mrigen Sarkar

*Jyoti Sangeet*
1st Junmoni Shil
2nd Nabanita Rabha

*Antaksharee*
1st Santanu Kalita
Ajay Rabha
Eva Nath
2nd Mridula Rabha
Pinky Khakhlary
Joyshree Boro
3rd Pinly Devi
&
Daliram Basumatary
Indira Chetry
Manoj Kalita
Rekha Devi
Pinali Bhowmick

Best Singer : **Junmoni Shil**

**Cultural Section**

*Group Dance*
1st Junmoni Shil
Geetanjali Roy
Kumarika Basumatary
Malobika Choudhury
2nd Rubi Nandi
Juri Roy Patgiri
Amrita Sharma
Banjit Rabha
Samar Rabha
Birbal Rabha
Con. Darshna Nath
Nibedita Choudhury
Arpita Rabha
Kaberi Roy

*Dance (Single)*
1st Arpita Roy
2nd Rubi Nandi

*Folk Dance*
1st Darshana Nath
2nd Indira Chetry

*Go as you like*
1st Namita Rabha
2nd Rekha Devi
&
All Star Group

**Social Service Section**

*Social Service Comp.*
1st Sanju Rabha (H.S.1st Yr.)
2nd Bhabananda Hazowary (H.S. 2nd Yr.)
3rd Rumi Daimary (H.S. 2nd Yr.)

# STARS OF DUDHNOI COLLEGE



**Miss Darshana Nath**
80% in
H.S. 2nd yr.(Arts) Final Exam.



**Miss Jonmani Shill**
Best Singer of Dudhnoi College
Year 2003-04



**Rabindra Rabha**
Best Athelete of Dudhnoi College
Year 2003-04



DUDHNOI COLLEGE
DUDHNOI COLLEGE
SAMSUNG
MR. HERCULES 2003-04